


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩০৮ ■ গুৱাহাটী ■ শুকুৰবাৰ, ১৭ জুন, ২০২২, ২ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 308 Dainandin Barta ■ Guwahati, Friday ■ 17 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




## পুনৰ এক ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলৈ গৈ আছে যমুনামুখবাসী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৬ জুন ঃ** পুনৰ ভয়ংকৰ পৰিস্থিতিৰ পিনে গতি কৰিছে হোজাই জিলাৰ যমুনামুখ, যোৱা কেইবাদিন ধৰি হৈ থকা মুষলধাৰ বৰষুন ফলত ৰাজ্যৰ আন আন নৈসমূহৰ ■ ৮ পৃষ্ঠাত

## নগাঁৱৰ বিদ্যালয়ত আকস্মিক পৰিদৰ্শন শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ



### নগাঁও চহৰৰৰ বাংলা মাধ্যমৰ চাৰি বিদ্যালয় একত্ৰিকৰণৰ পোষকতা শিক্ষামন্ত্ৰীৰ

## ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষক ধমক শিক্ষামন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ জুন ঃ** সদ্য ফলাফল ঘোষিত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ্থীৰ হতাশজনক প্ৰদৰ্শনক লৈ চৰ্চা চলি থকাৰ মাজতে আজি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নগাঁও চহৰৰ পাঁচখন বিদ্যালয়ত আকস্মিকভাৱে পৰিদৰ্শন কৰি বিদ্যালয়কেইখনৰ পৰিবেশ আৰু আন্তঃগাঠনিৰ বুজ লয়। শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰতিকুল বতৰৰ মাজতে আজি পুৱাভাগত নগাঁও চহৰৰ বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগাঁও বেংগলী গাৰ্লচ হাইস্কুল, নগাঁও বেংগলী বালক প্ৰাথমিক বিদ্যালয় আৰু নগাঁও বেংগলী বালিকা প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়কেইখনৰ পৰিবেশ, আন্তঃগাঠনি, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা আদি বিষয়সমূহ পৰ্যবেক্ষণ কৰে। পাচত উল্লেখিত বাংলা মাধ্যমৰ বিদ্যালয়কেইখনৰ আন্তঃগাঠনি সন্দৰ্ভত শিক্ষামন্ত্ৰী গৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে স্বাধীনতাৰ পূৰ্বে স্থাপিত এই কেইখন বিদ্যালয়ৰ বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ। ইয়াৰে এখন প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মাত্ৰ ৬ জন হোৱাৰ বিপৰীতে শিক্ষকৰ ■ ৮ পৃষ্ঠাত




### ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু উদ্যোগবোৰৰ প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতিৰে মত-বিনিময় মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## সমস্যা আঁতৰাই বাণিজ্যিক সূচলতা অনাৰ লক্ষ্য

### ভূ-তত্ত্ব আৰু খনি সঞ্চালকালয়, অসম আৰু এছ বি আই কেপৰ মাজত বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ জুন ঃ** অসমৰ ঔদ্যোগিক খণ্ডত বিনিয়োগ আৰু সম্প্ৰসাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু উদ্যোগসমূহৰ প্ৰতিনিধি, আগশাৰীৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীসকলৰ সৈতে আজি গুৱাহাটীত এক মত-বিনিময় অনুষ্ঠানত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে ড° শৰ্মাই কয় যে ৰাজ্যখনত ■ ৮ পৃষ্ঠাত

## বন্ধ হ'ব উত্তৰ-পূবৰ প্ৰথমটো পুৰণি ৰে'ল ষ্টেচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৬ জুন ঃ** বন্ধ হ'ব উত্তৰ-পূবৰ প্ৰথমটো পুৰণি ৰে'ল ষ্টেচন ডিব্ৰুগড় টাউন ৰে'লৱে ষ্টেচন। ইতিহাস হোৱাৰ দিশে অগ্ৰসৰ ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ আমোলতে প্ৰতিষ্ঠা লাভ কৰা ঐতিহাসিক ডিব্ৰুগড় টাউন ■ ৮ পৃষ্ঠাত

## বায়ু প্ৰদূষণ ঃ ভাৰতীয় মানুহৰ আয়ূস কমিব ৫ বছৰকৈ

### চিকাগো বিশ্ববিদ্যালয়ৰ সতৰ্কবাণী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ জুন ঃ** বায়ু প্ৰদূষণ এতিয়া ঘাতক হিচাবে দেখা দিছে ভাৰতত। এনে সময়তে চিকাগো বিশ্ববিদ্যালয়ে শুনাইছে এক ■ ৮ পৃষ্ঠাত



*জনতা ভৱনত বৃহস্পতিবাৰে 'মুখ্যমন্ত্ৰীৰ বক্তৃতা সংকলন' উন্মোচন কৰাৰ ছবি*

## ভূমিস্খলনত বিধ্বস্ত মুছলপুৰৰ ঐতিহাসিক ভূইচম্পা দেৱী মন্দিৰ

### পাগলদিয়া নৈৰ বাঢ়নী পানীয়ে ছিগিলে তামুলপুৰ-মুছলপুৰ সংযোগী পথ, যাতায়াত ব্যাহত



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৬ জুন ঃ** বিগত তিনিদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত উদ্ভৱ হোৱা বান পৰিস্থিতি আৰু ভূমিস্খলনে ৰাজ্যত অধিক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। অন্য জিলাৰ সমান্তৰালকৈ বাক্সা জিলাতো বান পৰিস্থিতি আৰু বৰষুণৰ ফলত হোৱা ভূমিস্খলনে বিৰূপ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। নেৰানেপেৰা বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ ফলত যোৱা নিশা ■ ৮ পৃষ্ঠাত

## তামুলপুৰৰ বৰনদীৰ বুকুত আবদ্ধ ৫ গৰাকী শিশু-কিশোৰ

### পাঁচ ঘণ্টা অভিযানৰ অন্তত জীৱন্তে উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৬ জুন ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিত আজি পুৱা মাছ মাৰিবলৈ গৈ বৰনদীৰ বুকুত দুই গৰাকী শিশুসহ মুঠ পাঁচ গৰাকী যুৱক আবদ্ধ হৈ পৰা ঘটনাই সমগ্ৰ তামুলপুৰ জিলাতেই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি পুৱাৰ ভাগত তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰক্ষী চকীৰ অন্তৰ্গত হস্তিনাপুৰ গাঁৱৰ ■ ৮ পৃষ্ঠাত

# উত্তৰ কোৰিয়াত ক'ভিডৰ মাজতে এবিধ নতুন ৰোগৰ প্ৰাদুৰ্ভাৱ !

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ জুন ঃ** উত্তৰ কোৰিয়াত ক'ভিডৰ মাজতে এবিধ নতুন ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। দেশখনৰ শাসক কিম জং আনে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে নিজাববীয়াকৈ প্ৰচেষ্টা চলাইছে। ৰোগ বিধ কি সেয়া এতিয়াও চৰকাৰে প্ৰকাশ কৰা নাই। ক'ভিড-১৯ নিয়ন্ত্ৰণৰ বাবে ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে উত্তৰ কোৰিয়াৰ শাসক কিম জং-উনে। কিমে ৱৰ্কাৰ্ছ দলৰ নেতাসকলৰ সৈতে সাক্ষাৎ কৰাৰ সময়ত সিদ্ধান্ত লয় যে এই ভাইৰাছটো নিয়ন্ত্ৰণ কৰিবলৈ অন্তিম পৰ্যায়ত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ বিকল্প নাই। কিমে সমগ্ৰ দেশতে কঠোৰ লকডাউন আৰোপ কৰাৰ বাবে নিৰ্দেশ দিছে। সেইদৰে চিকিৎসা ব্যৱস্থাটো সাজু ৰখাৰ ■ ৮ পৃষ্ঠাত

## ফিল'বাৰীত ছিগিল জলসিঞ্চন বিভাগৰ বান্ধ

### বিস্তীৰ্ণ অঞ্চল প্লাৱিত ঃ ঠিকাদাৰ জনৈক সিনহাৰ বিৰুদ্ধে নলা নিৰ্মাণত অনিয়মৰ অভিযোগ ফিল'বাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১৬ জুন ঃ** বিগত দিনকেইটাত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হোৱা বাঢ়নী পানীৰ কোবাল সোঁতে যোৱা নিশা ফিল'বাৰী গুটিবাৰীৰ পাৰাৰ হাউচৰ সমীপত জলসিঞ্চন বিভাগৰ বান্ধ এটাৰ একাংশ ছিঙি নিয়াৰ ফলত অঞ্চলটোত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। প্ৰায় ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ জল পৰিবাহী উক্ত জলসিঞ্চন বান্ধটো ■ ৮ পৃষ্ঠাত



## বান, বন্যহস্তী আৰু নৃশংসতাৰ দুন্দুভি

### গিবন অভয়াৰণ্যত হাতীৰ আক্ৰমণত পথাচাৰী আহত, কথমপি প্ৰাণৰক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১৬ জুন ঃ** গিবন অভয়াৰণ্যৰ খাদ্যৰ সন্ধানত হাতীৰ জাকে ওলাই জনাৰণ্যত প্ৰবেশ কৰি সন্ত্ৰাস সৃষ্টি কৰাটো কোনো নতুন কথা নহয়। বৰ্তমান লৈকে হাতীৰ আক্ৰমণত কেইবাজনো লোকৰ প্ৰাণ হানি হৈছে। ইফালে গিবন অভয়াৰণ্যত বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মটৰ চাইকেল আৰোহী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। গিবন অভয়াৰণ্যৰ পৰা ওলোৱা হাতীৰ জাকতো ধোদৰ আলি পাৰ হৈ কঠালগুৰি চাহ বাগিচাত প্ৰৱেশ কৰিব খোজোতেই এই ঘটনাটো সংঘটিত হয়। হাতী জাকটোৰ মাজতে এটা হাতী আক্ৰমণাত্মক ভংগীৰে উভতি আহি পথৰ ওপৰতে এজন বাইক আৰোহীক আক্ৰমণ কৰে। প্ৰত্যক্ষদৰ্শীৰ মতে, মহিলা সহ মটৰ চাইকেল আৰোহীজনে যাওতেই বাইকৰ ষ্টাৰ্ট বন্ধ হৈ পৰে। ইতিমধ্যে খেদি অহা হাতীটোৱে বাইকত থকা আৰোহী খগীৰাম ফুকনক আক্ৰমণ কৰে। হাতীটোৰ আক্ৰমণৰ পৰা মহিলাগৰাকী কোনোমতে ■ ৮ পৃষ্ঠাত

## প্ৰলয়ংকৰী বানত বিধ্বস্ত ৰাজ্যৰ ১৮খন জিলা

### একাধিক লোকৰ মৃত্যু, গছ পৰি নিহত অটোচালক, আজিও বন্ধ থাকিব কামৰূপ(মেট্ৰ')ৰ শিক্ষানুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ জুন ঃ** প্ৰকৃতিয়ে সংহাৰী ৰূপধাৰণ কৰিছে অসমত। বানৰ কৱলত পৰি এতিয়া ৰাজ্যৰ ১৮খন জিলাৰ লোকে ককবকাইছে। অসম ৰাজ্যিক ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যখনৰ ১৮খন জিলাৰ প্ৰায় ৩১৪খন গাঁৱৰ লোক ক্ষতিগ্ৰস্ত হৈছে। বাক্সা, কোকৰাঝাৰ, বঙাইগাঁও, নলবাৰী, চিৰাং, দৰং, মাজুলী, ধেমাজি, ডিব্ৰুগড়, ■ ৮ পৃষ্ঠাত



## অসম চুক্তিৰ দফাসমূহ ৰূপায়ণৰ বাবে উপ-সমিতিৰ চতুৰ্থ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ জুন ঃ** অসম চুক্তিৰ দফাসমূহ পৰ্যালোচনা কৰি ক্ষিপ্ৰতাৰে ৰূপায়ণৰ বাবে উপ-সমিতিৰ চতুৰ্থখন বৈঠক আজি জনতা ভৱনৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰীৰ আলোচনা কক্ষত অনুষ্ঠিত হয়। অসম চুক্তি ৰূপায়ণ তথা কৃষি মন্ত্ৰী অতুল বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু প্ৰমুখ্যে সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ উচ্চপদস্থ বিষয়া উপস্থিত থাকে। অসম চুক্তিৰ ৰূপায়ণ মন্ত্ৰী অতুল বৰাই অসম চুক্তিৰ ৬ নং দফা সন্দৰ্ভত বিস্তৃত ভাৱে ■ ৮ পৃষ্ঠাত

## বঙাইগাঁৱৰ ৮৬ গাঁৱৰ ৭৭,৭৭০ গৰাকী বানৰ কবলত

### ৬টা আশ্ৰয় শিবিৰত ১,১৪৮ গৰাকী বানাক্ৰান্তৰ আশ্ৰয় গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ জুন ঃ** বিগত কেইবাদিন ধৰি হৈ থকা নেৰানেপেৰা ধাৰাষাৰ বৰষুণৰ ফলস্বৰূপে বঙাইগাঁও জিলাৰ আই, মানাহ আদি নদীৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। তাৰ ফলস্বৰূপে জিলাখনৰ বঙাইগাঁও ৰাজহ চক্ৰ, ডাংতল আৰু মাণিকপুৰৰ ৰাজহ চক্ৰৰ অধীনৰ ৮৬খন গাঁও বানাক্ৰান্ত হৈছে। বঙাইগাঁও ৰাজহ চক্ৰৰ বঙাইগাঁও চহৰৰ ৮ম খণ্ড, খাৰিজা দোলাইগাঁও প্ৰথম আৰু দ্বিতীয় খণ্ড, ডাংতল ৰাজহ চক্ৰৰ বিদ্যাপুৰ, ছিকিবিকি, দুৰ্গামাৰী আৰু হলাগুৰি গাঁওকেইখন পৰিৱত হৈছে। আনহাতে মাণিকপুৰ ৰাজহ চক্ৰৰ আবাদী, আউলাগুৰি, বৰবিলা, বৰিপাৰা, বাওবাৰী, বেচিমাৰী, ভাটিপাৰা, বৰবাখৰা, বৰধূপ, চৌৰাগুৰি, ডাউকিঝাৰ, দেওটাৰী আলুখুন্দা, ডোমপাৰা, দনকিনামাৰী, গাৰোলেটী, গৰাইমাৰী, গোসাইগাঁও, হপাচাৰা, ঝাওবাৰী, কাহীবাৰী, কুৰ্চামাৰী, কুছলাইগুৰি, লুংঝাৰ ,মাণিকপুৰ, মোনাকছা, মৌখোৰা, ১ নং নগৰঝাৰ , ১নং গাৰুগাঁও, ২নং জাৰাগুৰি, ২নং নাচোনকুৰি, ৩নং জাৰাগুৰি, ■ ৮ পৃষ্ঠাত



*মেঘালয়ত ৰাষ্টাৰ মাটি খহি ট্ৰাকৰ তলত সোমাল চাৰিচকীয়া*

## অৰুণাচলৰ চাংলাঙত ভয়ংকৰ ভূমিস্খলন

### বহিঃ বিশ্বৰে বিচ্ছিন্ন চাংলাং জিলাৰ যোগাযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৬ জুন ঃ** চুবুৰীয়া অৰুণাচল প্ৰদেশৰ চাংলাঙত সংঘটিত হৈছে ভয়ংকৰ ভূমিস্খলনৰ ঘটনা। বহিঃ জগতৰে যোগাযোগ এতিয়া বিচ্ছিন্ন চাংলাং জিলা। অৰুণাচল ■ ৮ পৃষ্ঠাত

## ডাৱৰীয়া বতৰত শুৱালকুছিৰ তাঁতশালৰ ব্যাপক ক্ষতি

### মূৰে-কঁপালে হাত দিছে শিপিনীসকলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৬ জুন ঃ** ৰাজ্যত অব্যাহত নেৰানেপেৰা বৰষুণৰ ফলত বস্ত্ৰনগৰী শুৱালকুছিৰ চৌদিশ পানীৰে উপচি পৰাত ঐতিহ্যমণ্ডিত বস্ত্ৰশিল্পৰ ব্যাপক ক্ষতিসাধন হৈছে। প্ৰায় সপ্তাহ ধৰি অহা বৰষুণৰ বাবে শিপিনীসকলে তাঁতশালত কাম ■ ৮ পৃষ্ঠাত



*অম্বুবাচী মেলা আয়োজনৰ সম্পৰ্কত প্ৰশাসনৰ সৈতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা*

## শ্ৰীলংকাত ভাৰতীয় উদ্যোগপতি গৌতম আদানীৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ জুন ঃ** এইবাৰ ভাৰতীয় উদ্যোগপতি আদানীৰ বিৰুদ্ধে প্ৰতিবাদৰ জোৱাৰ উঠিল শ্ৰীলংকাত। আদানীয়ে বতাহেৰে চালিত এটা বিদ্যুৎ প্ৰকল্প শ্ৰীলংকাত স্থাপন কৰিবলৈ বিচৰাৰ পিছতে এই প্ৰতিবাদ হৈছে। শ্ৰীলংকাৰ জনতাই আজি ছ'চিয়েল মিডিয়াত কৰা অভিযোগ অনুসৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বীপ ৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰপতি গোটাবায়া ৰাজপাক্ষেক দেশখনত এটা শক্তি প্ৰকল্প স্থাপনৰ বাবে হেঁচা দিছে। সেই শক্তি প্ৰকল্পটো নিৰ্মাণৰ দায়িত্ব দিব বিচৰা হৈছে উদ্যোগপতি গৌতম আদানিৰ গোটক। কিন্তু শ্ৰীলংকাৰ ■ ৮ পৃষ্ঠাত

## ক্ষোভ কংগ্ৰেছ কৰ্মীৰ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৬ জুন ঃ** নেশ্যনেল হেৰাল্ড গোচৰত কালি তৃতীয় দিনাৰ বাবে ইডিৰ সন্মুখত হাজিৰ হৈছিল কংগ্ৰেছ নেতা ৰাহুল গান্ধী। ইডিৰ চমনৰ বিৰুদ্ধে নতুন দিল্লীত কংগ্ৰেছ কৰ্মীয়ে প্ৰতিবাদ কৰাৰ ■ ৮ পৃষ্ঠাত

# ব্ৰহ্মপুত্ৰৰ খহনীয়াই জুৰুলা কৰিছে ধুবুৰীৰ বাউশকাটা প্ৰজা বন্ধু হাইস্কুল

## বিদ্যালয়খনৰ আন্তঃগাথঁনিৰ অভাৱত জটিল সমস্যাৰ সৃষ্টি হৈছে



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৬ জুন ঃ** ধুবুৰী জিলাৰ বাউশকাটা প্ৰজা বন্ধু হাই স্কুলখন ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কৱলত পৰি কেইবাবাৰো স্থানান্তৰ কৰা হৈছে যদিও এইবেলিও ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত মাটিফাটা অঞ্চলত স্থানান্তৰ কৰা হৈছে। উক্ত বিদ্যালয়খন বাৰে বাৰে নদীৰ কৱলত পৰি একেবাৰে জৰুলা হৈ পৰিছে। বিদ্যালয়খনৰ শ্ৰেণীকোঠাৰ অভাৱৰ লগতে লেট্ৰিন, বাথৰুমৰ অৱস্থাও সীমান ভাল নহয়। কাৰণ নিজৰ ঘৰখন এবাৰ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰ কৱলত পৰি স্থানান্তৰ কৰিবলগা হ'লে ঘৰখনৰ টিনপাত, কাঠ, বিভিন্ন বয় বস্তুৰ বিস্তৰ ক্ষতিসাধন হয়। ঠিক তেনেদৰে বাউশকাটা প্ৰজা বন্ধু হাইস্কুলখন বাৰে বাৰে স্থানান্তৰ কৰোতে টিনপাত, ঘৰৰ খুটি, আৰু বহু বস্তু বাহিনী নষ্ট হৈ যায়, যাৰ ফলত পুনৰ ঘৰ নিৰ্মাণত চৰম অসুবিধাৰ সন্মুখীন হয়। আগৰ ৬৬ পৰীক্ষাৰ্থীৰ ভিতৰত ৫৬ উত্তীৰ্ণ হৈছে ডিষ্টিংচন ৬ গৰাকী, ষ্টাৰ মাৰ্ক ৭ গৰাকী বাকীখিনি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। বাউশকাটা প্ৰজা বন্ধু হাই স্কুলৰ চৌহদত কৃত্ৰিম বানৰ সৃষ্টি হোৱাত সৃষ্টি হৈছে সমস্যাৰ। ব্ৰহ্মপুত্ৰৰ খহনীয়াত জুৰুলা বিদ্যালয়খনৰ আন্তঃগাথঁনিৰ অভাৱত জটিল সমস্যাৰ সৃষ্টি হৈছে। সেয়েহে বাউশকাটা প্ৰজা বন্ধু হাইস্কুলৰ আন্তঃগাথঁনিৰ ওপৰত অলপ দৃষ্টি ৰখাৰ বাবে চৰকাৰক বিনম্ৰ আহ্বান জনাইছে বিদ্যালয়খনৰ শিক্ষকসকলে।

## ১৩ বছৰে শুই জীৱন কটাইছে চিলাপথাৰ চিচিবৰগাঁৱৰ এগৰাকী যুৱতীয়ে

### সহায়ৰ আহ্বান স্থানীয় ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৬ জুন ঃ** চিলাপথাৰ চিচিবৰগাঁৱৰ এগৰাকী ২৯ বছৰীয়া যুৱতী। নাম বেউলা মজুমদাৰ। দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বিগত তেৰটা বছৰে বিছনাতে জীৱন পাৰ হৈছে এইগৰাকী বেউলা মজুমদাৰৰ। ১৩ বছৰ আগতে এইগৰাকী যুৱতী আপোনাৰ-মোৰ দৰেই আছিল এগৰাকী চফল, প্ৰাণোচ্ছল কিশোৰী। নাছিল কোনো ৰোগ। মেট্ৰিক পৰীক্ষাৰ বাবে টেষ্ট পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পিছতে হঠাৎ অসুস্থ হৈ পৰে যুৱতীগৰাকী। হাত-ভৰিসমূহ সৰু হৈ যায়, উঠিব-বহিব নোৱাৰা হয়। আৰু তেতিয়াৰে পৰা বিছনাত শুই শুই কাল কটাইছে বেউলাই। প্ৰথম অৱস্থাত বহুতো চিকিৎসা কৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালটোৱে। কিন্তু একো সুফল নাপালে। থাকিবলৈ এটা ঘৰ অথবা অকণমান ভেটি মাটিও নাই পৰিয়ালটোৰ। আনৰ মাটিত এটা জুপুৰি সাজি অতি দুৰ্বিসহ কাল যাপন কৰিছে পৰিয়ালটোৱে। ঘৰখনৰ একমাত্ৰ উপাৰ্জনৰ সম্বল বেউলাৰ পিতৃ শম্ভূ মজুমদাৰৰ কিছু বছৰৰ পূৰ্বে মৃত্যুৰ পিছত অবৰ্ণনীয় সমস্যাৰ মাজত জীৱন কটাইছে পৰিয়ালটোৱে। কিন্তু আজিলৈকে পৰিয়ালটোৰ ওপৰত চকু পৰা নাই চৰকাৰ তথা জনপ্ৰতিনিধিৰ। চৰকাৰী সাহায্যৰ নামত কেৱল এখন বিপিএল কাৰ্ড আৰু মাতৃৰ নামত এটা অৰুণোদয় একাউন্টৰ বাহিৰে অন্য কোনো চৰকাৰী সাহায্য লাভ কৰা নাই পৰিয়ালটোৱে। বেউলাৰ চিকিৎসাৰ বাবে অক্ষম পৰিয়ালটোক চিকিৎসাৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ চৰকাৰ তথা জনপ্ৰতিনিধিসকলক আহ্বান জনাইছে স্থানীয় ৰাইজে।

# বিধ্বস্ত জৰাজীৰ্ণ পথ মেৰামতি দাবীত মাৰ্ঘেৰিটাত আছা, আটছা'ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৬ জুন ঃ** তিনিচুকীয়া জিলাৰ অন্তৰ্গত মাৰ্ঘেৰিটাৰ পৰা দেউমালীলৈ যোৱা বিধ্বস্ত জৰাজীৰ্ণ পথছোৱা মেৰামতি দাবীত আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা(আছা)আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ই যৌথভাৱে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আছা'ৰ তিনিচুকীয়া জিলা সমিতি, মাৰ্ঘেৰিটা আঞ্চলিক আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) ৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ উদ্যোগত তথা নামদাং, ডিৰক আৰু মাৰ্ঘেৰিটা চাহ বাগিছা আৰু স্থানীয় ৰাইজৰ সহযোগত এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰা হয়। দীৰ্ঘদিন ধৰি পথছোৱা চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই মেৰামেতি নকৰা ফলত পথছোৱা যাতায়াতৰ বাবে একেবাৰে অনুপযোগী হৈ পৰিছে। ফলত উক্ত বিধ্বস্ত পথছোৱাই দি যাতায়াত কৰা বিভিন্ন বাহন দুৰ্ঘটনাত পতিত হৈ আহিছে। পথছোৱাত সৰু বৰ একাধিক দুৰ্ঘটনাও সঘনাই সংঘটিত হৈ আহিছে। ছাত্ৰ সংগঠন দুটা নেতৃত্বই অতি শীঘ্ৰে উক্ত পথছোৱা মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰি তুলিবলৈ দাবী জনাইছে। অন্যথা ছাত্ৰ সংগঠন দুটাই আগন্তুক সময়ত ৩১৫নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি প্ৰতিবাদস্থলী পৰাই হুংকাৰ প্ৰদান কৰে।




# জ্ঞানদীপ জাতীয় বিদ্যালয়, সিদলসতীত অগ্নি নিৰ্বাপক বাহিনী দ্বাৰা প্ৰশিক্ষণ-সজাগতা শিবিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৬ জুন ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত জ্ঞানদীপ জাতীয় বিদ্যালয়, সিদলসতীত বঙাইগাঁও জিলা অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন বিভাগৰ উদ্যোগত যোৱা ১৫ জুনত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত এক সজাগতা সভা অনুষ্ঠিত হৈ যায়। এই সজাগতা শিবিৰ যোগেদি বিভিন্ন ধৰণৰ দুৰ্যোগৰ পৰা নিজৰ লগতে আনক কেনেদৰে বচাৰ পাৰি এই বিষয়ে ভাষণ প্ৰদান কৰে অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন বিভাগৰ বিষয়া অমিত বৰ্মনে। বিষয়া গৰাকীৰ লগতে বিহিনীৰ অন্যান্য কৰ্মী সকলে বিদ্যুৎৰ চৰ্ট ছাৰ্কিট, এলপিজি গেছ চিলেণ্ডাৰ ফলত জুইৰ বিস্ফোৰণ ঘটিলে কিদৰে কেনেদৰে নিয়ন্ত্ৰণ কৰিব পাৰি বা মানুহৰ গাত জুই লাগিলে কি কি কাম কৰিব লাগে সেয়া ছাত্ৰ-ছাত্ৰীৰ মাজত হাতে-কামে কৰি দেখুৱাই দিয়ে। বান পানীৰ সময়ত পেলনীয়া পানীৰ বটলৰ ব্যৱহাৰেৰে বা লাইভ জেকেট বনাই নিজকে বছাব পাৰি সেয়াও সহজ ভাৱে দেখুৱাই দিয়ে। সভাৰ শেষত বিদ্যালয়ৰ অধ্যক্ষ কন্দৰ্প ৰায়ে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে আগবঢ়োৱা ভাষণত কয় যে যিকোনো জৰুৰীকালীন বিপদৰ সময়ত সকলোৱে ধৈয্য, বুদ্ধি আৰু সাহসেৰে পৰিস্থিতিৰ সৈতে মুখামুখি হ'বলৈ আহ্বান জনোৱাৰ লগতে বঙাইগাঁও জিলা অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন বিভাগৰ বিষয়া আৰু কৰ্মীসকলৰ সলাগ লয়।

## নগাঁও কলেজৰ কাষত গঢ়ি উঠা অবৈধ ই-ৰিক্সা-টেম্পু ষ্টেণ্ড বন্ধ কৰিবলৈ জিলা প্ৰশাসনক দাবী ছাত্ৰ-ছাত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ জুন ঃ** নগাঁও চহৰত দিনক দিনে বৃদ্ধি পাইছে ই-ৰিক্সা আৰু টেম্পুৰ দৌৰাত্ম্য। ই-ৰিক্সা আৰু টেম্পুৰ দৌৰাত্ম্যৰ বাবেই বহু পথচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীৰো দুৰ্ঘটনাত পতিত হ'বলগীয়া হৈছে। টেম্পু আৰু ই-ৰিক্সাৰ দৌৰাত্ম্য চলাই থকাৰ সময়তে নগাঁও চহৰৰ আলিয়ে গলিয়ে এতিয়া গঢ়ি উঠিছে অবৈধ ই-ৰিক্সা আৰু টেম্পুৰ ষ্টেণ্ড। নগাঁও চহৰৰ মাজমজিয়াত থকা নগাঁও মহাবিদ্যালয়ৰ গাতে লাগি আছে আৰ কে বি পথ। এই আৰ কে বি পথতেই এতিয়া একাংশ ই-ৰিক্সা আৰু টেম্পুৰ অবৈধ ষ্টেণ্ড লৈ উঠা পৰিলক্ষিত হৈছে। এই অবৈধ ষ্টেণ্ডটোৰ কাৰণে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হৈ পৰাৰ অভিযোগ কৰিছে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে। ইফালে আজি নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পৰা জিলা প্ৰশাসনক মহাবিদ্যালয়খনৰ গাতে লাগি থকা অবৈধ ই-ৰিক্সা আৰু টেম্পু ষ্টেণ্ডটো বন্ধ কৰিবলৈ উপায়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে সকলো দেখিও চকু মুদা কুলি হৈ আছে নগাঁও জিলা প্ৰশাসন আৰু এক প্ৰকাৰৰ বগা হাতীত পৰিণত হৈছে নগাঁৱৰ যান বাহন আৰক্ষী। অবৈধ ষ্টেণ্ডটো বন্ধ কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু যান বাহন আৰক্ষীয়ে পৰৱৰ্তী সময়ত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# চেৰেলীয়া লক্ষীমন দ'ৱানত লক্ষীমন ধৰ্মগুৰুজনাৰ আবিৰ্ভাৱ তিথি পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৬ জুন ঃ** সমগ্ৰ লক্ষীমন দ'ৱানৰ লগতে ইয়াৰ সমান্তৰালকৈ আজি অৰ্থাৎ ১৬ জুন তাৰিখে কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত বিহালীৰ চেৰেলীয়া লক্ষীমন দ'ৱান প্ৰাঙ্গণতো ভালেসংখ্যক লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে দিনজোৱা কাৰ্যসূচীৰে লক্ষীমন ধৰ্মগুৰু কুৰুচাৰ লখন ইংতি হেনচেক দেৱৰ ৭৬ সংখ্যক জন্ম দিৱসটি উদযাপন কৰা হয়। কাৰ্যসূচী মতে সামুহিক দ'ৱানত দ'ৱান কুৰুপ' অৰ্থাৎ পুৰোহিতে পুৱতি নিশা ৩ বজাত এগছি বন্তিপ্ৰজ্জ্বলন কৰে। ইয়াৰ পাছত পুৱা ৭ বজাত উপস্থিত ৰাইজে একত্ৰিত হৈ ধৰ্মীয় ৰীতি-নীতি অনুসৰি দ'ৱানত এখনি পৰম্পৰা কাৰ্বি হ'ট'ন (এখনি সৰু খৰাহি)ৰ জৰিয়তে হিম, চাংদুক, নকলাং (ঘৰুৱাভাৱে প্ৰস্তুত কৰা কাৰ্বিসকলৰ খাদ্য-সম্ভাৰ) আৰু বিভিন্ন ধৰণৰ ফল-মূল আদিৰে সেৱা জনাই প্ৰত্যেক পৰিয়ালে প্ৰভু লক্ষীমনৰ ওচৰত আশীৰ্বাদ বিচাৰি প্ৰাৰ্থনা জনায়। ইয়াৰ পিছতে সমূহ ভক্তগণে মূল-পাঁচটি কেৰ'-কাৰ্চ্চ' আলুনেৰে অৰ্থাৎ লক্ষীমন ভক্তিমূলক গীতেৰে সামুহিকভাৱে প্ৰাৰ্থনাভাগ জনোৱা হয়। গুৰুজনাৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি দ'ৱান চৌহদত বিভিন্ন ধৰণৰ গছপুলি ৰোপণ, নাচ-গান, কুইজ, কবিতা আবৃত্তি আৰু বিভিন্নধৰণৰ খেল-ধেমালীৰ আয়োজন কৰা হয়। বিয়লি ৩ বজাত দ'ৱান পৰিচালনা সমিতিৰ সভাপতি ধনীৰাম তিমুঙৰ সভাপতিত্বত আৰু সম্পাদক ৰবিন হাঞ্চেয়ে আঁত ধৰা ধৰ্মীয় সভাখনত উপস্থিত থাকি কেথম দ'ৱান লংৰি আমেইৰ সভাপতি ৰিছু ইংতি, প্ৰচাৰ-সম্পাদক ৰামিন তিমুং, প্ৰধান শিক্ষয়িত্ৰী সূচেনা বে'পী, কেথম দ'ৱান লংৰি ছ'-আৰল' চিংৰী আমেইৰ সম্পাদিকা কাৰে হাঞ্চেপী, প্ৰচাৰ-সম্পাদিকা সীমা চিংনাৰপী, চেৰেলীয়া দ'ৱান মহিলা সমিতিৰ সভানেত্ৰী ললিতা চিংনাৰপী, লক্ষীমন সংঘ কেন্দ্ৰীয় মহিলা সমিতিৰ সহ-সম্পাদিকা মনিকা তিমুংপী, প্ৰাক্তন সভাপতি দিপচেন ইংতি আদিয়ে গুৰুজনাৰ মহান জীৱনী-গাথাৰ বিষয়ে সাৰমৰ্ম বক্তব্য আগবঢ়াই আৰু এই সভাৰ জৰিয়তেই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা অঞ্চলটোৰ শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয় লগতে বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰসমূহ বিতৰণ কৰি আজিৰ কাৰ্যসূচীৰ সফল সমাপ্তি ঘটায়।



# উত্তৰ লুইত পাৰত লক্ষীমন ধৰ্মগুৰুজনাৰ আবিৰ্ভাৱ তিথি 'কুৰু-চিংদুক' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৬ জুন ঃ** সমগ্ৰ লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে আজি অৰ্থাৎ ১৬ জুনত কাৰ্বি সমাজৰ লক্ষীমন ধৰ্মগুৰু লখন ইংতি হেনচেক দেৱৰ ৭৬সংখ্যক আবিৰ্ভাৱ তিথি অৰ্থাৎ 'কুৰু-চিংদুক' সমগ্ৰ লক্ষীমন দ'ৱান সমূহত ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা হৈছে। কেথম দ'ৱান লংৰি আমেইৰ প্ৰচাৰ সম্পাদক ৰামিন তিমুঙে জানিবলৈ দিয়ামতে ইয়াৰ সমান্তৰালকৈ উত্তৰ লুইত পাৰত অৱস্থিত লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ অন্তৰ্গত অৰুণাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ ককিলা, বালিজান, লক্ষীমপুৰ জিলাৰ ঢেকিয়াজুলি, সোনজুলি, বিশ্বনাথ জিলাৰ কমাৰজুলি, উত্তৰ কেকুৰীজান, চিৰাজুলি, বিহমাৰী, চেৰেলীয়া, মোনাবাৰী গ্ৰান্ট, তিনিসুতি, কলাপানী, ভৰালীজুলি, নাহৰবাৰী, শামুকজুলি আৰু বালিচাং লক্ষীমন দ'ৱানতো লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি জনগোষ্ঠীৰ লোকসকলে গুৰুজনাৰ জন্ম তিথি উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ লগতে উক্ত তিথিৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ খেল-ধেমালি, কবিতা আবৃতি, চিত্ৰাংকণ আৰু নাচ-গান আদি কাৰ্যসূচী হাতত লয়। উল্লেখযোগ্য যে ১৯৪৬ চনৰ ১৬ জুন তাৰিখে কাৰ্বি আংলং জিলাৰ বোকাজান বিধানসভা সমষ্টিৰ অন্তৰ্গত ২নং ড'লামৰাৰ বগাৰাম টকবি নামৰ অতি পিছপৰা গাঁওখনত পিতৃ প্ৰয়াত পালম ইংতি হেনচেক আৰু মাতৃ প্ৰয়াত কাটু ৰংফাৰপীৰ সু-পুত্ৰ তথা ধৰ্মগুৰু কুৰুচাৰ লখন ইংতি হেনচেক দেৱে এক ঐশ্বৰীক গুণৰ অধিকাৰীপ্ৰাপ্তি হৈ জন্মগ্ৰহণ কৰি আধ্যাত্মিক জ্ঞান আৰু একতাৰ দোলেৰে কাৰ্বি সমাজখনক আগুৱাই নিয়াৰ স্বাৰ্থত লক্ষীমন ধৰ্ম প্ৰতিষ্ঠা কৰিছিল।



**LOST**

I have lost my original certificate and Marks Sheet of HSLC Roll BM19-949 No- 0008/ 2019 and both certificate and Marks Sheet of HS Roll 0560 No 20077, Migration certificate too, bearing SL-no 104341/2021.

Mogbul Hussain Ahmed
Ph. 9365330161
Tupamari,
Kamrup, Assam

## ৰাশিফলত আজিৰ দিনটো

**২ আহাৰ, শুকুৰবাৰ, ১৭ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা তৃতীয়া, নক্ষত্ৰ ঃ উত্তৰাষাড়া, জন্ম ৰাশি ঃ মকৰ**
**সূৰ্যোদয়- ৪-৩৪-৪২ সূৰ্যাস্ত- ৬-১২-২৬**



■ **মেষ** ঃ শৰীৰ দুৰ্বল ■ **বৃষ** ঃ পাৰদৰ্শী ব্যক্তি ■ **মিথুন** ঃ আমোদ-প্ৰমোদ ■ **কৰ্কট** ঃ ধনৰ নাটনি ■ **সিংহ** ঃ সম্পদ বৃদ্ধি ■ **কন্যা** ঃ উকীলৰ সুনাম ■ **তুলা** ঃ সাহিত্য সেৱা ■ **বৃশ্চিক** ঃ উচিত চিন্তা-ভাৱনা ■ **ধনু** ঃ সৃজনীশীল মন ■ **মকৰ** ঃ বিবাহৰ আলোচনা ■ **কুম্ভ** ঃ গৃহাৰম্ভ ■ **মীন** ঃ সন্তানৰ সুখ।

# মৰিগাঁৱৰ স্থানপ্ৰাপ্ত দুই শিক্ষাৰ্থীক মুখ্যমন্ত্ৰীৰ শুভেচ্ছা বাৰ্তা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৬ জুন ঃ** মৰিগাঁও জিলাৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী বিদিশা নাথ, শংকৰদেৱ বিদ্যা নিকেতন চৰাইবাহী আৰু কৌষ্টভ জ্যোতি নাথ, শংকৰদেৱ বিদ্যা নিকেতন মৰিগাঁও আৰু তেওঁলোক পঢ়া বিদ্যালয়ৰ অধ্যক্ষসকলক অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ হৈ তেখেতসকলক আজি শুভেচ্ছা বাৰ্তা প্ৰদান কৰে অতিৰিক্ত উপায়ুক্ত অৰুন্ধুতি নৰহ মিপুনে। শুভেচ্ছা বাৰ্তা প্ৰদান কাৰ্যসূচীত অতিৰিক্ত উপায়ুক্তগৰাকীক সংগ দিয়ে জিলা শিক্ষা বিষয়া বুলী গগৈয়ে।

### দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নগৰবেৰাত আৰক্ষী-মছজিদৰ ইমাম, গাঁওৰক্ষী বাহিনীৰ যৌথ সভা

# শান্তি-সম্প্ৰীতি অটুট ৰখাৰ আহ্বান আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৬ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা আৰক্ষী থানাত কালি সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৃহত্তৰ অঞ্চলটোত শান্তি-শৃংখলা অটুট ৰখাৰ স্বাৰ্থত আৰক্ষী, বিভিন্ন মছজিদৰ ইমাম আৰু গাঁওৰক্ষী বাহিনীৰ এক যৌথ সভা অনুষ্ঠিত হৈ যায়। গাঁওৰক্ষী বাহিনীৰ নগৰবেৰা আৰক্ষী থানা কমিটিৰ সভাপতি তথা প্ৰাক্তন চক্ৰ সংগঠক আবুল কালাম আজাদে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিৰেল আহমেদে। সভাত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ে ভাষণত কয় সম্প্ৰতি দেশৰ বিভিন্ন ৰাজ্যত হিংসা, বিদ্বেষৰ ঘটনা সংঘটিত হোৱাৰ লগতে বিভিন্ন অশুভ বাৰ্তা বিয়পিব ধৰিছে। এনে পৰিস্থিতিত আমাৰ সমাজত যাতে কোনো তৃতীয় শক্তি সোমাই শান্তি শৃংখলা বিঘ্নিত কৰিব নোৱাৰে আৰু কোনো অপশক্তিয়ে গা কৰি উঠিব নোৱাৰে তাৰ বাবে সকলোৱে সতৰ্ক হ'ব লাগিব। ভাষণ প্ৰসংগত আৰক্ষী অধীক্ষকগৰাকীয়ে আৰু কয় সমাজ গঠনত আমাৰ সকলোৱে দৃষ্টি ভংগী গঠনমূলক হ'ব লাগে। এনে দৃষ্টিভংগীৰে অসমীয়া জাতি গঠনত আমি আগৰ দৰে আগবাঢ়ি যাব লাগিব। ঐতিহাসিক নগৰবেৰা অঞ্চলত বিগত দিনত কোনো অপশক্তিয়ে গা কৰি উঠা নাই আৰু ভৱিষ্যতেও নুঠে বুলি আশা প্ৰকাশ কৰি সভাত উপস্থিত সকলোকে বৃহত্তৰ অঞ্চলটোত শান্তি সম্প্ৰীতি আৰু ঐক্য অটুট ৰখাৰ আহ্বান জনায়। সভাত ছয়গাঁৱৰ আৰক্ষী চক্ৰ বিষয়া সুভান চন্দ্ৰ দাস, নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰ, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিৰেল আহমেদ, সমাজকৰ্মী আব্দুল বাৰিক, আব্দুল আজিজ, সাংবাদিক হাছানুল আহমেদ ভাষণত সম্প্ৰীতিৰ মিলন ভূমি বুলি পৰিচিত বৃহত্তৰ নগৰবেৰা অঞ্চলত যাতে কোনো ধৰণৰ অশান্তিৰ পৰিবেশ নহয় তাৰ বাবে সকলোকে সজাগ আৰু সচেতন হ'বলৈ আৰু শান্তিৰ পৰিবেশ বৰ্তাই ৰখাৰ আহ্বান জনায়।

# চাবুৱাৰ টকোবামত বিষ্ণুৰাভা দিৱসৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৬ জুন ঃ** চাবুৱাৰ নিকটৱৰ্তী সেউজীপাম গাঁৱৰ উদ্যোগত আৰু টকোবাম অৰুণোদয় যুৱ সংঘৰ সহযোগত অনুষ্ঠিত হৈ অহা বিষ্ণুৰাভা দিৱসখনি এইবাৰো আয়োজনৰ প্ৰস্তুতি চলিছে। ১৯৯৬ চনৰ পৰা একেৰাহে অনুষ্ঠিত কৰি অহা বিষ্ণুৰাভা দিৱসখনিয়ে এইবাৰ ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে। ক'ৰনা মহামাৰীৰ দুৰ্যোগৰ বাবে স্থগিত ৰখা ৰূপালী জয়ন্তী বৰ্ষ এইবাৰ ধুমধামেৰে আয়োজন কৰিছে গাঁওবাসীয়ে। সেই উদ্দেশ্যৰে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত সৰ্বসন্মতিক্ৰমে অনিল বৰুৱাক সভাপতি, হিমাংশু গোহাঁইক মুখ্য সম্পাদক, সুৰেশ দাসক মুখ্য সাংস্কৃতিক সম্পাদক, জয়ন্তজিৎ বৰুৱা আৰু ধ্ৰুৱ গোহাঁইক স্মৃতিগ্ৰন্থ সম্পাদক, হৰিপ্ৰসাদ গোহাঁইক মুখ্য প্ৰতিযোগিতা সম্পাদক, উৎপল শইকীয়াক বিত্ত সম্পাদক হিচাপে লৈ এখনি পূৰ্ণাংগ আৰু শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰিছে। ২০, ২১ আৰু ২২ জুনত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হ'বলগীয়া দিৱসখনিৰ প্ৰথম দিনা পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। প্ৰথম দিনাৰ অন্যান্য কাৰ্যসূচীৰ ভিতৰত বৃক্ষ ৰোপণ, বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু 'বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন আৰু বৰ্তমান সমাজত ইয়াৰ গ্ৰহণযোগ্যতা' শীৰ্ষক কথাৰে গীতেৰে এক আলোচনা চক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা বিভিন্ন প্ৰতিযোগিতাসমূহৰ লগতে অসমৰ উদীয়মান শিল্পীসকলক লৈ অনুষ্ঠিত হৈ অহা এক অভিনৱ সংগীত প্ৰতিযোগিতা 'সুৰৰ দেউল' অনুষ্ঠিত হ'ব। নিশালৈ জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ানৰ গীতৰ। অন্তিম দিনা স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। বঁটা বিতৰণী তথা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিষ্ণুপ্ৰসাদ ৰাভাৰ সুযোগ্য সন্তান তথা তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াকে ধৰি অসমৰ বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দ, সাহিত্যিক, শিক্ষাবিদৰ লগতে গণ্য-মাণ্য ব্যক্তিসকল। নিশাৰ ভাগলৈ অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক বিচিত্ৰানুষ্ঠানত অংশগ্ৰহণ কৰিব বিশিষ্ট কৌতুক অভিনেতা অতুল পাচনী আৰু গীত পৰিৱেশন কৰিব গণশিল্পী মহেন্দ্ৰ হাজৰিকাই। বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ উক্ত ৰূপালী জয়ন্তী বৰ্ষৰ সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু দিহা-পৰামৰ্শ উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

### ড্ৰাগ্‌ছৰ বিৰুদ্ধে বঙাইগাঁও আৰক্ষীৰ অভিযান

# হেৰ'ইনসহ দুজনক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৬ জুন ঃ** বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত ৰাখালডুবিত মঙলবাৰৰ নিশা বঙাইগাঁও আৰক্ষীয়ে অভিযান চলাই দুজন ড্ৰাগছ ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱকদ্বয় ক্ৰমে বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত ডাউকীঝাৰৰ মকছেদ আলী আৰু ৰবিয়াল হুছেইন বুলি আৰক্ষী সূত্ৰে প্ৰকাশ কৰিছে। বঙাইগাঁও আৰক্ষীয়ে সদৰি কৰা মতে সন্ধিয়াৰ ভাগত এক গোপন সূত্ৰে লাভ কৰা খবৰৰ ভিত্তিত ড্ৰাগ্‌ছ ব্যৱসায়ীক কৰায়ত্ত কৰাৰ বাবে ৰাখালডুবি তিনি আলিত আৰক্ষীৰ এটা দলে খাপ পিটি থাকে। পিচত জিলাখনৰ অভয়াপুৰীৰ দিশৰ পৰা এ এছ ১৯ কিউ ৪০১৭ নম্বৰৰ এখন মটৰ চাইকেলত অহা দুজন যুৱকৰ ওপৰত আৰক্ষীৰ সন্দেহ ওপজাত ৰখাই তালাচী চলোৱাত চাবোনৰ বাকচৰ ভিতৰত কঢ়িয়াই অনা অৱস্থাত হেৰ'ইন উদ্ধাৰ কৰে। পিচত আৰক্ষীয়ে যুৱক দুজনক আটক কৰি থানালৈ আনে। উদ্ধাৰ কৰা হেৰ'ইনখিনিৰ পৰিমাণ ১৫.৩০ গ্ৰাম হ'ব। আৰক্ষীয় ধৃত ড্ৰাগছ ব্যৱসায়ীদ্বয়ে ব্যৱহাৰ কৰা মটৰ চাইকেলখনৰ লগতে দুটা মোবাইল ফোন, ড্ৰাইভিং লাইচেঞ্চ, এটিএম কাৰ্ড পান কাৰ্ড আদিও জব্দ কৰে।

## দৰং জিলাৰ সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৬ জুন ঃ** ভাৰতৰ বতৰ বিজ্ঞান বিভাগৰ তৰফৰ পৰা পোৱা তথ্য অনুযায়ী নেৰানেপেৰা বৃষ্টিপাত হোৱাৰ পূৰ্বানুমানৰ প্ৰতি লক্ষ্য ৰাখি দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই এক নিৰ্দেশ যোগে জিলাখনৰ সকলো চৰকাৰী, বেচৰকাৰী শিক্ষানুষ্ঠান তিনি দিনৰ বাবে অৰ্থাৎ ১৬ জুনৰ পৰা ১৮ জুনলৈ বন্ধ ৰাখিবলৈ পৰামৰ্শ দিছে। এই নিৰ্দেশ তৎকালীনভাৱে বলৱৎ কৰা হৈছে।

## ধুবুৰী মিছন ৰোডত ভয়ংকৰ পথ দুৰ্ঘটনাত আহত ২



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৬ জুন ঃ** ধুবুৰী মিছন ৰোডত তীব্ৰ বেগী বলেৰো বাহনে চলন্ত অটো ৰিক্সাত খুন্দিয়াই পলায়ন কৰে বলেৰো বাহনখন। দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাৱে আহত হয়। আহত লোক দুজনক লগে লগে ধুবুৰী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে বুলি জানিবপৰা গৈছে। ঘটনাস্থলীত ধুবুৰী আৰক্ষী উপস্থিত হৈছে যদিও বৰ্তমানে পলায়ন কৰা বলেৰো বাহনখনৰ বাবে তদন্ত অব্যাহত ৰাখিছে বুলি জানিবপৰা গৈছে। উল্লেখ যে স্থানীয় লোকৰ ভাষ্যমতে বলেৰো বাহনখনৰ চালকে নিচাযুক্ত দ্ৰব্য সেৱন কৰি গাড়ী চলাইছিল। দুৰ্ঘটনাৰ সময়ত কাষত থকা এখন ঠেলাৱালাক খুন্দিয়াই পলায়ন কৰে যদিও কোনোমতে ৰক্ষা পৰে।

## কামপুৰত হাতীৰ আক্ৰমণত নিহত ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৬ জুন ঃ** নগাঁৱৰ কামপুৰ ৰজাগাঁৱত বন্যহস্তীৰ আক্ৰমণত এজন লোক নিহত হৈছে। নিহত লোকজন হ'ল ৰঞ্জিত বৰদলৈ। জানিব পৰা মতে আজি পুৱতি নিশা ৰজাগাঁও দক্ষিণ জড় বাগানত হাতী খেদিবলৈ গৈ মৃত্যুক আঁকোৱালি লয় লোকজনে।

### চাপৰৰ পৌৰসভাৰ বিভিন্ন ৱাৰ্ডত কৃত্ৰিম বানপানী

# কৃত্ৰিম বানপানীয়ে জ্বলা-কলা খুৱাইছে পৌৰবাসীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ১৬ জুন ঃ** ৰাজ্যত নেৰা নেপেৰা বৰষুণ ফলত ৰাজ্যখনৰ ৰাজধানীকে ধৰি বিভিন্ন পৌৰ সভা অঞ্চলত এতিয়া কৃত্ৰিম বানপানীৰ কবলত। সম্মান্তৰালকৈ ধুবুৰী জিলাৰ চাপৰ পৌৰ সভাৰ বিভিন্ন ৱাৰ্ডত দেখিবলৈ পোৱা গৈছে এই কৃত্ৰিম বানপানী। এই দৃশ্য চাপৰ পৌৰসভাৰ ৭ ৱাৰ্ড তথা ৰৌমাৰী গাঁৱৰ। নেৰা নেপেৰা বৰষুণৰ ফলত ৭ নং ৱাৰ্ড জলমগ্ন হৈ পৰিছে বিস্তৃৰ্ণ অঞ্চল। ঘৰে ঘৰে পানী সুমুৱাইছে। বিশুদ্ধ খোৱা পানী বিচাৰি হাহাকাৰ কৰিব লগা হৈছে স্থানীয় ৰাইজ। বিভিন্ন সময়ত বিভিন্ন চৰকাৰক নলা-নৰ্দমা নিৰ্মান কৰিবলৈ দাবী জনাইছিল যদিও আজিলৈ সমাধান নহ'ল ৱাৰ্ডখনৰ মূল সমস্যা। কৃত্ৰিম বানপানীৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰ লৈ অনুৰোধ স্থানীয় ৰাইজৰ। নলা-নৰ্দমা অথবা কালৰ্ভাট তৈয়াৰ কৰি কৃত্ৰিম বানপানীৰ পৰা ৰক্ষা কৰক ৱাৰ্ডখনক। ইপিনে ৱাৰ্ডখনৰ পানী ওলাই যোৱা একমাত্ৰ কালভাৰ্টটো বন্ধ হৈ থকাৰ ফলত এই সমস্যা দুগুণ বৃদ্ধি পাইছে। উক্ত কালভাৰ্ট পুনৰ খুলি দিবলৈ চাপৰ ৰাজহ চক্ৰ বিষয়া আৰু চাপৰ পৌৰ সভাৰ পৌৰপতিক দাবী জনায় স্থানীয় ৰাইজে। পৰিস্থিতিৰ বুজ ল'বলৈ ৱাৰ্ডখনত উপস্থিত হয় চাপৰ ৰাজহ চক্ৰ বিষয়া কবিতা ডেকা আৰু পৌৰপতি বিউটি ৰায়। এতিয়া সময়ত হে লক্ষ্যনীয় হ'ব পৌৰপতি আৰু ৰাজহ চক্ৰ বিষয়া গৰাকীয়ে কি পদক্ষেপ হাতত লয়।



# শান্তিৰ বাণী বিলোৱাৰ উদ্দেশ্যেৰে থাইলেণ্ডৰ পৰা উদয়পুৰৰ ফানেং ফাকিয়াল গাঁৱত উপস্থিত বৌদ্ধ ভিক্ষুৰ দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, লেখাপানী, ১৬ জুন ঃ** অসম আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন থেৰাৱাদি বৌদ্ধ ধৰ্মাৱলম্বী গাওঁ সমূহ পৰিভ্ৰমণ কৰি শান্তিৰ বাণী বিলোৱাৰ উদ্দেশ্যেৰে যোৱা ২৬ মে' তাৰিখে সুদূৰ থাইলেণ্ডৰ পৰা তিনি গৰাকী মহিলাৰ সৈতে এগৰাকী পুৰুষ আৰু এঘাৰ গৰাকী বৌদ্ধ ভিক্ষুয়ে যাত্ৰা আৰম্ভ কৰে। বৌদ্ধ ভিক্ষুৰ দলটো প্ৰথমে আহি অসমৰ কাৰ্বি আংলং জিলাৰ বিভিন্ন থেৰাৱাদি বৌদ্ধ ধৰ্মাৱলম্বী গাওঁ সমূহ পৰিভ্ৰমণ কৰে। পৰৱৰ্তী সময়ত অৰুণাচল প্ৰদেশৰ বিভিন্ন থেৰাৱাদি বৌদ্ধ ধৰ্মাৱলম্বী গাওঁসমূহত শান্তিৰ বাৰ্তা বিলাই যোৱা কালি বিয়লিৰ ভাগত অৰুণাচল প্ৰদেশৰ খাৰচাঙৰ পৰা তিনিচুকীয়া জিলাৰ উদয়পুৰ ফানেং ফাকিয়াল গাঁৱত আহি উপস্থিত হয় বৌদ্ধ ভিক্ষুৰ দলটো। বৌদ্ধ ভিক্ষুৰ দলটো আহি পোৱাৰ লগে লগেই ফানেং ফাকিয়াল গাঁৱৰ বৌদ্ধ ধৰ্মাৱলম্বী লোক সকলে অভিবাদন জনাই গাওঁখনত থকা বৌদ্ধ বিহাৰলৈ আদৰি আনে। বৌদ্ধ বিহাৰত আসন গ্ৰহণ কৰি বৌদ্ধ ভিক্ষুৰ দলটোৱে গাঁওবাসীক আশীষ দি শান্তি বাৰ্তা প্ৰদান কৰে। বৌদ্ধ ভিক্ষুৰ দলটো ফানেং ফাকিয়াল গাঁৱৰ বৌদ্ধ বিহাৰত নিশা যাপন কৰি আজি পুৱাৰে পৰা নিংগাম, পাংচোন, কুমচাই আদি থেৰাৱাদি বৌদ্ধ ধৰ্মাৱলম্বী গাওঁসমূহ পৰিভ্ৰমণ কৰি পৰ্যায় ক্ৰমে ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাটৰ বিভিন্ন গাওঁসমূহ পৰিভ্ৰমণ কৰি অহা ইংৰাজী ২১ জুন তাৰিখে পুনৰ থাইলেণ্ড অভিমুখে ৰাওনা হ'ব।

## লেহেমীয়া গতিত ফ'ৰলেণ্ড নিৰ্মাণৰ কামৰ ফল ভুগিছে কমাৰগাঁওবাসীয়ে

# এইছ চিচিৰ বিৰুদ্ধে আইনী ব্যৱস্থাৰ লোৱাৰ হুংকাৰ আটাছুৰ

## ■ নিম্নমানৰ সামগ্ৰীৰে পকী নলা নিৰ্মাণ ■ খহি পৰিল পকী নলাৰ চাদ ■ মৰণ ফান্দত পৰিণত পদপথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৬ জুন ঃ** গোলাঘাট জিলাৰ মাজেৰে নিৰ্মাণ হৈ থকা চাৰিলেনযুক্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থা এইছ চিচিৰ বিৰুদ্ধে এইবাৰ জাঙুৰ খাই উঠিছে বোকাখাত মহকুমা তাই আহোম ছাত্ৰ সন্থা। কিয়নো চাৰিলেণ্ডযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সংস্থা এইছ চি চিয়ে কমাৰগাঁও অঞ্চলত লেহেমীয়া গতিৰে বিসংগতিপূৰ্ণ পথ নিৰ্মাণ আৰু পথৰ কাষৰ পকী নলা নিৰ্মাণত বিসংগতি হোৱাৰ অভিযোগ আটাছুৰ। কমাৰগাঁৱত নৱ নিৰ্মিত উৰণীয়া সেঁতুৰ কাষৰ পকী নলাসমূহ নিম্নমানদণ্ডৰ সামগ্ৰীৰে নিৰ্মাণ কৰাৰ ফলত কেইবাখনো পকী নলাৰ চাদ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতেই ভাঙি যোৱাত অঞ্চলটোত পদ পথেৰে যাতায়ত কৰা লোকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। আনহাতে নিশা পদপথেৰে অহা-যোৱা কৰা সময়ত বহু লোক উক্ত পকী নলাৰ খাৱৈত পৰি আঘাতপ্ৰাপ্ত হোৱাৰ অভিযোগ ছাত্ৰ সংগঠনটোৰ। ইফালে কমাৰগাঁৱৰ সদা ব্যস্ত অঞ্চলটোত ৰাষ্ট্ৰীয় ঘাইপথটো লেহেমীয়া গতিত নিৰ্মাণ আৰু কমাৰগাঁও নৱ নিৰ্মিত উৰণীয়া হেতুৰ কাষৰ পথচোৰাত কৃত্ৰিম বান সৃষ্টি হোৱাৰ লগতে শাওণৰ বোকাময় পথাৰলৈ পৰ্যৱেশিত হোৱাত কমাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়, কমাৰগাঁও মহাবিদ্যালয়, কমাৰগাঁও ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, কমাৰগাঁও শংকৰদেৱ শিশু নিকেতন, আদিলৈ ছাত্ৰ-ছাত্ৰীসকল অহা-যোৱা কৰাত সমস্যাৰ সন্মুখীন হোৱাৰ উপৰিও কমাৰগাঁৱৰ অসম পৰিবহণ নিগম কাৰ্যালয়, কমাৰগাঁও ডাকঘৰ, কমাৰগাঁও বৰদিহিঙিয়াস্থিত পশু চিকিৎসালয়, কমাৰগাঁও বিদ্যুত উপ-সংমণ্ডল কাৰ্যালয়লৈ অহা-যোৱাত কৰ্মৰত লোকসকলৰ লগতে কাৰ্যালয়সমূহলৈ অহা-যোৱা লোকসকলৰ যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ যে কমাৰগাঁওবাসীয়ে দীৰ্ঘদিন ধৰি ৰাষ্ট্ৰীয় ঘাইপথটো লেহেমীয়া গতিত নিৰ্মাণ হৈ থকাৰ ফলত ভুগি অহা নানা সমস্যা, নিম্নমানৰ সামগ্ৰী পকী নলা নিৰ্মাণ ফলত পকী নলাৰ চাদ ভাঙি যোৱা আৰু বোকাখাত মহকুমাৰ অন্তৰ্গত কেইবাটাও স্থানত বিসংগতিপূৰ্ণ পথ নিৰ্মাণৰ বিষয়সমূহ লৈ শীঘ্ৰেই ফ'ৰলেণ্ড নিৰ্মাণকাৰী সংস্থা এইছ চিচিৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি কালি সংবাদ মাধ্যমযোগে সদৰী কৰিছে বোকাখাত মহকুমা তাই আহোম ছাত্ৰ সন্থাৰ সম্পাদক জিতু বৰুৱাই।

# একাদশ শ্ৰেণীৰ ছাত্ৰী পৰিণীতা হাজৰিকাৰ জন্মদিনত দিগদৰ্শন প্ৰকাশনৰ ইতিবাচক পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট,১৬ জুন ঃ** বিশেষভাবে সক্ষম পৰিণীতা হাজৰিকা নামৰ এগৰাকী একাদশ শ্ৰেণীৰ ছাত্ৰীৰ স্ব-ৰচিত কবিতাসমূহ থূপ খোৱাই ১৬জুনত ছাত্ৰীগৰাকীৰ জন্মদিনত যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশনে গ্ৰন্হ আকাৰে ছপা ৰূপ দি প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিয়া ইতিবাচক আৰু প্ৰশংসনীয় পদক্ষেপক শলাগ লৈছে কমাৰগাঁওৰ বুধবাৰীৰ ৰাইজে। যোৰহাটৰ দিগদৰ্শন প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত শিশু আৰু কিশোৰৰ অসমীয়া মাহত প্ৰকাশিত পযেকীয়া আলোচনী "জ্ঞানজ্যোতি"ৰ প্ৰতিনিধি পৰিণীতা হাজৰিকাৰ গোলাঘাট জিলাৰ কমাৰগাঁৱৰ বুধবাৰীস্থিত বাসগৃহত কবিতা পুথি 'নিৰিবিলি সুবাস' উন্মোচন কৰে বিশিষ্ট কবি অমল দাৱে। দিনৰ ১১বজাৰ পৰা জন্মদিনৰ লগত সংগতি ৰাখি আয়োজিত এই অনুষ্ঠান বন্তি প্ৰজ্বলন আৰু ধৰিত্ৰী হাজৰিকা বৰা, দীপা বৰা শইকীয়া, ৰুবী দত্ত ভূঞা, ৰূপা বৰাৰ বৰগীত পৰিৱেশনৰে শুভাৰম্ভ হয়। গ্ৰন্থখনৰ প্ৰকাশক তথা দিগদৰ্শন প্ৰকাশনৰ স্বতাধিকাৰ পংকজ কুমাৰ দাসে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মহুৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণ বৰুৱা, সাংবাদিক পৱন কামান, অৱসৰপ্ৰাপ্ত শিক্ষক মহেন শইকীয়া, দুলাল বৰা, স্থানীয় নাট্য সংঘৰ সম্পাদক ৰণ্টু শইকীয়াই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য ৰাখে। উদীয়মান শিল্পী স্নিগ্ধা শইকীয়াৰ অভিনয়, তৃষ্ণা শইকীয়াৰ নৃত্য পৰিৱেশনে উপস্থিত সকলোকে মুগ্ধ কৰা সভাখনত কবিতা পাঠ কৰে উৎপল বৰাই। কবিতা ভূঞা কলিতা আৰু ধৰিত্ৰী হাজৰিকা বৰাই বক্তব্য ৰখা সভাখনত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী ক্ৰমে প্ৰাপ্তিকা হাজৰিকা, প্ৰিয়াক্ষী গোঁহাই, দৃষ্টি হাজৰিকা, মৃণ্ময় বৰা, পূবালী শইকীয়া আৰু পৰিণীতা হাজৰিকাক গ্ৰন্থৰ টোপোলা আৰু অভিনন্দন পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে পৰিণীতা হাজৰিকাৰ ২০২১ চনত 'এমুঠি হৃদয়ৰ অনুভৱ' আৰু ২০২১চনত "হৃদয়ৰ এমুঠি কবিতা" জন্মদিনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিছিল দিগদৰ্শন প্ৰকাশনে। শতাধিক ৰাইজে অংশগ্ৰহণ কৰা অনুষ্ঠানৰ সামৰণি জাতীয় সংগীত পৰিৱেশনৰে কৰা হয়।



# একলাখ কৃষকৰে সম্পৰ্ক সম্পন্ন ভাজপা কৃষক মৰ্চাৰ

## ২৫ জুনলৈকে চলিব 'কৃষক সম্পৰ্ক অভিযান'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৬ জুন ঃ** প্ৰধানমন্ত্ৰী মোডীৰ ৮বছৰীয়া বৰ্ষপুৰ্তি উপলক্ষে ভাজপা কৃষক মৰ্চাৰ অসম প্ৰদেশ সমিতিয়ে গ্ৰহণ কৰা 'কৃষক সম্পৰ্ক অভিযান'ৰ অধীনত যোৱা এটা পযেকত প্ৰায় এক লাখ কৃষকৰে সম্পৰ্ক কৰে কৃষক মৰ্চাৰ কাৰ্যকৰ্তা সকলে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীৰ প্ৰধানমন্ত্ৰীত্বৰ ৮ বছৰ পূৰ্তি উপলক্ষে ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় নেতৃত্বই '৮বছৰ ঃ সেৱা, সু-শাসন আৰু গৰীকল্যাণ' শীৰ্ষক এলানি ১৫ দিনীয়া কাৰ্যসূচী ঘোষণা কৰিছিল। সেই অনুসৰি, ভাৰতীয় জনতা পাৰ্টি, কৃষক মৰ্চাৰ অসম প্ৰদেশ সমিতিৰ সভাপতি দেৱজিত বৰাৰ নেতৃত্বত তথা সম্পৰ্ক অভিযানৰ প্ৰমুখ ৰঞ্জিত ভট্টাচাৰ্যৰ তত্ত্বাবধানত ৰাজ্যখনৰ প্ৰতিখন জিলা আৰু মণ্ডল পৰ্য্যায়ত ১ জুনৰ পৰা ১৫ জুনলৈকে 'প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি যোজনা'ৰ অধীনত ধন লাভ কৰা কৃষকৰ ঘৰে ঘৰে গৈ 'কৃষক সম্পৰ্ক অভিযান'ৰ যোগেদি যোগসূত্ৰ স্থাপন কৰাৰ লগতে তেওঁলোকক KCC লাভ কৰাৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়াৰ পৰিকল্পনা গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে, সমগ্ৰ অসমতে মাহটোৰ আৰম্ভণিৰ পৰা মাজলৈ কৃষক মৰ্চাৰ কাৰ্যকৰ্তাই প্ৰখৰ ৰদ বা প্ৰবল বতাহ বৰষুণৰ মাজতো ঘৰে ঘৰে গৈ ৰাইজৰ কাষ চাপি প্ৰচাৰ পত্ৰিকা বিতৰণৰ লগতে বান পানীৰে ক্ষয় ক্ষতি কৰিব পৰা বা বৰ্তমান কিছু অঞ্চলত পানীৰ মাজত বুৰ গৈ থকা কৃষিৰ কৃষক মৰ্চাই পৰিদৰ্শন কৰে। কৃষক সভা, চোতাল বৈঠকৰ যোগেদি কৃষক মৰ্চাই ঘৰে ঘৰে গৈ কৃষাণ ক্ৰেডিট কাৰ্ড (KCC) ঋন আৰু কৃষকসকলৰ বাবে প্ৰস্তুত কৰা অন্যান্য চৰকাৰী আঁচনিৰ ওপৰতো সজাগতাৰ সৃষ্টি কৰা হয়। ৰাজ্য খনৰ পি এম কৃষাণ হিতাধিকাৰীৰ লগতে চৰকাৰী সমৰ্থন মূল্য (এম এছ পি)ত ধান বিক্ৰী কৰা কৃষক সকলক এই অভিযানত সামৰি লোৱা হয়। ৰাজ্য চৰকাৰে পি এম কিষাণ আঁচনিৰ হিতাধিকাৰী কৃষকৰ বাবে শেহতীয়াকৈ কিষাণ ক্ৰেডিট কাৰ্ড(KCC) প্ৰদান কৰি আহিছে যদিও বহু কৃষক জ্ঞাত হোৱা নাছিল। বিগত ৮বছৰত কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ মাত্ৰ চলিত এটা বছৰত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে কৃষক সকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, দুইলাখ কৃষকৰে সম্পৰ্ক কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল যদিও প্ৰতিকূল বতৰৰ বাবে সয়মতে নিৰ্দ্ধাৰিত লক্ষ্যপ্ৰাপ্তি নোহোৱাৰ পৰিপ্ৰেক্ষিতত 'কৃষক সম্পৰ্ক অভিযান'ৰ সময়সীমা অহা ২৫ জুনলৈকে বৃদ্ধি কৰা হৈছে।

# নগাঁৱত আৰক্ষীৰ জালত ড্ৰাগছসহ সৰবৰাহকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ জুন ঃ** নগাঁও আৰক্ষীয়ে নিচাযুক্ত ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযান অব্যাহত ৰাখিছে । কালি নগাঁৱৰ বিভিন্ন স্থানত আৰক্ষীয়ে অভিযান চলাই ছয় ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰাৰ পাচত আজি পুনৰ হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে গোপন সূত্ৰৰ পম খেদি অভিযান চলাই নগাঁও চহৰৰ নিকটৱৰ্তী টকৌবাৰীত এটা ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰীটো হৈছে শিমলুগুৰিৰ আব্দুল আলী(৩৪)। আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰীটোৰ জিম্মাৰ পৰা ৫৪ টা কন্টেনাৰ সহ ৮.২ গ্ৰাম হেৰ'ইন জব্দ কৰে । এখন ই-ৰিক্সাত উঠি অহা আব্দুলক আৰক্ষীয়ে ড্ৰাগছ সহ কৰায়ত্ত কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

**নাম সলনি**

মোৰ প্ৰকৃত নাম মঃ ছামচুদ্দিন আহমেদ। কিন্তু শৈক্ষিক দিশৰ প্ৰমানপত্ৰত ছামচুদ্দিন আহমেদ নামেৰে সন্নিবিষ্ট আছে। ১৫/৬/২০২২ তাৰিখত আমিনগাঁও লোক আদালতত শপতনামা যোগে ছামচুদ্দিন আহমেদৰ পৰিৱৰ্তে মঃ ছামচুদ্দিন আহমেদ কৰিলো। আজিৰ পৰা মই মঃ ছামচুদ্দিন আহমেদ নামেৰে পৰিচিত হ'ম।

মঃ ছামচুদ্দিন আহমেদ
পিতা ঃ বাৰু সেখ
গাঁও ঃ বঙালপাৰা
ডাকঘৰ ঃ তাপাবড়ী
থানা ঃ হাজো
জিলা ঃ কামৰূপ (অসম)

**LOST**

I had lost the policy bond of Life Insurance Corporation of India Policy number: 484791653, Policy holder's name: ALOM BAHARUL ISLAM, Father's name: Late Samsul Amin.

Address:
Vill.: Hatimuria
P.o.- Moirabari
P.s.- Moirabari
Dist: Morigaon
State: Assam,
Pin: 782126

No. AASC(EQ)17/2014/Pt-I/12

**CORRIGENDUM NOTICE**

This is for information to all bidders that with reference to the Terms and Conditions of this Directorate's tender No. AASC (EQ) 17/2014/Pt-I/1 dated 06-06-2022, the point No. 3 should be read as follows.

"The Annual Turnover duly certified by a Chartered Accountant for the last 03 (three) years is to be submitted."

All other terms and conditions remain the same.

Sd/-
Director of Training
Assam Administrative Staff College

Janasanyog/C/4804/22

বৈঁক ऑफ़ बड़ौदा Bank of Baroda

**যোৰহাট শাখা**
গড়-আলি (হৈলি চিনেমাৰ বিপৰীতে)
যোৰহাট- ৭৮৫০০১ (অসম)
ই-মেইল ঃ jorhat@bankofbaroda.co.in
ফোন ঃ ০৩৭৬-২৩২২৪১৩

**দখলৰ জাননী** ৰুল-৮(১)
**(কেৱল স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু, তলত স্বাক্ষৰদানকাৰী বেংক অব বৰোদাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (দ্বিতীয়) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ অধীনত এখন দাবী জাননী জাৰি কৰা হৈছিল **০৬.০৯.২০১৯** তাৰিখে ঋণ লওতা **শ্ৰী গৌতম দত্তলৈ,** যাতে জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ১,৮৪,৯০০.০০ টকা (এক লাখ চৌৰাশি হাজাৰ নশ টকা কেৱল)** তাৰিখ **০৫.০৯.২০১৯**লৈকে আৰু আদায়ৰ তাৰিখলৈ চুক্তি হাৰত তাৰ ওপৰত অতিৰিক্ত সূত লগতে মূল্য, মাচুল আৰু ব্যয়সমূহ এই জাননী প্ৰাপ্তিৰ **৬০** দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।

ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা(৪)ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি ছিকিউৰিটী ইণ্টাৰেষ্ট এনফ'ৰ্চমেণ্ট ৰুলছ-২০০২ ৰ ভিত্তিত, **১৫ জুন, ২০২২ তাৰিখে।**

ঋণ লওতা/গেৰাণ্টাৰ/মডগেজৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা বেংক অব বৰোদাক আদায় দিবলৈ বাধ্য হ'ব **১,৮৪,৯০০.০০ টকা (এক লাখ চৌৰাশি হাজাৰ নশ টকা কেৱল)** তাৰিখ **০৫.০৯.২০১৯** লৈকে আৰু আদায়ৰ তাৰিখলৈ চুক্তি হাৰত তাৰ ওপৰত অতিৰিক্ত সূত লগতে মূল্য, মাচুল আৰু ব্যয়সমূহ।

উক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**

ন্যায্য বন্ধকীত থকা ভূমি আৰু সম্পদসহ নামত আছে শ্ৰীমতী ৰীতা দত্ত, স্বামী ঃ স্বৰ্গীয় চোন চন্দ্ৰ দত্ত আৰু শ্ৰী গৌতম দত্ত, পিতা ঃ স্বৰ্গীয় চোন চন্দ্ৰ দত্ত, অৱস্থান হ'ল ঃ তৰাজান, যোৰহাট। ভূমিৰ পৰিমাপ ঃ ০ বি-২কে-১০ এল। আৱৰি আছে পট্টা নং- ২১৫/৪৯৬ ৰ দাগ নং- ৪১৭/৯৯৯ আৰু ৫১৪/৪৬৫। মৌজা ঃ যোৰহাট টাউন, যোৰহাট, অসম।

**চাৰিসীমা ঃ** উত্তৰে ঃ পথ, দক্ষিণে ঃ নলিনী চৌধুৰীৰ ভূমি, পূবে ঃ ৰাজেন বৰাৰ ভূমি, পশ্চিমে ঃ অঞ্জলি দত্তৰ ভূমি।

**তাৰিখ ঃ ১৫.০৬.২০২২** **কৰ্তৃত্বশীল বিষয়া**
**স্থান ঃ যোৰহাট, অসম** **(বেংক অব বৰোদা, যোৰহাট শাখা)**

## বোকাখাত গড়কাপ্তানি বিভাগৰ ঠিকাদাৰৰ কামৰ নমুনা

# নিৰ্মাণকালতে ফাটিল পকীদলঙৰ গাৰ্ডৱাল

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক,কাজিৰঙা, ১৬ জুন ঃ** ত্ৰুটিপূৰ্ণ নিৰ্মাণৰ বাবেই বোকাখাত গড়কাপ্তানি বিভাগৰ অধীনস্থ এটা পথত নিৰ্মিত এখন পকী দলঙৰ গাৰ্ডৱালত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নহওতেই বৃহৎ ফাঁটৰ সৃষ্টি হোৱাৰ ঘটনাই গাঁওবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰাৰ গৃহসমষ্টিৰ বোকাখাতৰ অন্তৰ্গত এই পথ হৈছে আনন্দপুৰ আৰু কৈলাখাট গাঁও সংযোগী পথছোৱা। উল্লেখ্য যে, বিগত বৰ্ষৰ ছেপ্টেম্বৰ-অক্টোবৰ মাহতে নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল প্ৰায় ৪০০ মিটাৰ পথছোৱা আৰু পথছোৱাত থকা এখন পকী দলং। অতি শামুকীয়া গতিৰে কাম চলোৱাৰ পিছতো ত্ৰুটিপূৰ্ণ নিৰ্মাণৰ বাবেই নিৰ্মাণ কালতে পকী দলংখনৰ কাষত থকা গাৰ্ডৱালত বৃহৎ ফাঁটৰ সৃষ্টি হৈছে।জানিব পৰা অনুসৰি, বোকাখাত গড়কাপ্তানি বিভাগৰ পুতুল পাৰিখ নামৰ এজন ঠিকাদাৰে ঠিকা লৈছিল প্ৰায় ১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিব লগা আনন্দপুৰ কৈলাখাট সংযোগী পথছোৱা। উক্ত পথছোৱাত প্ৰায় পোন্ধৰ-বিশফুট দৈৰ্ঘ্যৰ দলং এখন নিৰ্মাণৰ বাবে চলিত বৰ্ষৰ অক্টোবৰ মাহতে পথছোৱাৰ দুয়োপাৰৰ সংযোগ বিচ্ছিন্ন কৰি পেলোৱা হয়।প্ৰায় পাঁচটা মাহ উকলি যোৱাৰ পিছতো পথছোৱা যাতায়াতৰ বাবে সংযোগ কৰি দিয়া নাছিল। অৱশেষত ৰাইজৰ দাবীত পথছোৱা যাতায়াতৰ বাবে অতি লঘূ বাহন পাৰ হ'ব পৰাকৈ সংযোগ কৰি দিয়া হয়। কিন্তু পৰৱৰ্তী সময়ত গাৰ্ড ৱালৰ কামসমূহো অতি শামুকীয়া গতিৰে আগবাঢ়িছিল। 'ধীৰে-স্থিৰে কৰিলে কামটো ভাল হ'ব' বুলি স্থানীয় ৰাইজক ঠিকাদাৰ আৰু বিভাগীয়ভাৱে আভূৱা ভাৰিছিল। যাৰ বাবে ৰাইজেও লেহেমীয়া গতিত চলি থকা কামৰ বাবে কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাছিল। কিন্তু শেষতীয়াকৈ কৈলাখাটকে ধৰি কেইবাখনো গাঁৱৰ বৃহত্তৰ ৰাইজ অহা-যোৱাৰ অন্যতম গুৰুত্বপূৰ্ণ পথ হিচাপে বিবেচিত হৈ অহা পথছোৱাত থকা অতি গুৰুত্বপূৰ্ণ পকী দলংখনে ৰাইজক পুনৰ শংকাত ভোগাইছে। প্ৰায় ২৫ বছৰৰ পিছত আৰন্টিত হোৱা পকী দলংখনৰ লগতে কেঁচা পথছোৱাই ইতিপূৰ্বে ৰাইজক বাৰুকৈয়ে জলা-কলা খুৱাই আহিছিল। এই বাৰ পথছোৱাৰ আৰন্টন হৈছে যদিও নিৰ্মাণৰ ত্ৰুটিৰ বাবে ভৱিষ্যতৰ দিনত পুনৰ ৰাইজ বিপদত পৰাৰ আশংকা ঘণীভূত হৈ পৰিছে। ৰাইজে অতি শীঘ্ৰেই ফাটি যোৱা গাৰ্ডৱালখন নতুনকৈ নিৰ্মাণ কৰি দিবৰ বাবে দাবী জনাইছে। আনহাতে, গড়কাপ্তানি বিভাগৰ বিভাগীয় বিষয়াক বিষয়টোত চকু দিবলৈও দাবী জনাইছে স্থানীয় সচেতন ৰাইজে।



# লালুকত গাভৰু নদীৰ বানৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লালুক, ১৬ জুন ঃ** লালুকৰ মাজেৰে পাৰ হৈ যোৱা গাভৰু নদী খনৰ বাঢ়নী পানীয়ে অঞ্চলটোত দীৰ্ঘদিন ধৰি তাণ্ডৱ চলাই অহাৰ সময়তে ধাৰাষাৰ বৰষুণৰ ফলত যোৱা দুদিন ধৰি হোৱা বানপানীয়ে নদীখনৰ বিভিন্ন স্থানৰ লগতে লালুক পূৱ গড়মূৰৰ মাঠাউৰীত গৰা খহনীয়াৰ সৃষ্টি কৰিছে।নদীখনৰ বাঢ়নী পানীয়ে যোৱা দুদিন ধৰি মাঠাউৰীৰ এটা স্থানত প্ৰায় ৮০ শতাংশ খহাই পেলাইছে। যাৰ ফলত মঠাউৰীৰ কাষে কাষে বাস কৰা ৰাইজে ভয়-শংকাৰ মাজেৰে দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে। ইফালে উক্ত গৰা খহনীয়াৰ বাবে মাঠাউৰীটোৰে দৈনিক অহা-যোৱা কৰা গড়মূৰ আৰু ২নং সোনাপুৰ খ্ৰীষ্টান গাঁৱৰ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজৰ যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। মঠাউৰীটোৰ ওপৰেৰে পাৰ হৈ যোৱা চাইকেল-বাইক আৰোহীসকলে এক বিপদসংকুল যাত্ৰা কৰিবলগীয়া হৈছে। ইয়াৰ উপৰিও মঠাউৰীৰ যি অংশত বৰ্তমান খহনীয়াৰ সৃষ্টি হৈছে সেই স্থানতে বিদ্যুতৰ খুটাও দেখিবলৈ পোৱা গৈছে। মঠাউৰীটো যদি সেই স্থানত সম্পূৰ্ণ ভাঙি নিয়ে তেন্তে বৈদ্যুতিক দুৰ্ঘটনাৰো সম্ভাৱনা আহি পৰিছে। ইয়াৰ উপৰিও যোৱা দুদিন ধৰি হোৱা ধাৰাষাৰ বৰষুণৰ ফলত লালুকৰ মাজেৰে পাৰ হৈ যোৱা গাভৰু, পাভ, পইতা, বগলী আদি কেইবাখনো নদীয়ে গড়মূৰ, তৰাজুলি, পশ্চিম লালুক, ২নং সোনাপুৰ খ্ৰীষ্টান গাওঁ আদি ভালেমান গাঁৱত বানপানীৰ সৃষ্টি কৰি পুখুৰী, খেতি, পশুধন আদিৰ ব্যাপক ক্ষতি কৰিছে। ইমানৰ পাছতো বিধায়ক ভৰত নৰহ আৰু স্থানীয় জনপ্ৰতিনিধিয়ে অঞ্চলটোৰ বান সমস্যা সমাধানৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰে সেইয়া লক্ষ্যনীয় হ'ব।

Affordable Health Mission
GNRC
Quality • Value • Trust

আপুনি বহুদিন ধৰি মূৰৰ বিষ, ডিঙিৰ বিষ বা কঁকালৰ বিষত ভুগি আছে নেকি ?

এতিয়া চিন্তাৰ কোনো প্ৰয়োজন নাই

জিএনআৰচি টেলিমেডিচিন সেৱাৰ জৰিয়তে

ঘৰতে বহি এতিয়া আপুনি পাব পাৰে

জিএনআৰচিৰ বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ

আজিয়েই ডাউনল'ড কৰক

GNRC Telehealth App

(Google Play storeত উপলব্ধ)

যোগাযোগ ঃ 1800-345-0022

info@gnrchospitals.com www.gnrchospitals.com

বৈঁক ऑफ़ बड़ौदा Bank of Baroda

**যোৰহাট শাখা**
গড়-আলি (হৈলি চিনেমাৰ বিপৰীতে)
যোৰহাট- ৭৮৫০০১ (অসম)
ই-মেইল ঃ jorhat@bankofbaroda.co.in
ফোন ঃ ০৩৭৬-২৩২২৪১৩

**দখলৰ জাননী** ৰুল-৮(১)
**(কেৱল স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু, তলত স্বাক্ষৰদানকাৰী বেংক অব বৰোদাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (দ্বিতীয়) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ অধীনত এখন দাবী জাননী জাৰি কৰা হৈছিল **০৬.০৯.২০১৯** তাৰিখে ঋণ লওতা **শ্ৰী প্ৰীতম কুমাৰ দাস আৰু শ্ৰীমতী মন্দাকিনী দাস,** যাতে জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ৩,৬২,৮৩১.৭৩ টকা (তিনি লাখ বাষষ্ঠী হাজাৰ আঠশ একত্ৰিশ টকা তেসত্তৰ পইচা কেৱল)** তাৰিখ ০৬.০১.২০২০লৈকে আৰু আদায়ৰ তাৰিখলৈ চুক্তি হাৰত তাৰ ওপৰত অতিৰিক্ত সূতৰ লগতে মূল্য, মাচুল আৰু ব্যয়সমূহ এই জাননী প্ৰাপ্তিৰ **৬০** দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।

ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা(৪)ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি ছিকিউৰিটী ইণ্টাৰেষ্ট এনফ'ৰ্চমেণ্ট ৰুলছ-২০০২ ৰ ভিত্তিত, **১৫ জুন, ২০২২ তাৰিখে।**

ঋণ লওতা/গেৰাণ্টাৰ/মডগেজৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা বেংক অব বৰোদাক আদায় দিবলৈ বাধ্য হ'ব **৩,৬২,৮৩১.৭৩ টকা (তিনি লাখ বাষষ্ঠী হাজাৰ আঠশ একত্ৰিশ টকা তেসত্তৰ পইচা কেৱল)** তাৰিখ ০৬.০১.২০২০লৈকে আৰু আদায়ৰ তাৰিখলৈ চুক্তি হাৰত তাৰ ওপৰত অতিৰিক্ত সূত লগতে মূল্য, মাচুল আৰু ব্যয়সমূহ।

উক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**

ন্যায্য বন্ধকীত থকা ভূমি আৰু সম্পদসহ নামত আছে শ্ৰী প্ৰীতম কুমাৰ দাস আৰু শ্ৰীমতী মন্দাকিনী দাস যুটীয়াভাৱে, অৱস্থান হ'ল ঃ ৰাজামৈদাম গজপুৰীয়া পথ, যোৰহাট। ভূমিৰ পৰিমাপ ঃ ০ বি-২কে-০ এল। আৱৰি আছে পট্টা নং- ২৪৮ৰ দাগ নং-১২৬৯। ৰাজহ চক্ৰ ঃ যোৰহাট পূব, যোৰহাট, অসম।

**চাৰিসীমা ঃ** উত্তৰে ঃ শ্ৰী খগেশ্বৰ দত্ত, দক্ষিণে ঃ শ্ৰী মোহন চন্দ্ৰ দত্ত, পূবে ঃ ১২ ফুট বহল পথ, পশ্চিমে ঃ শ্ৰী হেম চন্দ্ৰ দাস।

**তাৰিখ ঃ ১৫.০৬.২০২২** **কৰ্তৃত্বশীল বিষয়া**
**স্থান ঃ যোৰহাট, অসম** **(বেংক অব বৰোদা, যোৰহাট শাখা)**

বৈঁক ऑफ़ बड़ौदा Bank of Baroda

**যোৰহাট শাখা**
গড়-আলি (হৈলি চিনেমাৰ বিপৰীতে)
যোৰহাট- ৭৮৫০০১ (অসম)
ই-মেইল ঃ jorhat@bankofbaroda.co.in
ফোন ঃ ০৩৭৬-২৩২২৪১৩

**দখলৰ জাননী** ৰুল-৮(১)
**(কেৱল স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু, তলত স্বাক্ষৰদানকাৰী বেংক অব বৰোদাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (দ্বিতীয়) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ অধীনত এখন দাবী জাননী জাৰি কৰা হৈছিল **২৭.০১.২০২২** তাৰিখে ঋণ লওতা **শ্ৰী সমুদ্ৰ কাশ্যপ বৰদলৈ, সহঃ ঋণ লওঁতা হেমাঞ্জলি বৰদলৈ, গেৰাণ্টৰ শ্ৰী দীগ্বিজয় বৰদলৈ, গেৰাণ্ট শ্ৰীমতী দৃষ্টি বৰদলৈ,** যাতে জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ২,৯০,২৮৭/- টকা (দুই লাখ নৱৈ হাজাৰ দুশ সাতাশী টকা কেৱল)** তাৰিখ **২০.০১.২০২২** লৈকে আৰু আদায়ৰ তাৰিখলৈ চুক্তি হাৰত তাৰ ওপৰত অতিৰিক্ত সূতৰ লগতে মূল্য, মাচুল আৰু ব্যয়সমূহ এই জাননী প্ৰাপ্তিৰ **৬০** দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।

ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা(৪)ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি ছিকিউৰিটী ইণ্টাৰেষ্ট এনফ'ৰ্চমেণ্ট ৰুলছ-২০০২ ৰ ভিত্তিত, **১৫ জুন, ২০২২ তাৰিখে।**

ঋণ লওতা/গেৰাণ্টাৰ/মডগেজৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা বেংক অব বৰোদাক আদায় দিবলৈ বাধ্য হ'ব **২,৯০,২৮৭/- টকা (দুই লাখ নৱৈ হাজাৰ দুশ সাতাশী টকা কেৱল)** তাৰিখ **২০.০১.২০২২**লৈকে আৰু আদায়ৰ তাৰিখলৈ চুক্তি হাৰত তাৰ ওপৰত অতিৰিক্ত সূত লগতে মূল্য, মাচুল আৰু ব্যয়সমূহ।

উক্ত আইনৰ ধাৰা-১৩ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**

ন্যায্য বন্ধকীত থকা ভূমি আৰু সম্পদসহ অৱস্থান হ'ল জেইল ৰোড, ব্লক নং- ১০, যোৰহাট টাউন মৌজা, জিলা- যোৰহাট, ভূমিৰ পৰিমাপ- মুঠ ভূমিৰ পৰিমাপ- ২ কঠা ২ লেচাৰ ভিতৰত ১৪ লেচা। দাগ নং-৭১১৮ৰ অধীনত আৰু আৱৰি আছে পিৰিয়ডিক পট্টা নং- ১৪।

**চাৰিসীমা ঃ** পূবে ঃ জেইল ৰোড, দক্ষিণে ঃ শ্ৰী ক্ষিৰেন্দ্ৰ বৰদলৈৰ ভূমি, পশ্চিমে ঃ শ্ৰী বিজয় বৰদলৈৰ ভূমি, উত্তৰে ঃ শ্ৰী জিতু বৰাৰ ভূমি।

**তাৰিখ ঃ ১৫.০৬.২০২২** **কৰ্তৃত্বশীল বিষয়া**
**স্থান ঃ যোৰহাট, অসম** **(বেংক অব বৰোদা, যোৰহাট শাখা)**

## কয়াকুছি প্ৰেছ এছোছিয়েশ্বনৰ অধিৱেশনৰ সময়সূচী সলনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভক্তৰডোবা, ১৬ জুন ঃ** বৰপেটা জিলাৰ অন্যতম সংবাদসেৱাৰ অনুষ্ঠান কয়াকুছি প্ৰেছ এচোছিয়েশ্বনৰ দ্বি বাৰ্ষিক অধিবেশনখন এইবেলি অহা ১৯ জুনত দিন ব্যাপি বিস্তৃৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ কথা আছিল। যদিও অসম তথা জিলাখনৰ সাম্প্ৰতিক পৰিস্থিতি আৰু বানপানীৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি অধিৱেনৰ সমূহ কাৰ্যসূচী সাময়িকভাৱে বাতিল কৰা হৈছে। সেয়ে পৰিস্থিতি সাম কাটিলে পৰৱৰ্তী সময়ত এছোছিয়েছনৰ সমূহ সদস্য তথা বিষয়ববীয়াৰ লগতে ইতিমধ্যে আমন্ত্ৰণ জনোৱা বিশিষ্ট ব্যক্তিসকলক কাৰ্যসূচী সন্দৰ্ভত জনোৱা হ'ব বুলি এছোছিয়েছনৰ সম্পাদক আব্দুল জলিল আৰু সভাপতি আহাম্মদ আলীয়ে এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিছে।

## বোকাখাতত বিনামূলীয়া পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৬ জুন ঃ** অসম জ্যেষ্ঠ নাগৰিক সন্মিলন বোকাখাত শাখাৰ উদ্যোগত নৰ্থ ইষ্ট ডায়েবেটিচ কেয়াৰ এণ্ড ৰিচাৰ্চ চেন্টাৰৰ দ্বাৰা মধুমেহ আৰু ইউৰিক এচিড ৰোগৰ বিনামূলীয়া পৰীক্ষা শিবিৰ আয়োজন কৰিছে। অহা ১৯ জুনত বোকাখাতৰ অসম চাহ মজদুৰ সংঘৰ লক্ষণ কৰ্মকাৰ প্ৰেক্ষাগৃহত দিনৰ১০ বজাৰ পৰা হ'বলগীয়া শিবিৰত আগতীয়া নাম ভৰ্তিৰ বাবে ৯৮৬৪৪৫৫২৬৪, ৬০০৩৫৫৪৬১৮, ৯৮৫৯৫৩৩৫ বা ৯৯৫৪৩৬৬৮৬৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## সাদেৰি ভেটান্তৰ নিকেতনৰ ৰূপালী জয়ন্তীৰ উদযাপন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ১৬ জুন ঃ** বজালী জিলাৰ অন্তৰ্গত সাদেৰী ভেটান্ত নিকেতনত ১২ জুনত ৰূপালী জয়ন্তী উদযাপন সমিতি গঠন কৰা হয়। এই সভাখনত উপস্থিত থাকে ভালে সংখ্যক ব্যক্তি। সাধাৰণ সভাখনত সভাপতিত্বত কৰে নিকেতন প্ৰতিষ্ঠা কৰা কালৰে সভাপতি তথা শিক্ষাবিদ অনিল কুমাৰ তালুকদাৰে। উক্ত সভাত শশীমোহন বৰুৱাক সভাপতি, বৈকুণ্ঠ তালুকদাৰক কাৰ্যকৰী সভাপতি, টংকেশ্বৰ ঠাকুৰীয়াক উপ সভাপতি, ৰাজীৱ ৰয় আৰু দেৱজিৎ দাসক যুটীয়া সম্পাদক, পবিত্ৰ পাটগিৰিক সহকাৰী সম্পাদক হিচাপে লৈ এখন ২১জনীয়া উদযাপন সমিতি গঠন কৰা হয়। আনহাতে যোৱা বৰ্ষৰ নিকেতনতৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১০০শতাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ এই অঞ্চলৰ ৰাইজে বিশেষ ভাৱে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

■ সোণতলীত পথৰ দুৰৱস্থা ■

# আদৰণি সেৱা নহয়, ঘোঁৰা গাড়ীৰে প্ৰসূতি মাতৃক নিছে ঘৰলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণতলী, ১৬ জুন ঃ** ৰাজ্য চৰকাৰে গ্ৰাম্যঞ্চলৰ বাট-পথ উন্নয়ণৰ বাবে কোটি কোটি টকা ব্যয় কৰিছে যদিও বৰ্তমানো একাংশ অঞ্চলৰ বাট-পথৰ দুৰৱস্থা দুৰ কৰাত চৰকাৰ সম্পুৰ্ণ ব্যৰ্থ হৈছে। উল্লেখ্য যে কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত সোণতলী সত্ৰ গাঁৱৰ পৰা সোণতলী চৌধুৰীপাম গাঁও পঞ্চায়তলৈ যোৱা মূল পথটি আজিও উন্নতি নহ'ল। উক্ত পথটি ইমানেই বেয়া যে ৩ নং দক্ষিণ ৰাঙাপানী গাঁৱৰ এগৰাকী প্ৰসুতি মাতৃক সোণতলী চিকিৎসালয়ৰ পৰা ঘোঁৰা গাড়ীৰে যথেষ্ট কষ্ট কৰি ঘৰলৈ নিব লগীয়া হৈছে। বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসে দ্বিতীয় বাৰৰ বাবে সমষ্টিৰ বিধায়িকা হিচাপে নিৰ্বাচিত হোৱাৰ পাছতো পথটি উন্নতি নকৰাৰ ৰাইজে অভিযোগ উত্থাপন কৰিছে। সম্প্ৰতি পথটিৰ অৱস্থা ইমানেই বেয়া যে গাড়ী মটৰ চলাচল কৰাটো দূৰৰ কথা খোজকাঢ়ি যাওতে পিছলি পৰি হাত-ভৰি ভঙাৰ সম্ভাৱনা আছে।এজাক বৰষুণ পৰিলে বোকা পানীৰে কৰ্দযময় হৈ পৰে পথটি। পথটিৰ মাজে-মাজে প্ৰকাণ্ড-প্ৰকাণ্ড গাতৰ সৃষ্টি হৈছে। বোকাময় পথটিৰ দুৰৱস্থাৰ বাবে বাৰুকৈ জ্বলাকলা খাইছে বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, তথা সৰ্ব সাধাৰণ ৰাইজে।গুৰুতৰ ৰোগী বা প্ৰসূতি মাতৃ, গৰ্ভৱতী মহিলা সকলৰ বাবে এম্বুলেঞ্চ



বা আদৰণি সেৱা মাতিলে ৰাস্তা ঘাট বেয়া হোৱা বুলি কৈ নাহে। যাৰ বাবে অঞ্চলৰ লোকে উপায়হীন হৈ ঠেলা, ঘোঁৰা গাড়ী, সাঙিত লৈ চিকিৎসালয় লৈ নিয়া দেখিবলৈ পোৱা যায়। উল্লেখ্য যে বুধবাৰে এম্বুলেঞ্চ অথবা আদৰণিৰ পৰিৱৰ্তে ঘোঁৰা গাড়ীৰে এগৰাকী প্ৰসুতি মাতৃক চিকিৎসালয়ৰ পৰা ঘৰলৈ নিয়াৰ এক স্বাসৰুদ্ধকৰ দৃশ্য আৰব্ধ হৈছিল সাংবাদিকৰ কেমেৰাত। বোকাময় পথৰে গাড়ী নচলে! নাযায় ঠেলা গাড়ী! ভৰি পিছলাৰ ভয়ত ঘৰতে আৰদ্ধ থাকিবলগীয়া বকো সমষ্টিৰ টাঙনমাৰী অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজ। বাৰিষাৰ পূৰ্বেই পথটোৰ অৱস্থা শোচনীয় হৈ পৰাত ৰাইজে বাৰুকৈয়ে পৰিছে মহা সমস্যাত। এগৰাকী মাতৃয়ে সন্তান প্ৰসৱ কৰি সোণতলী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা ঘৰলৈ আহোতে চৰকাৰী 'আদৰণি' গাড়ী অথবা এম্বুলেঞ্চ পৰিৱৰ্তে কেইজনী মহিলাই ঘোঁৰাৰ গাড়ীত উঠি আহিছিল। তথাপিও ঘোঁৰা গাড়ী খন তিনি-চাৰিজনে ঠেলি নিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে সোণতলী অঞ্চলৰ এই পথটোৱে প্ৰতীয়মান কৰিছে যে, বিধায়িকা নন্দিতা দাস অকৰ্মণ্য। উন্নয়নৰ প্ৰতি সম্পূৰ্ণ পিঠি দিয়া কংগ্ৰেছী বিধায়িকা নন্দিতা দাসে বিগত দুবাৰকৈ বিধায়ক হোৱাৰ পিছতো সক্ষম নহ'ল এই পথটো নিৰ্মাণ নাইবা মেৰামতি কৰিবলৈ। সংখ্যালঘু অঞ্চলৰ পৰা সৰ্বোচ্চ ভোট লাভ কৰি দ্বিতীয়বাৰৰ বাবে বিধায়িকা হিচাপে নিৰ্বাচিত হৈছে যদিও উক্ত অঞ্চলবোৰৰ বাট-পথ উন্নয়ণৰ প্ৰতি বিশেষ গুৰত্ব নিদিলে। অতিশীঘ্ৰেই ৰাজ্যৰ গড়কাপ্তানি বিভাগে পথটো পকীকৰণ কৰি বৃহত্তৰ দক্ষিণ ৰাঙাপানী গাঁৱৰ যাতায়াত ব্যৱস্থা সুচল কৰাৰ বাবে ৰাইজে দাবী উত্থাপন কৰিছে।

# মাজুলী জিলা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৬ জুন ঃ** ১৯৯০ চনৰ ১৬ জুনত সেই সময়ৰ মুষ্ঠিমেয় কেইগৰাকী মান সংবাদ সেৱীৰ প্ৰচেষ্টাত জন্ম পোৱা মাজুলী জিলা সাংবাদিক সন্থাই ৩৩ বছৰত ভৰি দিলে। সদৌ অসম সাংবাদিক সন্থাৰ অন্তৰ্গত স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে এটা সময়ত পযেকীয়া কাকত প্ৰকাশ কৰিছিল। অসমৰ সংবাদ জগতৰ বাটকটীয়া আউনীআটী সত্ৰৰ একাদশ গৰাকী সত্ৰাধিকাৰ প্ৰয়াত শ্ৰীশ্ৰী দত্ত দেৱগোস্বামীৰ পদাংক অনুসৰণ কৰি সন্থাই অসমৰ সংবাদ ক্ষেত্ৰৰ উত্তৰণৰ অৰ্থে কেইবাটাও বঁটা প্ৰবৰ্তন কৰি আহিছে। তাৰ ভিতৰত 'দত্ত দেৱগোস্বামী স্মাৰক গ্ৰাম্য সাংবাদিকতা বঁটা' 'নিত্যানন্দ ভৰালী সোঁৱৰণী বঁটা' 'কুমুদ দত্ত সোঁৱৰণী যুৱ সাংবাদিকতা বঁটা' উল্লেখযোগ্য। অসমৰ বিভিন্ন কাকত, বৈদ্যুতিক মাধ্যমত সংবাদ সেৱাৰে বহু কেইগৰাকী সাংবাদিকে বহুকেইটা উল্লেখনীয় বঁটা লাভ কৰি মাজুলী জিলা সাংবাদিক সন্থাক উজ্জীৱিত কৰিছে। কালি সন্থাৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱসটি কমলাবাৰীস্থিত সন্থাৰ স্থায়ী কাৰ্যালয়ত প্ৰতিকুল বতৰকো নেওচি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পুৱা ৯ বজাত পতাকা উত্তোলন কৰে সভাপতি দিবাকৰ শইকীয়াই। স্মৃতিচাৰণ কৰে উপসভাপতি ডিম্বেশ্বৰ দত্ত আৰু প্ৰতিষ্ঠাপক সম্পাদক ৰণজিৎ কুমাৰ ভূএগ্ৰাই সন্থাৰ প্ৰতিষ্ঠা কালৰ চিৰবিদায় লোৱা সাংবাদিকসকলৰ সোঁৱৰণত বক্তব্য ৰাখে। ১১ বজাৰ পৰা মুকলি সভা সন্থাৰ সভাপতি দিবাকৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। সম্পাদক দিপু বৰাই আঁত ধৰা সভাত ৰণজিৎ কুমাৰ ভূএগ্ৰা, ডিম্বেশ্বৰ দত্ত, দীপু বৰা, বিপুল শইকীয়াই সাংগঠনিক দিশৰ ওপৰত পৰামৰ্শ প্ৰদান কৰে। সভাত সাংগঠনিক দিশৰ উপৰিও হিচাপ পৰীক্ষণ, সন্থাৰ প্ৰৱৰ্তিত বঁটা সমূহ, মুখপত্ৰ প্ৰকাশ, বাৰ্ষিক সভাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# কাকপথাৰ জাতীয় বিদ্যালয়ত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ১৬ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা কাকপথাৰ জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কালি সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিৰিঞ্চি নেওগৰ পৌৰিহিত্যত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্যে ব্যাখ্যা আগবঢ়াই শিক্ষক মানিক চন্দ্ৰ মৰাণে। আদৰণি ভাষণ আগবঢ়াই বিদ্যালয়ৰ অধ্যক্ষ ভূগিল নেওগে। আৰম্ভণিতে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক সভাগৃহলৈ নীতি নিয়মেৰে আমন্ত্ৰণ জনোৱা হয়। ইয়াৰ পিছতেই সমবেত সঙ্গীত পৰিৱেশন কৰে বিদ্যালয়ৰ ছাত্ৰীসকলে। সভাত উপস্থিত থাকি বক্তব্য আগবঢ়ায় পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰ, পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক ৰিতুৰাজ গোহাঁইয়ে। সভাত উপস্থিত থাকে শিক্ষক ৰাজেন মৰাণ, ধনেশ্বৰ মৰাণ, যোগ্য ফুকন, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱকসকল। পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয় অধ্যক্ষ গৰাকীয়ে বক্তব্যত উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰীসকল আমাৰ ভৰিষ্যত ধৰণী। এই সকল ভালদৰে আগবাঢ়িলেই সমাজখন আগবাঢ়িব। পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক ৰিতুৰাজ গোহাইয়ে কয় যে ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়িব হ'লে নিজৰ লক্ষ্য নিজেই থিৰ কৰিব লাগিব। লগতে অতি কম বয়সত বিবাহ পাশত আবদ্ধ হোৱাটো এক সামাজিক ব্যাধি বুলি উল্লেখ কৰে। লক্ষ্য স্থিৰ কৰিবলৈ হ'লে কিছুমান সমস্যাক আওকাণ কৰি আগবাঢ়িব লাগিব। সভাত শিক্ষক যোগ্য ফুকনেও বহুমূলীয়া বক্তব্য আগবঢ়ায়। সম্বৰ্ধনা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলক এখন ফুলাম গামোছা আৰু একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। বিদ্যালয়খনৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত পূজা প্ৰিয়া মৰাণ আৰু তুষাৰ ৰাণী মৰাণক পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে একোখনকৈ মান পত্ৰ, কিতাপৰ টোপোলা আৰু নগদ ধনেৰে অভিনন্দন জনায়।

# নগাঁৱত ব্যঙ্গ সাহিত্যত সংযোজন হ'ল মনোজ কুমাৰ শৰ্মাৰ ভিন্ন ৰসৰ সুবাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৬ জুন ঃ** সাহিত্যৰ জগতখনত ব্যঙ্গ সাহিত্যৰ এটা গুৰুত্বপূৰ্ণ স্থান আছে। অসমীয়া সাহিত্যত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাকে মুখ্য কৰি কেইবাজনো স্বনামধন্য সাহিত্যিক আছে, যি ব্যঙ্গ সাহিত্যৰ জোৱাৰ সৃষ্টি কৰি গৈছে। কালি নগাঁৱত উন্মোচন হ'ল ভিন্ন ৰসৰ কবি মনোজকুমাৰ শৰ্মাৰ ব্যঙ্গ কবিতাৰ সংকলন 'ভিন্ন ৰসৰ সুবাস'। লগে লগে অসমীয়া ব্যঙ্গ সাহিত্যত এখন নতুন গ্ৰন্থ সংযোজিত হ'ল। ই ভাষা সাহিত্যৰ জগতখনৰ কাৰণে এটা আনন্দৰ খবৰ।' - এই মন্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱাৰ। নগাঁও জিলা সাহিত্য সভাৰ অনুষ্ঠানত ভিন্ন ৰসৰ সুবাস উন্মোচন কৰি ৰাজখোৱাই লগতে কয় যে বৰ্তমান অসমীয়া ভাষা-সংস্কৃতিত বিপৰ্যয় আৰম্ভ হৈছে। মানুহৰ দৈনন্দিন বাক্ ব্যৱহাৰত অগণন ভুল প্ৰয়োগে অসমীয়া ভাষাৰ যথেষ্ট ক্ষতি সাধন কৰিছে। হাৰমনিয়াম বজাই বৰগীত গোৱা, শংকৰদেৱ গুৰুজনাৰ অনবদ্য সৃষ্টি ভাওনাত, কেলিগোপাল নাটত বিয়া-সবাহত বজোৱা বেণ্ড পাৰ্টি ব্যৱহাৰ কৰা আদি কামবোৰে অসমীয়া সংস্কৃতিক বিকৃত কৰিছে। এই কামবোৰ বন্ধ কৰাৰ দায়িত্ব প্ৰতিজন অসমীয়াৰ বুলি উল্লেখ কৰি ৰাজখোৱাই কয় যে মনোজকুমাৰ শৰ্মা সমাজসচেতন ব্যক্তি । সেয়েহে সমাজৰ বিভিন্ন কেৰোণবোৰ তেওঁ কবিতাৰ মাজেদি তুলি ধৰাৰ চেষ্টা কৰিছে । গ্ৰন্থখনে পাঠক সমাজৰ স্নেহ লাভ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি কবি পৰাণকুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক উপেনচন্দ্ৰ বৰা, শৰৎচন্দ্ৰ শইকীয়া, জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ কুমুদ বৰা, সহকাৰী সম্পাদক দীপিকা নাথ প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ শুভেচ্ছাঁ বাৰ্তা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৬ জুন ঃ** লক্ষীমন সংঘ কেথম দ'ৱান লংৰি আমেইৰ তৰফৰ পৰা সভাপতি ৰিছু ইংতি আৰু সাধাৰণ সম্পাদক লখিন্দ্ৰ তিমুঙে সমূহ অসম তথা উত্তৰ-পূৰ্ব্বাঞ্চল বাসীলৈ 'দৈনন্দিন বাৰ্তা' কাকতৰ জৰিয়তে লক্ষীমন ধৰ্মাৱলম্বী কাৰ্বি সমাজৰ ধৰ্মগুৰু লখন ইংতি হেনচেক দেৱৰ ৭৬ সংখ্যক আবিৰ্ভাৱ তিথি অৰ্থাৎ 'কুৰু চিংদুক' উপলক্ষে আন্তৰিকতাৰে কাৰ্দম ও শুভেচ্ছাঁ জ্ঞাপন কৰিছে। উল্লেখ্য যে ১৯৪৬ চনৰ ১৬ জুনত কাৰ্বি আংলং জিলাৰ বোকাজান বিধানসভা সমষ্টিৰ অন্তৰ্গত ২ নং ড'লামৰাৰ বগাৰাম ট'কবি নামৰ অতি পিছপৰা গাওঁখনত পিতৃ প্ৰয়াত পালম ইংতি হেনচেক আৰু মাতৃ প্ৰয়াত কাটু ৰংফাৰপীৰ সু-পুত্ৰ অৰ্থাৎ কুৰুছাৰ (গুৰু) লখন ইংতি হেনচেক দেৱৰ জন্ম হৈছিল । সেয়ে গুৰুজনাৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি সমগ্ৰ লক্ষীমন দ'ৱান তথা মন্দিৰ সমূহত সমূহীয়াভাৱে লক্ষীমন ধৰ্মীয় ৰীতি-নীতিৰে গুৰুজনাৰ আবিৰ্ভাৱ তিথি প্ৰত্যেক বছৰে উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

# দুধনৈ মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ প্ৰস্তুতি

## ১৯ জুনত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক উপস্থিত থকাৰ বাবে আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ১৬ জুন ঃ** গোৱালপাৰা জিলাৰ এখন ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দুধনৈ মহাবিদ্যালয়খনৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। বৃহত্তৰ দুধনৈ অঞ্চলৰ শিক্ষাবিদ, সমাজসেৱক, বুদ্ধিজীৱী সকলৰ অশেষ কষ্টৰ বিনিময়ত ১৯৭২ চনত দুধনৈত গঢ় লৈ উঠা দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষটিক উলহ-মালহেৰে উদ্‌যাপন কৰাৰ চিন্তা চৰ্চা কৰি দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক লৈ অহা ১৯ জুনত দিনৰ ১০ বজাত এখন সাধাৰণ সভাৰ আয়োজন কৰা হৈছে। ইতিমধ্যে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক মহাবিদ্যালয় কৰ্তৃপক্ষই নিমন্ত্ৰণ জনাইছে। আনহাতে মহাবিদ্যালয় কৰ্তৃপক্ষই যিসকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সৈতে যোগাযোগ কৰিব পৰা নাই তেওঁলোকক ১৯ জুনৰ সাধাৰণ সভাত উপস্থিত হোৱাৰ বাবে আহ্বান জনাইছে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভাৰ লগতে দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থাৰ সভাপতি দিগন্ত ৰাভা আৰু সম্পাদক কংকন খাখলাৰীয়ে।



# মৰিয়নিত মটৰ চাইকেল চোৰ গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১৬ জুন ঃ** মৰিয়নিত মটৰ চাইকেল তথা বাহন চোৰৰ সন্ত্ৰাসে মৰিয়নি আৰক্ষীৰ নিদ্ৰা হৰণ কৰাৰ লগতে বাহন মালিকৰ মাজত ত্ৰাসৰ সৃষ্টি কৰি অহাৰ মাজতে এটা মটৰ চাইকেল চোৰক মৰিয়নি পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। মৰিয়নিত প্ৰায়ে মটৰ চাইকেল চুৰি হোৱা ঘটনা সংঘটিত হৈ আহিছে। বিগত কিছু মাহৰ ভিতৰত এক দৰ্জনৰো অধিক মটৰ চাইকেল চুৰি হোৱা ঘটনাই মৰিয়নি নগৰৰ বাসিন্দাসকলক ভবাই তুলিছিল। বিগত মাহকেইটাত মৰিয়নিৰ ষ্টেডিয়ামত পথ, পঞ্জাব নেচনেল বেংকৰ সন্মুখৰ পৰা, ষ্টেচন ৰ'ড, ইউনিয়ন বেংকৰ সন্মুখৰ পৰা ইয়াৰ লগতে নগৰখনৰ বিভিন্ন ঠাইৰ পৰা একুৰি ওচৰা ওচৰি মটৰ চাইকেল চুৰি হোৱা ঘটনা সংঘটিত হৈছে। ৪ এপ্ৰিলত মৰিয়নি ইণ্ডিয়ান বেংকৰ সন্মুখৰ পৰা চোৰে এখন টিভিএচ মপেডলৈ উধাও হৈছিল। মৰিয়নি সমীপৰ গঙ্গাপুৰৰ নিৱাসী দোলন নাথে নিজৰ এএছ ০৩ কিউ - ১১০৫ নম্বৰৰ টিভিএছ মপেড খন লৈ মৰিয়নিলৈ আহিছিল। মৰিয়নি ইণ্ডিয়ান বেংকৰ সন্মুখত মপেডখন ৰখাই নাথে বেংকৰ কামত যাওঁতে মপেডখন চোৰে লৈ উধাও হয়। ইফালে যোৱা ১৩ জুনত চোৰটোৱে মপেডখনৰ নম্বৰ সলাই এএছ ০৩ আৰ ৮৯২১ কৰি নিজৰাপাৰ ওচৰত গ্ৰেজত আনোতে শোধা পোছা কৰাত সমগ্ৰ ঘটনাটো ওলাই পৰে। পুলিচে পুৰ্বৰ গোচৰ ৬৮/২২ নম্বৰৰ ৩৭৯ ধাৰাত জেল হাজোতলৈ প্ৰেৰণ কৰি কালি ৰিমাণ্ডত লৈছিল। কালি অভিযুক্ত চোৰটোক জেল হাজোতলৈ প্ৰেৰণ কৰে। চোৰটো ভেলেউগুৰি অফলামূখ গাঁৱৰ বলি নাৰায়ণ দাসৰ পুত্ৰ প্ৰভাত দাস (৩৪) বুলি চিনাক্ত কৰা হৈছে।

## আমগুৰিত বিনামূলীয়া চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৬ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰি ৰেলৰে জঙত কালি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। ভাৰতীয় ৰেল বিভাগৰ তিনিচুকীয়া সংমণ্ডলৰ ডিব্ৰুগড় ৰেল চিকিৎসা বিভাগে আমগুৰি ৰেলৰে জঙত বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। মূলতঃ ৰেলৱে বিভাগত কৰ্মৰত কৰ্মচাৰীসকলক বিনামূলীয়াকৈ চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি চিকিৎসা প্ৰদান কৰা সমান্তৰালকৈ ৰেলৱে জংৰ কাষৰীয়া লোককো চিকিৎসা প্ৰদান কৰে। কালি চিকিৎসা প্ৰদান অনুষ্ঠানত ডাঃ এম কে বড়ো, ডাঃ ডি বি দেউৰীকে ধৰি অন্য কেইবাজনো চিকিৎসকে চিকিৎসা প্ৰদান কৰে।

## কামপুৰত বিনামূলীয়া চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৬ জুন ঃ** এছ ইউ চি আই দলৰ ৰাজ্যিক কমিটিৰ উদ্যোগত কলকাতাৰ মেডিকেল চাৰ্ভিজ চেণ্টাৰে কামপুৰৰ জৱাহৰলাল প্ৰাথমিক বিদ্যালয়ত কালি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। উক্ত শিবিৰত প্ৰায় দুশগৰাকী লোকক চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে মঙলবাৰে শংকৰ নগৰ হাইস্কুল চিকিৎসা শিবিৰসহ সৰ্বমুঠ প্ৰায় ৪০০ লোকক চিকিৎসা কৰি বিনামূলীয়াকৈ প্ৰয়োজনীয় ঔষধ প্ৰদান কৰে। প্ৰায় ১২ জনীয়া চিকিৎসক আৰু নাৰ্চৰ দলটোৰ পৰিচালনাত থাকে অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ চিত্ৰলেখা দাস আৰু ডাঃ চায়েছ মুছাফিৰ। শিবিৰ কেইটাৰ আয়োজন কৰে সমাজসেৱক সোণাৰাম বৰা আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক মহম্মদ চুবুৰে ।

# পশ্চিম দৰঙৰ বান পৰিস্থিতি অধিক ভয়াবহ

## গৃহ হাৰা বহু পৰিয়াল, বিচ্ছিন্ন পথ, বন্ধ ঘোষণা বিদ্যালয়ৰ

দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট ১৬ জুন: পশ্চিম দৰঙৰ বান পৰিস্থিতি অধিক ভয়াবহ হ'ব ধৰিছে। দিমিলা, কালপানী নৈ ভয়াবহ ৰূপ ধাৰণ কৰাৰ বিপৰীতে এইবেলি বৰনৈ বাঢ়নী পানীৰ কবলত পৰি হাবু ডুবু খাইছে পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বহু কেইখন গাওঁ। বিশেষকৈ কৰৈবাৰি, গভৰা, দুনী, ভেৰুৱাদল, হুছেইন চুবুৰী, কাহিতলী, বালিকুচি,শালিকাঝাৰ, জয়পুৰ,পূৰ মালিবাৰিটাৰি, চৰৰবড়ী, পশ্চিম বৰপথাৰ, তিতকুছি, পদ্মাঝাৰ, বুঢ়া, বিষ্ণুপুৰ, নাওদিঙা, চকৰমুখ, হালধা, জয়ন্তীপুৰ, বুঢ়াদৈচপৰা, আদি গাঁও সমূহ ইতিমধ্যে জলমগ্ন হৈ পৰিছে । বিশেষকৈ টেঙেৰাত ভগা মথাউৰিৰ অংশৰে ব্যাপক হাৰত পানী বাগৰি অহাত নামনি গাওঁ সমূহত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰায় বোৰ ৰাস্তা ঘাট পানীৰ তলত ডুব যোৱাৰ উপৰিও এইবাৰ নতুনকৈ বৰনৈ বাঢ়নী পানীৰ সোঁতে বালিকুচি -বুঢ়া- শালিকাঝাৰ সংযোগী পথটি প্ৰায় ৬০ মিটাৰ মান অংশ চিগি নিয়াৰ ফলত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। ইপিনে শালমাৰা -আন্ধেৰিঘাট গড়কাপ্তানী পথৰ জয়ন্তীপুৰ,বিষ্ণুপুৰ চকৰে পানী বাগৰিব ধৰাত আৰু অধিক চিন্তিত হৈছে অঞ্চলৰ ৰাইজ। কিয়নো উক্ত গড়কাপ্তানী পথচোৰাৰ পানী ত ডুবি গলেই বৃহত্তৰ পশ্চিম দৰং অঞ্চল জুৰি এখন মহাসাগৰ ত পৰিনত হবগৈ। আনফালে প্ৰথম টো বানপানীত সৰ্বসাধাৰণৰ আলৈ আথানি হোৱাৰ বিপৰীতে মাছপালক সকলৰ পুখুৰী সমূহ বুৰি গৈ একপ্ৰকাৰ জুৰুলা হোৱাৰ পিছত এইবাৰ বানে মাধমাৰ সোধাইছে কৃষকসকলক। কিয়নো ৰুবলৈ ওলোৱা শালিধানৰ কঠিয়া নষ্ট হোৱাৰ সমান্তৰালভাৱে হতাশাগ্ৰস্ত হৈ পৰিছে কৃষক সকল । আনপিনে ঠাইৰ অভাৱ ত কালি হুছেইন চুবুৰী ত গড়কাপ্তানী পথৰ ওপৰতে মৃতদেহ সৎকাৰ কৰিব লগাত পৰে। ইফালে বহু পৰিয়াল এতিয়া গৃহ হাৰা হৈছে। অন্য হাতে মাত্ৰাধিক বৰষুণ আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই দৰং জিলা প্ৰশাসনে ১৬ জুনৰ পৰা ১৯ জুনলৈ বিদ্যালয় বন্ধৰ ঘোষণা কৰিছে।



# বৰষুণত বিধস্ত টীয়কৰ বাদুলি পুখুৰী ঢেকীয়ানি ভৰলুৱা পথৰ কদৰ্য ৰূপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৬ জুন ঃ** টীয়ক সমষ্টিৰ অন্তৰ্গত বাদুলি পুখুৰী ঢেকীয়ানি পথটোৱে কিনকিনীয়া বৰষুণত কদৰ্য ৰূপ ধাৰণ কৰিছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগি বাদুলিপুখুৰী-ঢেকীয়ানি ভৰলুৱা অঞ্চলটোৰ ৰাইজৰ যাতায়াতৰ একমাত্ৰ পথটোৱে বাৰিষা বৰষুণতে কদৰ্য ৰূপ ধাৰণ কৰাত ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগা হৈছে। স্বাধীনতাৰ ৭৭ বছৰ গৰকা পাছতো টীয়ক সমষ্টিৰ এই পথটো দীৰ্ঘদিন ধৰি মেৰামতি নকৰাৰ বাবেই এনেদৰে কদৰ্য ৰূপ ধাৰণ কৰা পথটো জনপ্ৰতিনিধিক আহ্বান জনায় ভাগৰিছে অঞ্চলবাসীয়ে। ইফালে নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলে উক্ত পথটোক ইছ্যু হিচাপে লয় যদিও নিৰ্বাচনৰ পাছত কোনো গুৰুত্ব আৰোপ নকৰা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। অন্যহাতে ৰাইজে যাতায়তৰ বাবে দীৰ্ঘদিন ধৰি গাঁঠিৰ ধন ভাঙি পথটো মেৰামতি কৰি আহিছে। সেয়েহে বিষয়টো ৰাজনৈতিক মেৰপাকত আবদ্ধ নকৰি ৰাইজৰ সুবিধাৰ্থে শীঘ্ৰেই পথটো নিৰ্মাণ কৰিবলৈ আহ্বান জনাইছে। গ্ৰাম্য অঞ্চলৰ গৰিষ্ঠ সংখ্যক লোকৰ একমাত্ৰ পথটো দীঘদিন ধৰি পকী কৰণ কৰা বাদে অদ্যপি আজি পৰ্যন্ত কোনো মেৰামতি নকৰাত বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি কৃষি প্ৰধান অঞ্চলটোৰ ব্যাপক সমস্যাত পৰা দেখা গৈছে।

# চিলাপথাৰ নিলখ বালিজানত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৬ জুন ঃ** অহা ১৯-২০ জুনত দুদিনীয়া বৰ্ণাঢ্য দিবা-নৈশ কাৰ্যসূচীৰে বিপ্লৱী বীৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱসটি উদযাপনৰ বাবে চিলাপথাৰ নিলখ বালিজানত ব্যাপক প্ৰস্তুতি চলাইছে। নিলখ বালিজান জনসেৱক পুথিভঁৰাল পৰিচালনা সমিতি আৰু ২১ সংখ্যক বিষ্ণুৰাভা স্মৃতি দিৱস উদযাপন সমিতিৰ উদ্যাগত অনুষ্ঠিত হ'ব লগা কাৰ্যসূচীৰে কিছু ব্যতিক্ৰমী ভাবে পালন কৰাৰ কথা আমাক জানিবলৈ দিয়ে। কাৰ্যসূচী মতে ১৯ জুন প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা সামূহিক চাফাই, ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ভৰেন শালৈৰ দ্বাৰা বৃক্ষৰোপণ, বালিজান চেমনীয়া হুঁচৰি দল আৰু জেং বিহু দলৰ দ্বাৰা সভাপতিক আদৰণি, উদ্‌যাপন সমিতিৰ সভাপতি উমেশ শইকীয়াৰ দ্বাৰা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, সাংস্কৃতিক শোভাযাত্ৰা, সমবেত সংগীতেৰে মঞ্চ উদ্বোধনৰ পিছত ১০ বজাৰ পৰা কবিতা আবৃত্তি, ৰাভা সংগীত, চিত্ৰাংকণ প্ৰতিযোগিতাৰ লগতে যোগেন নেওঁগৰ সঞ্চালনত বিষ্ণু ৰাভা দৰ্শন- বৰ্তমান সময়ত প্ৰাসংগিকতাৰ ওপৰত আলোচনা চক্ৰ। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন, আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে ২০ জুনৰ দ্বিতীয় দিনাৰ কাৰ্য্যসূচীত ভেশচন প্ৰতিযোগিতা, কুইজ, আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ এনেদৰে- একাংকিকা নাট প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৮০০১, দ্বিতীয় পুৰস্কাৰ ৩০০১, আধুনিক নৃত্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৫০০১, দ্বিতীয় পুৰস্কাৰ ৩০০১, কুইজ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৫০০১ , দ্বিতীয় পুৰস্কাৰ ২০০১ উপহাৰ দিয়াৰ সমান্তৰালকৈ ৰাভা সংগীত, কবিতা আবৃত্তি, চিত্ৰাংকন, ভেশচন আদি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা বিজয়ী প্ৰাৰ্থী সকলক বিশেষ পুৰস্কাৰৰ টোপোলা আগবঢ়োৱা হ'ব। লগতে প্ৰধান শিক্ষক ইন্দ্ৰ গগৈৰ সভাপতিত্ব দুপৰীয়া ১১ বজাত অনুষ্ঠিত মুকলি সভাত বিধায়ক ভূৱন পেগু, জিলা পৰিষদৰ সদস্য বাবুল চুতীয়া, আটাছুৰ উপদেষ্টা দুলাল বৰুৱা , পঞ্চায়ত সভাপতি ৰাজেন বড়া, গিৰিণ চুতীয়া, বিক্ৰম গগৈৰ লগতে স্থানীয় বহু বিশিষ্ট গণ্য মান্য সমাজকৰ্মী শিক্ষক উপস্থিত থাকিব। নিশাৰ সাংস্কৃতিক সন্ধিয়াত বিশেষ আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী ৰুৰ বৰুৱা, প্ৰণৱজ্যোতি বৈৰাগী, মানসজ্যোতি বৰদলৈ, বাবাকণ গোৱালা আৰু দিব্যজ্যোতি শইকীয়াৰ গীতৰ শৰাই থাকিব। সকলো কাৰ্যসূচীত ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে ২১ সংখ্যক ৰাভা দিৱস উদ্‌যাপনৰ সমিতি আৰু নিলখ বালিজান জনসেৱক পুথিভঁৰাল সমিতিৰ হৈ প্ৰনৱ বড়া, মানিক দত্ত, উমেশ শইকীয়াই আহ্বান জনাইছে।

# দেশপ্ৰেমৰ চূড়ান্ত নিদৰ্শন আৰু আজিৰ নাৰীৰ বাবে প্ৰেৰণাদায়ক




# ৰবীন্দ্ৰ ভৱনত সাধনী

■ কুলদীপ মেধি




ভ্ৰাতৃপ্ৰতীম সাংবাদিক ডিম্পুল চুতীয়াৰ আমন্ত্ৰণ হেতু গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ হোৱা পূৰ্ণদৈৰ্ঘ্য নাট বীৰাংগনা উপভোগ কৰি আপ্লুত হ'লোঁ। চুতীয়া সাম্ৰাজ্যৰ অন্তিম গৰাকী বীৰ যোদ্ধা ৰাণী সাধনীৰ জীৱন ভিত্তিক নাট বীৰংগনা। লীলা চুতীয়াৰ দ্বাৰা লিখিত নাটখনিৰ পৰিচালনাৰ দায়িত্বত আছিল ভৈৰৱ কুমাৰ ফুকন আৰু গুৱাহাটীত বসবাস কৰি থকা চুতীয়া সমাজৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়, অসম চৰকাৰৰ সহযোগত নাটখনি মঞ্চস্থ কৰা হয়। সতী সাধনীৰ কথা সৰুৰে পৰা আমি সিমান নাজানিছিলো, যিমান আমি সতী জয়মতীৰ কথা জানো। স্কুল পৰ্যায়ৰ ইতিহাসৰ পাতত সাধিনীৰ কথা সিমানকৈ কোৱা হোৱা নাছিল, যি অলপ জানিছো সেয়া ইন্টাৰনেটৰ যুগ আৰম্ভ হোৱাৰ পিছত ৱিকিপেডিয়াৰ যোগেদি জানিছো। সেইহেতুকে নাটখনি উপভোগ কৰাৰ প্ৰৱল হেঁপাহ এটা মনত আছিল- বিশেষকৈ এই ভূমিৰ প্ৰথম দেশপ্ৰেমী নাৰীগৰাকীৰ জীৱনগাঁথা ফহিয়াই চোৱাৰ ইচ্ছা। মৰাণৰ লেঙেৰীৰ নাট্যদলৰ দ্বাৰা পৰিকল্পিত নাটখনিৰ অভিনয় আছিল শলাগিবলগীয়া। সৰু-বৰ প্ৰতিটো চৰিত্ৰত অভিনয় কৰা প্ৰতিজন অভিনেতা-অভিনেত্ৰীয়ে বৰ সাৱলীল আৰু সুন্দৰ অভিনয় কৰি নাটখনিক উপভোগ্য কৰি তুলিছিল। মূল চৰিত্ৰ সাধনীৰ ভাওত অভিনয় কৰা অভিনেত্ৰী পাহাৰীকন্যা গগৈৰ অভিনয়ত যথৰতা নাছিল যদিও উক্ত চৰিত্ৰটিৰ বাবে তেওঁৰ বয়স কম যেন অনুভৱ হৈছিল। কিয়নো ইতিহাসৰ তথ্যমতে সাধনীৰ মৃত্যুৰ সময়ত বয়স আছিল আনুমানিক ডেৰকুৰি বছৰ। নীতিপালৰ চৰিত্ৰত অভিনয় কৰা হীৰকজ্যোতি গগৈৰ অভিনয় সুন্দৰ, যিহেতু তেওঁ চৰিত্ৰটোৰ সৈতে খাপ খাই পৰিছিল। নাটখনিৰ ৰূপসজ্জা আৰু দৃশ্যসজ্জা প্ৰশংসনীয়, কিন্তু সাজসজ্জাৰ ক্ষেত্ৰত কিছু কৰিবলগীয়া আছিল বুলি ভাব হয়। কিয়নো প্ৰতিটো চৰিত্ৰই পিন্ধা সাজ-পোচাকখিনিত আধুনিকতাৰ প্ৰভাব চকুত লগাকৈ পৰিছিল, যাৰ বাবে দৰ্শকক ইতিহাসৰ সেই সময়লৈ লৈ যোৱাত সিমান এটা সহায়ক হৈ নুঠিল। থিক সেইদৰে সংগীতৰ ক্ষেত্ৰতো সিমান এটা মনপুত নাই হোৱা, কিয়নো সংগীতেও নাটখনিক আজিৰ পৰা পাঁচশ বছৰ পিছুৱাই লৈ যোৱাত বিফল বুলিয়ে কব লাগিব। চুতীয়া জাতিৰ সৈতে বিহু বা বিযুৰ ওতঃপ্ৰোত সম্পৰ্ক এটা আছে বুলি জনা যায়, অসমত বিহুৰ অৱদান চুতীয়া জনগোষ্ঠীৰ পৰাই অহা। কিন্তু নাটখনিত বিহুৰ সুৰ এটিও শুনিবলৈ নোপোৱাটো অত্যন্ত পৰিতাপৰ কথা। ঠিক তেনেদৰে নাট্যকাৰে প্ৰথম দৃশ্যত নীতিপালৰ চৰিত্ৰটোক এগৰাকী শ্ৰেষ্ঠ ধনুৰ্ধৰ ৰূপে উপস্থাপন কৰিলে, কিন্তু সাধনীৰ চৰিত্ৰটো উপস্থাপন কৰোঁতে সিমান সংযমী নহ'ল। যিহেতু নাটখনিৰ নাম বীৰাংগনা দিয়া হৈছিল আৰু এগৰাকী বীৰংগনাক উপস্থাপন কৰোতে সামৰিক কলা-কৌশলৰ প্ৰশিক্ষণ বা তেনে বিশেষ ৰাজকীয় কৌশলৰ যোগেদি দিয়াহেতেন অতি উত্তম হ'লহেঁতেন। কিছু কিছু দৃশ্যত বীৰাংগনা নাটখনি জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটৰ দ্বাৰা প্ৰভাৱিত হোৱা যেন ভাব হ'ল। ৰাণী সাধনীৰ নাৰী বাহিনী গঠন কৰা বা ৰাণী হিচাবে তেওঁৰ শাসন আৰু প্ৰজাৰ সৈতে তেওঁৰ সম্পৰ্ক কেনে আছিল, এনেধৰণৰ দৃশ্যবোৰে দৰ্শকক সেই সময়ৰ সমাজ ব্যৱস্থা তথা সাধনীৰ বিচক্ষণতা আৰু সাহসীকতাৰ পৰিচয় অধিক সবল কৰি তুলিলেহেঁতেন। নাটখনিৰ শেষ দৃশ্যটোত সাধনীক অসহায় নাৰী হিচাবে হে দেখুওৱা যেন লাগিল, নিজৰ পৰিয়াল তথা ৰাজ্যৰ সকলোকে যুদ্ধত হেৰুৱাই কান্দি-কান্দি বিচলিত হৈ হে যেন তেওঁ আত্ম বলিদান দিলে তেনে ভাব হ'ল। প্ৰকৃততে এগৰাকী সাহসী যোদ্ধাই কেতিয়াও হাৰ নামানে, শত্ৰুৰ হাতত ধৰা দিয়াতকৈ মৃত্যুৱে শ্ৰেয় সেই ভাবিয়ে সাধনীয়ে হয়তো আত্মবলিদান দিছিল, যি আছিল দেশপ্ৰেমৰ চূড়ান্ত নিদৰ্শন আৰু আজিৰ নাৰীৰ বাবে প্ৰেৰণাদায়ক। সংলাপ ৰচনাৰ ক্ষেত্ৰতো সিমান এটা গৱেষণা কৰা হোৱা নাই, সংলাপসমূহ আজিৰ আধুনিক অসমীয়া ভাষা ব্যৱহাৰ কৰা বাবে দুই-এক দৃশ্যত ইতিহাসমূলক নাটৰ পৰা আঁতৰি অহা যেন লাগিল। বিশেষকৈ সাধনী আৰু বান্ধৱীৰ দৃশ্য, কনচেং বৰপাত্ৰগোঁহাই আৰু সাধনীৰ দৃশ্যত। সেইসময়ত ব্যৱহৃত হোৱা অসমীয়া ভাষা বা চুতীয়া জনগোষ্ঠীয় ভাষাৰ প্ৰভাৱ এটা যদি সংলাপসমূহত ৰাখিলেহেঁতেন তেন্তে ই সোণত সুৱগাচৰা হ'লহেঁতেন। আহোম ৰজা বা মন্ত্ৰীৰ মুখত দুই-এটা টাই শব্দৰ প্ৰয়োগে অধিক শুৱলা কৰাৰ লগতে বাস্তৱতাৰ সৈতে নাটখনিৰ সম্পৰ্ক অধিক গাঢ় কৰি তুলিলেহেতেন। অতঃএব, এনেধৰণৰ ইতিহাসমূলক নাট ৰচনাৰ লগতে মঞ্চস্থ কৰি আজিৰ দিনত এক সাহসিকতাৰ পৰিচয় দিছে বুলিয়ে ক'ব লাগিব নাট্যকাৰ লীলা চুতীয়া আৰু পৰিচালক ভৈৰৱ ফুকনে। তেওঁলোক দুয়ো সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰ। আশাকৰোঁ আগলৈ নাটখনিত থকা আসোঁৱাহখিনি আঁতৰাই নাটখনি সমগ্ৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ মঞ্চস্থ কৰিলে অসমৰ ৰাইজে বীৰাংগনা সাধনীক জানিবলৈ সহজ হব, লগতে ভাৰতৰ বিভিন্ন প্ৰান্তলৈও যদি নাটখনিক লৈ যোৱা হয় তেন্তে ভাৰতেও জানিব যে অসমতো ঝান্সী ৰাণী লক্ষ্মীবাইৰ দৰে বীৰংগনা এগৰাকী আছিল, যি নিজ ৰাজ্যৰ মান-মৰ্যদা আৰু নিজৰ সতীত্ব অক্ষুণ্ণ ৰক্ষাৰ বাবে আত্মবলিদান দিছিল। জানিবলৈ পোৱামতে, সাধনীৰ ওপৰত এখনি অসমীয়া কথাছবি নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। ই অত্যন্ত শুভ খবৰ। আশাকৰোঁ উক্ত ছবিখনৰ জৰিয়তে যোদ্ধা সাধনীক সম্পূৰ্ণ বিশ্বই জানিব, কিন্তু ছবিখন বাস্তৱিকতা বা সত্যৰ পৰা ফালৰি কাটি সম্পূৰ্ণ কল্পনাৰ ওপৰত নিৰ্মাণ নহৈ যেন দক্ষিণৰ পৰিচালক ৰাজামৌলিৰ বাহুবলী বা বলিউডী পৰিচালক কে আচিফৰ ছবি মোগল-ই-আজম দৰে অসমীয়া ছবিৰ এটা মাইলৰ খুঁটি ৰূপে পৰিগণিত হয়। এই কাকতৰ যোগেদিয়ে নিৰ্মাতালৈ শুভেচ্ছা জনালোঁ।



# এ ৰিভাৰ অফ টিয়াৰ্চলৈ দুটা বঁটা

## ৰাষ্ট্ৰীয় চুটি ছবি প্ৰতিযোগিতাত

বৰপেটা জিলাৰ বহৰিৰ গুৰুদেৱ প্ৰডাকচনৰ বেনাৰত নিৰ্মিত আৰু অজয় কুমাৰ দাস পৰিচালিত 'এ ৰিভাৰ অফ টিয়াৰ্চ' নামৰ চুটি ছবি খনে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দুটাকৈ বঁটা লাভ কৰি ৰাজ্যখনৰ লগতে বৰপেটা জিলাৰ বহৰি অঞ্চললৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মুম্বাইৰ 'ভাৰত ইণ্ডিপেণ্ডেন্ট চিনেমা ফিল্ম ফেষ্টিভেল'ত এ ৰিভাৰ অফ টিয়াৰ্চ নামৰ চুটি ছবি খনে বেষ্ট ড্ৰামাটিক ফিল্ম আৰু বেষ্ট এচামীজ ফিল্ম বঁটা দুটি লাভ কৰিবলৈ সক্ষম হয়।




গৌতম গোস্বামীৰ প্ৰযোজনাত নিৰ্মিত চুটি ছবিখনৰ মুখ্য সহকাৰী পৰিচালক বিশ্বমধু তালুকদাৰ, সহঃপৰিচালক জ্যোতিপ্ৰসাদ ৰয়। কাহিনী, চিত্ৰনাট্য আৰু সংলাপ ৰাধেশ্যাম কলিতাৰ। মিউজিক আৰু চাউণ্ড ডিজাইনাৰ দীপজ্যোতি দাস, কেমেৰা বিজু দাসৰ। চুটি ছবিখনৰ সম্পাদনা প্ৰদীপ সোনাৰৰ। ছবিখনত অভিনয় কৰিছে জয়ন্ত দাস, ৰাজেন্দ্ৰ কুমাৰ শৰ্মা, বিশ্বমধু তালুকদাৰ, গৌতম গোস্বামী, বন্দনা তালুকদাৰ, কিৰন মেধি, কল্যাণ দাস, জোনমনি দাস, বিজয় বৰ্মন, আৰু শিশু শিল্পী সাক্ষী মজুমদাৰে। মূলতঃ অসবৰ্ন বিবাহ আৰু গৰাখহনীয়া সমস্যাক লৈ নিৰ্মিত ছবিখনে ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠাত বহৰি অঞ্চলত আনন্দৰ বন্যা বৈছে। প্ৰকাশ্যযে এ ৰিভাৰ অফ টিয়াৰ্চ নামৰ চুটি ছবি খন ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় ২৯খন চুটি ছবি প্ৰতিযোগিতালৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰে ভাৰত ইণ্ডিপেণ্ডেণ্ট চিনেমা ফিল্ম ফেষ্টিভেলত দুটাকৈ বঁটা আজুৰি অনাৰ লগতে 'ৰোশানি আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ' ঔৰঙ্গাবাদৰ মুল প্ৰতিযোগিতালৈ এ ৰিভাৰ অফ টিয়াৰ্চে অফিচিয়েল চিলেকচন লাভ কৰা বুলি মহোৎসৱৰ উদ্যোক্তা সকলে জানিবলৈ দিছে।

# শেৱালী কটকীৰ কণ্ঠৰ আধুনিক গীতৰ অডিঅ' উন্মোচন

## হেঙুলী পুৱাতে



ঢেকীয়াজুলি ৰাজহ চক্ৰ এলেকাৰ চিৰাজুলিৰ শেৱালী কটকী এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন তথা প্ৰচুৰ সম্ভাৱনাপূৰ্ণ কণ্ঠশিল্পী। সংগীতৰ প্ৰতি এইগৰাকী প্ৰতিভাময়ী গায়িকাৰ প্ৰেম আৰু শ্ৰদ্ধা অপৰিসীম। স্থানীয় সাংস্কৃতিক অগ্ৰণী সাংস্কৃতিক কৰ্মী-সংগঠক তথা তৰুণ শিল্পী কুলেন হাজৰিকা (বুবু)ৰ সহধৰ্মিনী শেৱালীয়ে শৈশৱতে সংগীতৰ পথাৰত খোজ পেলায় আৰু তেতিয়াৰে পৰা নীৰৱে গীতৰ চৰ্চা অব্যাহত ৰাখিছে। ইতিমধ্যে আকাশবাণী আৰু টিভি চিনেলৰ উপৰি ভিন্নস্থানৰ সাংস্কৃতিক অনুষ্ঠানতো গীত পৰিৱেশন কৰি সমাদৃত হোৱা শেৱালীয়ে আধুনিক গীতৰ লগতে বৰগীত,দিহানাম আৰু কামৰূপী লোকগীত মনোগ্ৰাহীকৈ কণ্ঠদান কৰি সংগীতানুৰাগীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। গীতৰ পৃথিৱীত নিজৰ সুকীয়া আৰু বৰ্ণিল চিনাকি গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰখা শেৱালী কটকী হাজৰিকাৰ কণ্ঠৰ এটি আধুনিক গীতৰ অডিঅ'টি অলপতে এটি মিঠা আবেলি কণ্ঠশিল্পীগৰাকী তথা গীতটিৰ প্ৰযোজক কুলেন হাজৰিকাৰ বাসগৃহত আনুষ্ঠানিকভাৱে উন্মোচিত হয়। সিদিনাৰ আবেলিটো আচলতে এই গীতটিৰ নিৰ্মাণৰ সৈতে জড়িত শিল্পীসকলৰ বাবে এক বিশেষ উল্লেখনীয় আৰু স্মৰণীয় ক্ষণ হিচাবে পৰিগণিত হয়। কাৰণ বহুকেইগৰাকী বিশিষ্ট তথা সংস্কৃতিবান ব্যক্তিৰ সান্নিধ্য প্ৰাপ্তি আৰু তেওঁলোকৰ মনোজ্ঞ বক্তব্যৰে দেওবাৰৰ আবেলিটি উজ্জীৱিত হৈ উঠে তথা বহু প্ৰত্যাশিত এই আবেলিটোতে এক দীৰ্ঘদিনীয়া সপোন কিম্বা প্ৰচণ্ড হেঁপাহে বাস্তৱৰ মুখ দেখে। ওপজা ভূমিৰ সেউজে নধৰা পৰিৱেশক লৈ জেষ্ঠ সাংবাদিক-লেখক-শিল্পী সুজিৎ কটকীয়ে লিখা এটি আধুনিক গীতে সুৰ-সংগীত-কণ্ঠৰ সমাহাৰত ভূমিষ্ঠ হৈ সদাশয় শ্ৰোতাৰ সমুখত মুকলি কৰিবলৈ সক্ষম হোৱা বাবে ইয়াৰ সৈতে জড়িত শিল্পীবৃন্দক স্বাভাৱিকতে পৰম সন্তোষিত,উৎফুল্ল আৰু উৎসাহিত কৰি তোলে। চিৰাজুলিৰ তৰুণ সাংস্কৃতিক সংগঠক-শিল্পী-কবি কুলেন হাজৰিকাৰ ঐকান্তিক প্ৰচেষ্টাত তেওঁৰ পত্নী তথা স্থানীয় প্ৰচাৰবিমুখ কণ্ঠশিল্পী শেৱালী কটকী হাজৰিকাই সমধুৰ কণ্ঠৰে ৰসোত্তীৰ্ণকৈ পৰিৱেশন কৰি গীতটিক প্ৰাণৱন্ত কৰি তোলে। অসমীয়া আধুনিক গীতৰ পথাৰত নৱতম সংযোজন এই গীতটি যশস্বী সংগীত শিল্পী মহীধৰ ডেকাই দক্ষতাৰে আটোমটোকাৰীকৈ সংগীত নিৰ্দেশনা দিয়াৰ লগতে বিপুল চৌধুৰীয়ে সংগীত ব্যৱস্থাপনাৰ দায়িত্ব পালন কৰিছিল। চিৰাজুলিৰ প্ৰবীণ নামঘৰীয়া শিল্পী আৰু অৱসৰী কৃতি শিক্ষক সৎৰাম হাজৰিকাৰ (গীতটিৰ প্ৰযোজক কুলেন হাজৰিকাৰ পিতৃ) বাসগৃহত তেখেতৰ উপস্থিতিত ৰূপায়িত হোৱা অনুষ্টুপীয়া অথচ গাম্ভীৰ্যপূৰ্ণ উন্মোচনী অনুষ্ঠানটিত উদ্যোক্তাসকলক গৌৰৱান্বিত আৰু পৰমানন্দিত কৰি অসমৰ বিশিষ্ট অৰাজনৈতিক সংগঠন "অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ"ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱা আৰু সাধাৰণ সম্পাদক পলাশ চাংমাই মুখ্য উন্মোচক হিচাবে উপস্থিত থাকি তথা গীতটিৰ অডিঅ' আনুষ্ঠানিকভাৱে মুকলি কৰি অনুষ্ঠানটিৰ মাত্ৰা দুগুণে বৃদ্ধি কৰে। যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাহিত্য সম্পাদক তথা শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সম্পাদক সুজিৎ কটকীয়ে আঁতধৰা অনুষ্ঠানটিত ঢেকীয়াজুলিৰ অগ্ৰজ গীতিকাৰ-কবি আৰু অৱসৰী চক্ৰ সংগঠক মনিৰাম নাথ, কৃতিমান শিল্পী মহীধৰ ডেকা, একালৰ বিহুৱতী-বিহুৰ প্ৰশিক্ষক-অভিনেত্ৰী তৰালী বৰুৱা, বিহু শিল্পী সংস্থাৰ ৰাজ্যিক উপ-সভাপতি গনেশ ডেকা আৰু সাংগঠনিক সম্পাদিকা তথা প্ৰাক্তন বিহুৱতী আৰু বিহুৰ প্ৰশিক্ষক গীতাঞ্জলি দেৱী,অসমীয়া ধাৰাবাহিকৰ প্ৰতিভাময়ী অভিনেত্ৰী-নৃত্যশিল্পী চিৰাজুলিৰ কংকনা কেওঁটে অন্যতম উন্মোচক হিচাবে অংশগ্ৰহণ কৰে। লেখিকা ড° ৰুমী শইকীয়া, প্ৰতিষ্ঠিত অভিনেতা-পৰিচালক-সাংবাদিক দিগন্ত শৰ্মা, জ্যেষ্ঠ সাংবাদিক-কবি তথা চিৰাজুলি শাখা নাট্য সন্মিলনৰ সম্পাদক ধৰণী কেওঁট,তৰুণ সাংবাদিক যতীন ডেকা আৰু গোবিন্দ দাস, চিৰাজুলি শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ধনদা শইকীয়া কটকী আৰু উদীয়মান শিল্পী গকুল শইকীয়াকে ধৰি একাংশ সংগীত অনুৰাগী উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। প্ৰযোজক পৰিয়ালৰ তৰফৰ পৰা প্ৰতিগৰাকী অতিথিক একোখনকৈ ফুলাম গামোছাৰে সম্ভাষণ জনোৱা হয়। অনুষ্ঠানটিত প্ৰধান উন্মোচক পলাশ চাংমাইয়ে চমু বক্তব্য দাঙি ধৰি সঁচা অৰ্থত এটি ৰসোত্তীৰ্ণ গীত নিৰ্মাণ হোৱা বুলি কৈ আটাইকেইগৰাকী শিল্পীৰ সমুজ্বল ভৱিষ্যত কামনা কৰি শুভেচ্ছা জনায়। জাতীয়তাবাদী নেতাগৰাকীয়ে লগতে কয়— গীতটি সংগীতপ্ৰেমীয়ে আদৰি ল'লে গীতিকাৰ-কণ্ঠশিল্পী-সংগীত পৰিচালকৰ শ্ৰম সাৰ্থক হ'ব। আনহাতে অনুষ্ঠানটিত ৰাণা প্ৰতাপ বৰুৱা,মনিৰাম নাথৰ লগতে দিগন্ত শৰ্মাই চমুকৈ একাষাৰ ভাষণ দি গাঁৱৰ গোন্ধৰে সমৃদ্ধ এই মুক্তিপ্ৰাপ্ত গীতটিৰ কথা-সুৰ-সংগীত আৰু শ্ৰুতিমধুৰ কণ্ঠৰ প্ৰশংসা কৰে আৰু পুৰণি গীতি শৈলীত সজোৱা গীতটি শ্ৰোতা ৰাইজে নিশ্চয়কৈ আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। গীতটি শীঘ্ৰে ভিডিঅ' আকাৰত মুক্তি দিয়াৰো পৰিকল্পনা কৰিছে বুলি প্ৰযোজক কুলেন হাজৰিকাই জানিব দিছে।



অভিনেত্ৰী পুনম পাণ্ডেৰ নতুন ৰূপ

# কুমতীয়াৰ পাৰত বৰ্ষা আৱেলিত জাগ অসমীয়া

এমুঠি গীত, একৰণি কবিতা আৰু অন্তৰংগ আলাপ অনুষ্ঠানৰে মুখৰ কুমতীয়া নৈ পাৰ। শিল্পী প্ৰদীপ ৰঞ্জন দত্তৰ শ্ৰাব্য-দৃশ্য গীত 'জাগ অসমীয়া' উন্মোচন উপলক্ষে সাংস্কৃতিক অনুষ্ঠান 'স্ফুলিংগ' উদ্যোগত অনুষ্ঠিত এই গীত-কবিতা-আড্ডাৰে 'বৰ্ষা আবেলি' অনুষ্ঠানটি আৰম্ভ কৰে বন্তি প্ৰজ্বলনৰে। বন্তি প্ৰজ্বলন কৰে বিশিষ্ট কবি নবীন কামানে। কামানে প্ৰজ্বলনৰ জৰিয়তে অনুষ্ঠানৰ সামগ্ৰিক পৰিকল্পনা আৰু নৈ পাৰৰ নিৰিবিলি পৰিৱেশৰ কথা দোহাই এনে অনুষ্ঠানে অঞ্চলৰ সুস্থ বাৰ্তা প্ৰেৰণ কৰিব বুলি উল্লেখ কৰে। অনুষ্ঠানত অতিথি শিল্পী হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট সংগীতশিল্পী তথা ড° বনজিৎ ভট্টঞ্জই। ড° ভট্টই নিজৰ বক্তব্যত শিল্প চৰ্চা আৰু জনজীৱনৰ প্ৰতিচ্ছবিৰ বিষয়ে মত ব্যক্ত কৰি এটি বনগীত পৰিৱেশন কৰে। অনুষ্ঠানত ভূপেন্দ্ৰ সংগীতৰ গৱেষক ড° শংকৰ পাটোৱাৰীয়ে স্বকীয় কলা-সংস্কৃতি আৰু সংগীতৰ ক্ষেত্ৰত 'জাগ-অসমীয়া' লগত জড়িত সমূহ কলা-কুশলীৰ শলাগ গ্ৰহণ কৰে। লগতে এটি স্ব-ৰচিত গীত পৰিৱেশন কৰে ড° পাটোৱাৰীয়ে। অনুষ্ঠানত লেখক দিগন্ত কাকতি, লোকশিল্পী বুদ্ধেশ্বৰ কোঁৱৰ, বিশিষ্ট কবি ড° পূৰবী দুৱৰা, বন্দনা হাজৰিকা দত্ত, বিনোদ বড়া, প্ৰকৃতি কৰ্মী টিকেন কাকতি, সংগীত শিল্পী মহেন্দ্ৰ দত্ত, গুণ গুণ, অভিজিত আৰু সমাজকৰ্মী বানেশ্বৰ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ মাজতে 'জাগ অসমীয়া' শুভ উন্মোচন কৰে কণ্ঠশিল্পী জোনমণি হাজৰিকাই। উন্মোচনৰ সময়ত সাম্প্ৰতিক সময়ত উন্মোচিত গীতটিৰ বিহঙ্গম দৃষ্টিত ইয়াৰ প্ৰাকঙ্গিতাৰ বিষয়ে উল্লেখ কৰে। উক্ত অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে বিশিষ্ট কবি ধেমাজিৰ নবীন বুঢ়াগোহাঁই, ৰূপজ্যোতি দত্ত, দেৱযানী দত্ত, হেমচন্দ্ৰ কছাৰী, চিচিবৰগাঁৱৰ মৃদু পৱন চুতীয়া, গোগামুখৰ বিনয়কৃষ্ণ তামুলী ফুকন, সীমাশ্ৰী ফুকন, বৰদলনিৰ মিলন দত্ত, জ্যু চেং চাংমাইয়ে। অনুষ্ঠানত গীত পৰিৱেশন কৰে বিশিষ্ট শিল্পী প্ৰিয়ৰাম দত্ত, ধেমাজিৰ মামু চাংমাই, বৰদলনিৰ উৎপল চুতীয়া, বৰষাৰাণী চুতীয়া, ইগাংকু দত্ত, অনুষ্ঠানত সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰে মনীষা বড়া আৰু মধুস্মৃতা বড়াই।

# নলবাৰীত তোমাৰ নিবিড় মায়াৰে সফল মঞ্চায়ন

এগৰাকী উপন্যাসিকৰ জীৱনৰ এচোৱা উপন্যাসপম কাহিনীক মূল উপজীব্য হিচাপে লৈ নাট্যকাৰ ঋতুপৰ্ণ দাসৰ কাহিনী আৰু পৰিচালনাৰে 'স্বাধীন থিয়েটাৰৰ নিবেদন' তোমাৰ নিবিড় মায়াৰে' শীৰ্ষক চুটী নাটখন যোৱা ১২জুনত নলবাৰী নাট্যমন্দিৰত সফল মঞ্চায়ন হৈ যায়। 'লাইট অৱ ভিলেজ এনাৰ্জি' আৰু ন-পুৰণী শিল্পী নলবাৰীৰ উদ্যোগত আৰু প্ৰয়াত লিখক, সাংবাদিক হিতেশ ডেকাৰ স্মৃতিত আয়োজিত সিদিনাৰ নাট্য সন্ধিয়াটোৱে মোহবিষ্ট কৰি ৰাখে প্ৰেক্ষাগৃহৰ সমূহ শ্ৰোতা দৰ্শকক। কেবা বছৰৰ সাধনা, পৰীক্ষা-নিৰীক্ষা আৰু অভিজ্ঞতাৰ ফচলেৰে নতুন আংগিক আৰু চিন্তা-চৰ্চাৰে ২০২১ চনত নাট্যকাৰ দাসে লিখি উলিওৱা নাটখনত এক নতুন ৰসাস্বাদন লাভ কৰিছে দৰ্শক শ্ৰোতাই। লেখিকা শ্ৰুতি আৰু বিদ্ৰোহী সংগঠনৰ কেদাৰ অনিৰ্বাণৰ টেলিফোনিক বাৰ্তালাপেৰে আৰাম্ভ হৈছে নাটৰ কাহিনী ভাগ। ৬০ মিনিট দৈৰ্ঘ্যৰ নাটখনত প্ৰেম, ভালপোৱা, ব্যস্ত জীৱন প্ৰণালী, বন্ধুৰ প্ৰকৃত ভালপোৱা, আৰু চাচপেঞ্চ আদি বিভিন্ন দিশ সুন্দৰ ভাৱে ফুটাই তুলিবলৈ সক্ষম হৈছে নাট্যকাৰে। ৰাজধানী এক্সপ্ৰেছৰ উকীৰ লগে লগে ৰিং হোৱা বন্ধুৰ ফোনকলৰ, আবেগপূৰ্ণ সেই এবষ্ট্ৰাক মুহূৰ্তবোৰে নটখনক অনন্য মাত্ৰা প্ৰদান কৰিছে। এইদৰে নাটখনত আদিৰ পৰা অন্তলৈ মাত্ৰ দুটা চৰিত্ৰৰে সুন্দৰ যতি পেলাইছে। এয়া নাট্যকাৰৰ দক্ষতাপূৰ্ণ কৃতিত্ব বুলি দাবী কৰিব পাৰি। ইপিনে কাহিনী ভাগৰ আকৰ্যণ আৰু মঞ্চত অভিনীত দুই অভিনেতা অভিনেত্ৰী ক্ৰমে সত্যজিত গগৈ আৰু অপৰ্ণা দত্ত চৌধুৰীৰ প্ৰাণৱন্ত অভিনয়ে দৰ্শক স্ৰোতাক আপ্লুত কৰিছে। নাটখনৰ উচ্চ পৰ্যায়ৰ সংলাপ আৰু ব্যৱহৃত নান্দনিক সংগীত বোৰে দৰ্শক শ্ৰোতাৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছে। নাটখনৰ ক্ৰমে' সংগীতৰ দায়িত্বত আছিল অভিজিৎ বৰ্মণ আৰু গীটাৰ সংগতত আছিল মনদ্বীপ মহন্ত। শব্দ দেবজিৎ চৌধুৰীৰ। তপন বৰ্মণৰ নিয়ন্ত্ৰিত পোহৰ নাটখনৰ সফলতাৰ অন্য এক দিশ। শব্দৰ দায়িত্বত আছিল দক্ষ শব্দ যন্ত্ৰী দেৱজিৎ চৌধুৰী। মঞ্চসজ্জা বিপুল দাস আৰু মেক্‌আপ্ বৰ্ণালী বাচ্যচৰ।

# অসমীয়া ছবি জগতৰ এটি অন্যতম সংযোজনৰ আশা প্ৰযোজক-পৰিচালকৰ



## চিত্ৰ গ্ৰহণ হৈছে পৰ্বত নগৰী শ্বিলং, চেৰাপুঞ্জী, ঐতিহ্যমণ্ডিত বিশ্বনাথ, শ্বহীদ নগৰী ঢেকিয়াজুলিৰ বিভিন্ন মনমোহা প্ৰাকৃতিক পৰিৱেশত

# ইটাখোলাৰ ভিন্ন প্ৰান্তত চিত্ৰগ্ৰহণ

# পাঞ্জা

এখন ব্যস্ততাপুৰ্ণ আৰক্ষী চকী। আৰক্ষী চকীখনৰ বিষয়াসকল যেন ইমানেই ব্যস্ত কাৰো আহৰিয়েই নাই। সকলোৰে ব্যস্ত কোনোৰে কেচ লিখা লিখি কৰিছে কোনোৰে আকৌ ফাইল লুটিয়াই ছাইছে। মুঠৰ ওপৰত এখন পুৰ্ণাংগ আৰক্ষী চকীত এক ব্যস্ততাৰ পৰিবেশ।



এই ব্যস্ততাৰ মাজতে এদল যুৱকে আৰক্ষী চকীত উপস্থিতহৈ হৈ চৈ লগাই আৰক্ষী চকীখনৰ আই চিক বিচাৰি দুৱাৰ মুখতে এজন যুৱকৰ গালত প্ৰচণ্ড যোৰে চৰ শোধাইছে। এক আতংকময় পৰিবেশ চেঙামাৰী আৰক্ষী চকীত। পিছে আপুনি ভুল নুবুজিব এইখন আৰক্ষী চকীত কিনো ঘটিল বুলি এইয়া হ'ল এখন বোলছবিৰ চিত্ৰগ্ৰহণহে। এন,ই প্ৰডাকচনৰ বেনাৰত আধাৰিত 'পাঞ্জা' নামৰ চাহ জনগোষ্ঠী আদিবাসী জনজাতিৰ এটি বোলছবিৰ কিছু দৃশ্যাংশহে। বিশ্বনাথ জিলাৰ ইটাখোলাস্থিত তেজালপট্টি চাহ বাগিচাৰ এটি কাৰ্যালয়ত এখন অস্থায়ী আৰক্ষী চকী স্থাপন কৰি এই দৰে পাঞ্জা বোলছবিৰ চিত্ৰ গ্ৰহণত বিগত কিছু দিন ধৰি এই দৰে ব্যস্ত হৈ আছে ছবিখনৰ কলা কুশলিয়ে। এক পূৰ্ণদৈৰ্ঘৰ ছবি নিৰ্মাণৰ উদ্দেশ্য আৰু লক্ষৰে চিত্ৰগ্ৰহণ চলি থকা পাঞ্জা নামৰ বোলছবিখনৰ সন্দৰ্ভত আৰু ছবিখনৰ বিষয়বস্তুৰ ওপৰত মন্তব্য আগবঢ়ায় ছবিখনৰ ভিলেইন চৰিত্ৰত অভিনয় কৰা এজন শিল্পীয়ে। আনহাতে ছবিখনৰ কাহিনীও চিত্ৰ নাট্য পৰিচালক মহেশ মহলীয়াই (পাম্পু) পৰিচালনা কৰা চবিখনৰ মূল অভিনেতা চিমচন ভেংৰা তৃষ্ণা তাঁতি, ইছাক লাক্ৰা, বিকি গড়ৰ লগতে সহযোগী অভিনেতা দ্বীপেন মাহাতী, বসন্ত ভূমিজ, জ্যোতি চৰৰ, চনাচ ঠাকুৰ সন্তোষ চাওতালসহ বহু কেইগৰাকী অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিছে। চাহ জনগোষ্ঠী আদিৱাসীৰ চাদৰী ভাষাত নিৰ্মিত চবিখনত সংস্কৃতি জগতৰ খ্যাতিসম্পন্ন যুৱ প্ৰজন্মৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গ, চাহ জনগোষ্ঠী আদিৱাসী জনপ্ৰিয় শিল্পী মাইকেল পাতৰ, নবিন সংগীত শিল্পী উমেশ তাঁতি, দ্বিপজ্যোতি মাহালীসহ কেইবাগৰাকী সংগীত শিল্পীয়ে কণ্ঠ দান কৰা পূৰ্ণ দৈৰ্ঘ্যৰ ছবিখনৰ চিত্ৰ গ্ৰহণ হৈছে পৰ্ব্বত নগৰী শ্বিলং, চেৰাপুঞ্জী, ঐতিহ্য মণ্ডিত বিশ্বনাথ, শ্বহীদ নগৰী ঢেকিয়াজুলিৰ বিভিন্ন মনমোহা প্ৰাকৃতিক পৰিৱেশত। এন ই প্ৰডাকচনৰ উদ্যোগত বিগত বহু কেইটা ছুটী ছবি আৰু গীত-নৃত্যৰ ভিডিঅ' এলবামক ৰাইজে আদৰি লোৱাৰ দৰে এই বৰ্ষৰ মাজভাগতে মুক্তি পাবলগীয়া বোলছবিখনৰ পূৰ্ণ প্ৰস্তুতিৰে চিত্ৰ গ্ৰহণ চলি থকা পাঞ্জা নামৰ ছবিখনে ৰাইজৰ সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে ছবিখনৰ প্ৰযোজক-পৰিচালক মহেশ মহলীয়াই।

## প্ৰাইজমানি শক্তি উত্তোলন পাঞ্জাৰ সফল সামৰণি

**গুৱাহাটী, ১৬ জুন ঃ** হোজাই স্প'ৰ্টছ পাৱাৰ লিফটিং সন্থা আৰু লামডিং জিম এছচিয়েচনৰ সহযোগত অনুষ্ঠিত সদৌ অসম প্ৰাইজমানি শক্তি উত্তোলন আৰু পাঞ্জা প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। প্ৰতিযোগিতাখনত যোৰহাট, শিৱসাগৰ, নগাঁও, গুৱাহাটী আদি বিভিন্ন স্থানৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিলে। শতাধিত যুৱক- যুৱতীৰ অংশগ্ৰহণেৰে জীপাল ৰেলৱে ইনষ্টিটিউটৰ প্ৰেক্ষাগৃহ। শক্তি উত্তোলন আৰু পাঞ্জাত সকলো খেলুৱৈয়ে উজাৰি দিলে নিজৰ শ্ৰেষ্ঠত্ব। প্ৰতিযোগিতাত জয়ী হোৱা যুৱক-যুৱতীসকলক ট্ৰফীসহ নগদ ধন প্ৰদান কৰা হয়।নৱ প্ৰজন্মক খেলৰ প্ৰতি অধিক আকৰ্ষিত কৰি তুলিবলৈ ভৱিষ্যতেও এনে প্ৰতিযোগিতা আয়োজন কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ আয়োজক। উল্লেখ্য যে, প্ৰায় ১০-১২ বছৰৰ পাছত লামডিঙত শক্তি উত্তোলন আৰু পাঞ্জা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

### চতুৰ্থ টি-২০ ত জয়লাভ কৰি শৃংখলা দখলৰ লক্ষ্য দক্ষিণ আফ্ৰিকাৰ

# আজি ৰাজকোটত ভাৰতৰ আন এক অগ্নিপৰীক্ষা

**ৰাজকোট, ১৬ জুন ঃ** ভাৰত দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ চতুৰ্থখন মেচ কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ভাৰতে তৃতীয়খন মেচত ৪৮ ৰাণত জয়লাভ কৰি ২-১ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছে। কিন্তু কাইলৈ দলে আন এক মৰণপণ অগ্নিপৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। উল্লেখ্য যে প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখীন হোৱা টীম ইণ্ডিয়াই তৃতীয় মেচত ১৭৯-৫ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত ১৩১-১০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰথম দুখনত পৰাস্ত হৈ শৃংখলা হেৰুওৱাৰ সন্ধিক্ষণত উপনীত হোৱা ভাৰতীয় দলৰ বাবে বাকী থকা তিনিওখন মেচে মৰণপণ হৈ পৰিছিল। বিশাখাপট্টনমত আছিল প্ৰথমটো অগ্নিপৰীক্ষা। এতিয়া কাইলৈ ৰাজকোটত আৰু অহা ১৯ জুনত বাংগালুৰুত শৃংখলাৰ অন্তিম দুখন মেচ অনুষ্ঠিত হ'ব, যি ভাৰতৰ বাবে দুটা অগ্নিপৰীক্ষা। উল্লেখ্য যে কটকত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮.২ অভাৰতে ছটা উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে।



## নতুন দায়িত্বত ভি ভি এছ লক্ষ্মন

**নতুন দিল্লী, ১৬ জুন ঃ** টীম ইণ্ডিয়াৰ আসন্ন আয়াৰলেণ্ড ভ্ৰমণত ৰাহুল দ্ৰাৱিড়ৰ পৰিৱৰ্তে ভাৰতীয় দলৰ প্ৰশিক্ষকৰ ভূমিকাত দেখিবলৈ পোৱা যাব ভি ভি এছ লক্ষ্মনক।



উল্লেখ্য যে ভাৰতৰ টেষ্ট দলৰ সৈতে নিয়মীয়া প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় ইংলেণ্ড ভ্ৰমণত ব্যস্ত থাকিব বাবে লক্ষ্মনক টি-২০ শৃংখলাটোত প্ৰশিক্ষকৰ দায়িত্ব দিয়া হৈছে। অহা এক জুলাইৰ পৰা আৰম্ভ হ'ব ভাৰতৰ ইংলেণ্ড ভ্ৰমণ। এই সময়ছোৱাতে আয়াৰলেণ্ডৰ বিৰুদ্ধে আৰম্ভ হ'ব টি-২০ শৃংখলাও। সেয়েহে একে সময়তে দুয়োটা দলক নেতৃত্ব দিয়াটো দ্ৰাবিড়ৰ পক্ষে সম্ভৱপৰ নহ'ব। সেইবাবেই ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ মুৰব্বী ভি ভি এছ লক্ষ্মনৰ প্ৰশিক্ষণত ভাৰতে আয়াৰলেণ্ডলৈ প্ৰেৰণ কৰিব টি-২০ৰ দল। লক্ষ্মনৰ লগতে সীতাংশু কোটাক, চৈৰাজ বাহুতুলে আৰু মুনিষ বালিকো কোচিং ষ্টাফৰ অংশ হিচাপে প্ৰেৰণ কৰা হ'ব আয়াৰলেণ্ডলৈ। সীতাংশু কোটাকে ভাৰতীয় দলটোৰ বেটিং প্ৰশিক্ষক হিচাপে থাকিব। ইফালে, ১৯ বছৰ অনূৰ্ধ্ব বিশ্বকাপৰ সময়ত বালি আৰু বাহুতুলেও ভাৰতীয় দলৰ অংশ আছিল। সেয়ে আয়াৰলেণ্ড ভ্ৰমণত তেওঁলোক ক্ৰমে ফিল্ডিং আৰু বলিং বিভাগৰ প্ৰশিক্ষক হিচাপে জড়িত থাকিব। স্বাভাৱিকতে আয়াৰলেণ্ড ভ্ৰমণ ভি ভি এছ লক্ষ্মনৰ বাবে নতুন অভিজ্ঞতা হ'ব।

## দেশৰ সকলো ক্ৰীড়া ফেডাৰেছনলৈ কঠোৰ নিৰ্দেশনা দি তৎকালীনভাৱে গ্ৰহণ কৰিবলৈ পৰামৰ্শ কেন্দ্ৰৰ

### মহিলা ক্ৰীড়াবিদৰ সুৰক্ষাক লৈ দৃঢ় পদক্ষেপ ছাইৰ

**নতুন দিল্লী, ১৬ জুন ঃ** ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে (ছাই) দেশৰ মহিলা খেলুৱৈসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনসমূহক কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। মহিলা খেলুৱৈসকলৰ সুৰক্ষা বিষয়টোক অগ্ৰাধিকাৰ দিয়াৰ লগতে অধিক সক্ৰিয়ভাৱে ফেডাৰেছনক এই দিশত জড়িত হ'বলৈও ছায়ে কিছুমান নিৰ্দেশনা জাৰি কৰিছে আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনসমূহক তৎকালীনভাৱে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে। সেই অনুসৰি এতিয়াৰে পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ সময়ত মহিলা খেলুৱৈ দলৰ লগত বাধ্যতামূলকভাৱে সংগ দিব লাগিব মহিলা প্ৰশিক্ষকে। ইফালে, এতিয়াৰে পৰা সকলো ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰ আৰু বিদেশী এক্সপ'জাৰত মেনেজাৰৰূপে পুৰুষ আৰু মহিলাক নিযুক্তি দিয়াতো বাধ্যতামূলক। মেনেজাৰৰ ভূমিকা আৰু দায়িত্বসমূহৰ ভিতৰত আছে খেলুৱৈ আৰু অন্যান্যৰ সৈতে নিয়মীয়াকৈ যোগাযোগ কৰি নিৰ্দেশনাসমূহ মানি চলাটো নিশ্চিত কৰাৰ লগতে ক্ৰীড়াত যৌন নিৰ্যাতন প্ৰতিৰোধৰ ক্ষেত্ৰত আইনী নিৰ্দেশনা অনুসাৰে দল পৰিচালনা তথা পদ্ধতিসমূহ বলবৎ কৰা। তদুপৰি অন্যান্য কৰ্তব্যৰ লগতে মেনেজাৰে নিশ্চিত কৰিব লাগিব যে যদি কোনো সদস্যই কোনো নিয়ম উলংঘাৰ খবৰ দিয়ে, তেন্তে একেখিনি কথাই দায়িত্বশীল কৰ্তৃপক্ষক শীঘ্ৰেই অৱগত কৰাটো। ইফালে, ফেডাৰেছনে যিকোনো ৰাষ্ট্ৰীয় আৰু বিদেশৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰাৰ পূৰ্বেই সকলো খেলুৱৈ, প্ৰশিক্ষক আৰু সহায়ক কৰ্মচাৰীক একেলগে বহাই লৈ সংবেদনশীলতাৰ বিষয়সমূহ মুকলিকৈ উপস্থাপন কৰাটো জৰুৰী। আনহাতে, ফেডাৰেছনে এতিয়াৰে পৰা নিজ নিজ ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰত মহিলা প্ৰশিক্ষক তথা সহায়ক কৰ্মচাৰীৰ সংখ্যা পূৰ্বতকৈ বৃদ্ধি কৰিব লাগিব। উল্লেখ্য যে শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ সময়ত কেবাগৰাকীও মহিলা খেলুৱৈয়ে নিজৰ প্ৰশিক্ষকৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰা লজ্জাজনক ঘটনা পোহৰলৈ অহাৰ পিছতে এই পদক্ষেপ গ্ৰহণ কৰিছে ছায়ে।

## টীম ইণ্ডিয়াৰ অধিনায়ক পদ লাভ কৰিলে হাৰ্দিকে


### আই পি এলত কৰা প্ৰদৰ্শনৰ বাবে পুৰস্কাৰ লাভ

**নতুন দিল্লী, ১৬ জুন ঃ** আই পি এলত গুজৰাট দলক নেতৃত্ব দি চেম্পিয়ন কৰোৱাৰ লগতে পেছাদাৰী ক্ৰিকেট লীগখনত আগবঢ়োৱা চমকপ্ৰদ প্ৰদৰ্শনৰ মূল্য পালে ভাৰতীয় দলৰ তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। উল্লেখ্য যে আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দল ঘোষণা কৰিছে বি চি চি আয়ে। দুখনীয়া টি-২০ শৃংখলাটোৰ বাবে ঘোষিত ভাৰতীয় দলটোৰ নেতৃত্বৰ দায়িত্ব দিয়া হৈছে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াক। স্মৰ্তব্য যে পাণ্ডিয়াই প্ৰথমবাৰৰ বাবে ভাৰতৰ জাতীয় দলক নেতৃত্ব দিব। চলিত দক্ষিণ আফ্ৰিকা টি-২০ শৃংখলাত পাণ্ডিয়াই ভাৰতীয় দলৰ সহ-অধিনায়কৰ দায়িত্ব চম্ভালি আছে। স্বাভাৱিকতে আই পি এলত নিজৰ অধিনায়ক হিচাপে দাঙি ধৰা যোগ্যতাৰ স্বীকৃতি লাভ কৰিছে টীম ইণ্ডিয়াক নেতৃত্ব দিয়াৰ দায়িত্ব লাভ কৰিছে পাণ্ডিয়াই। উল্লেখ্য যে শেহতীয়াকৈ আই পি এলৰ ১৫ সংখ্যক সংস্কৰণত পাণ্ডিয়াই নৱাগত দল গুজৰাট টাইটানছৰ অধিনায়ক হিচাপে ঈৰ্ষণীয় সফলতা লাভ কৰিছিল। প্ৰথমবাৰৰ বাবে আই পি এলত অৱতীৰ্ণ হৈয়ে পাণ্ডিয়াৰ নেতৃত্বত গুজৰাটে জয় কৰিছিল আই পি এল খিতাপ। উল্লেখ্য যে আয়াৰলেণ্ড ভ্ৰমণত টীম ইণ্ডিয়াই ঘৰুৱা দলটোৰ বিৰুদ্ধে ২৬ আৰু ২৮ জুনত ডাবলিনত দুখন টি-২০ মেচত অংশ ল'ব।



## তিনিখন মেচত চাৰিটাকৈ গ'ল কৰাৰ সফলতা

### গৃহভূমিত খেলি উৎসাহিত সুনীল চেত্ৰী



**কলকাতা, ১৬ জুন ঃ** ঘৰুৱা ষ্টেডিয়ামত অনুৰাগীৰ সমৰ্থনত এছিয়ান কাপৰ মেচ খেলি আনন্দিত ভাৰতীয় ফুটবল তাৰকা সুনীল চেত্ৰী। উল্লেখ্য যে কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত হোৱা এছিয়ান কাপৰ ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ গ্ৰুপ মেচত ভাৰতীয় ফুটবল দলে অপৰাজেয় যাত্ৰা সমাপন কৰি শীৰ্ষস্থান অধিকাৰ কৰিছে। তিনিখন মেচৰ পৰা ন পইণ্ট লাভ কৰা ভাৰতে গ্ৰুপ শীৰ্ষ হৈ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰাৰ গৌৰৱো লাভ কৰিছে। তিনিওখন মেচতে ভাৰতৰ হৈ গ'ল কৰাত সফল হয় তাৰকা ষ্ট্ৰাইকাৰ সুনীল। উল্লেখ্য যে প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কম্বোডিয়াৰ বিৰুদ্ধে ২-০ গ'লত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছিল ভাৰতে। কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতৰ হৈ দিয়োটা গ'ল দিয়ে খেলৰ ১৩ আৰু ৫৯ মিনিটত সুনীল চেত্ৰীয়ে। আত্মবিশ্বাসী ভাৰতে দ্বিতীয়খন মেচত আফগানিস্তানৰ মুখামুখি হয় আৰু ৰোমাঞ্চকৰ মেচখনত জয়লাভ কৰি অপৰাজেয় যাত্ৰা অব্যাহত ৰাখে। উল্লেখ্য যে উত্তেজনাপূৰ্ণ মেচত ভাৰতীয় ফুটবল দলে আফগানিস্তানৰ বিৰুদ্ধে ২-১ গ'লত জয়লাভ কৰে। ভাৰতৰ হৈ ৮৬ মিনিটত সুনীল চেত্ৰীয়ে গ'ল দি দলক প্ৰথমে ১-০ গ'লৰ অগ্ৰগতি দিয়ে যদিও ৮৮ মিনিটত আমিনৰ গ'লেৰে মেচত সমতা স্থাপন কৰে আফগানিস্তানে। কিন্তু ইঞ্জুৰী টাইমত ছামাদৰ বিজয়সুচক গ'লেৰে মেচত ২-১ গ'লত জয়লাভ কৰে ভাৰতে। ইফালে, যোৱানিশা হংকঙৰ বিৰুদ্ধে খেলা মেচত ভাৰতক প্ৰথমে অগ্ৰগতি দিয়ে আনৱাৰ আলীয়ে (দুই মিনিট)। প্ৰথমাৰ্ধৰ অন্তিম ক্ষণত সুনীল চেত্ৰীৰ (৪৫ মিনিট) গ'লৰ সহায়ত ভাৰতৰ অগ্ৰগতি হয় ২-০। আনহাতে, মনবীৰ সিঙে ৮৫ মিনিটত আৰু ইযান পণ্ডিতাই ভাৰতীয় দলৰ হৈ বাকী দুটা গ'ল দি ৪-০ ৰ দৰ্শনীয় বিজয় দিয়ে দলক। উল্লেখ্য যে এই প্ৰতিযোগিতাত চাৰিটা গ'ল কৰাৰ পাছত বিশ্বৰ সক্ৰিয় ফুটবলাৰৰ ভিতৰত সৰ্বাধিক স্ক'ৰ কৰা তালিকাত তৃতীয় স্থানলৈ উত্তৰণ কৰাইছে সুনীলে। উল্লেখ্য যে সুনীলে ১২৯ খন মেচত ৮৪ টা গ'ল দি এতিয়া পৰ্তুগালৰ ছুপাৰষ্টাৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডো (১১৭) আৰু আৰ্জেণ্টিনাৰ লিয়নেল মেছিৰ (৮৬) পিছতে আছে।

### গুৱাহাটীত অনুষ্ঠিত ১৯ তম চাব জুনিয়ৰ সদৌ অসম উশ্বু প্ৰতিযোগিতা

## শিৱসাগৰ জিলাৰ ৪ টা সোণ, ১ ৰূপ, ৭ ব্ৰঞ্জৰ পদকেৰে সাফল্য



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ১৬ জুন ঃ** গুৱাহাটীত ১১ পৰা ১৫ জুনলৈকে কামৰূপ মেট্ৰ' উশ্বু সন্থাৰ উদ্যোগত আৰু অসম উশ্বু সন্থাৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা ১৯ তম চাব জুনিয়ৰ সদৌ অসম উশ্বু প্ৰতিযোগিতা শিৱসাগৰ জিলা দলে ৪ টা সোন, ১ টা ৰূপ আৰু ৭টা ব্ৰঞ্জৰ পদকেৰে সাফলতা অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।দুদিনীয়াকৈ উশ্বু ট্ৰেইনিং হ'ল দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম গুৱাহাটীত অনুষ্ঠিত উক্ত প্ৰতিযোগিতাত শিৱসাগৰ জিলাই সোন, ৰূপ আৰু ব্ৰঞ্জ সহ ১২ পদক লাভ কৰি সমগ্ৰ অসমৰ ভিতৰতে ২য় স্থান পাবলৈ সক্ষম হয়। এই প্ৰতিযোগিতাত স্বৰ্ণ পদক লাভ কৰে ৩০ কেজি শাখাত ঋতম শইকীয়া, ৫৬ কেজি শাখাত অভিজিৎ বুঢ়াগোহাঁই , ২৭ কেজি শাখাত অংকিতা চেতিয়া আৰু ৩৯ কেজি শাখাত চন্দিকা চেতিয়াই, ৰূপৰ পদক লাভ কৰে ৪২ কেজি শাখাত একমাত্ৰ কিৰণময়ী গগৈয়ে, ব্ৰঞ্জৰ পদক লাভ কৰে ক্ৰমে ৩৩ কেজি শাখাত ৰিতুৰাজ গগৈ, ৫২কেজি শাখাত হিমাংশু লিগিৰা, ৩০ কেজি শাখাত জ্যোতিস্না দাস, ২১ কেজি শাখাত টচমিন আহমেদ, ৪৫ কেজি শাখাত চয়নিকা দেউৰী, ৫২ কেজি শাখাত টুস্মিতা গগৈ, ৫২ কেজি শাখাত এলিছা খানে পদক লাভ কৰে। পদক লাভ কৰি শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই অনা সকলো খেলুৱৈক শিৱসাগৰ জিলাৰ উশ্বু সন্থাৰ সম্পাদক প্লাৱণ বৰাৰ লগতে জিলা সমিতিয়ে শুভেচ্ছা জনাইছে।

## মৰিগাঁৱত এ চি এ নিৰ্মান কৰিছে নতুন ষ্টেডিয়াম

**গুৱাহাটী, ১৫ জুন ঃ** অসম ক্ৰিকেট সন্থাই অসমৰ নতুন প্ৰজন্মৰ খেলুৱৈ সকলক ৰাজ্যিক ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়ত আগুৱাই নিয়াৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মৰিগাঁৱৰ ক্ষিৰোড বৰুৱা ষ্টেডিয়ামত এই মন্তব্য প্ৰকাশ কৰে এ চি এ ৰ সম্পাদক দেৱজিৎ শইকীয়াই। উল্লেখ্য যে ৰাজ্যৰ ১৯ খন জিলাৰ লগতে মৰিগাঁৱৰ ক্ষিৰোড বৰুৱা ষ্টেডিয়ামত অসম ক্ৰিকেট সন্থাই নিৰ্মান কৰি থকা ক্ৰিকেট খেলপথাৰ নিৰ্মাণৰ কামৰ বুজ লবলৈ মৰিগাঁৱত উপস্থিত হয় এ চি এৰ সম্পাদক শইকীয়া। ক্ৰীড়া সন্থাৰ সভাপতি পবন মান্তা, সম্পাদক জিতু বৰদলৈ, ৰমেন নাথ, জয়ন্ত ডেকা আদি বিষয়ববীয়া সকলৰ লগত তেওঁ ক্ৰিকেট ষ্টেডিয়াম নিৰ্মান তথা উইকেট প্ৰস্তুতিৰ বুজ লয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকে মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সুপ্ৰতিভ লাল বৰুৱা।

## আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় ক্ৰিকেট দল ঘোষণা

### সমালোচনাৰ পাছত নৱাগত সুযোগ দিলে বি চি চি আয়ে

**নতুন দিল্লী, ১৬ জুন ঃ** আসন্ন আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিব তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। আনহাতে ঘোষিত দলটোত ভাৰতীয় দলৰ সহ-অধিনায়ক হিচাপে বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰক নিৰ্বাচিত কৰা হৈছে। ইফালে চলিত দক্ষিণ আফ্ৰিকা শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বত থকা উইকেটকীপাৰ বেটাৰ ঋষভ পণ্টক আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত স্থান দিয়া হোৱা নাই। কাৰণ পণ্ট এই সময়ছোৱাত ইংলেণ্ডৰ বিৰুদ্ধে টেষ্টৰ বাবে ভাৰতীয় দলৰ অংশ হিচাপে থাকিব। পণ্টৰ লগতে লোকেশ ৰাহুল আৰু শ্ৰেয়াছ আয়াৰকো ইংলেণ্ড ভ্ৰমণৰত ভাৰতীয় দলত স্থান দিয়াৰ বাবে আয়াৰলেণ্ডৰ বিৰুদ্ধে শৃংখলাত উপলব্ধ নহ'ব। কিন্তু চলিত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাত প্ৰথমবাৰৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰা পেচাৰদ্বয় উমৰান মালিক আৰু অৰ্শদ্বীপ সিঙকো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত ৰখা হৈছে। আনহাতে উইকেটৰক্ষক বেটাৰ দিনেশ কাৰ্তিককো আয়াৰলেণ্ড ভ্ৰমণৰ বাবে দলত পুনৰ অন্তৰ্ভুক্ত কৰা হৈছে। ঘোষিত ভাৰতীয় দলটো ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্ষল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।



## আঘাত মুক্ত হৈ প্ৰত্যাৱৰ্তন সূৰ্যকুমাৰ যাদবৰ

### ভাৰতীয় দলত স্থান ৰাহুল ত্ৰিপাঠীৰ

**নতুন দিল্লী, ১৬ জুন ঃ** ভাৰতীয় ক্ৰিকেট দলে অহা ২৬ আৰু ২৮ জুনত ডাবলিনত দুখন টি-২০ মেচত অংশ ল'ব ঘৰুৱা দল আয়াৰলেণ্ডৰ বিৰুদ্ধে। আয়াৰলেণ্ড ভ্ৰমণৰ বাবে ভাৰতীয় দলটো ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ বেটাৰ ৰাহুল ত্ৰিপাঠীক প্ৰথমবাৰৰ বাবে জাতীয় দললৈ আমন্ত্ৰণ কৰা হৈছে। ঘৰুৱা ক্ৰিকেটৰ লগতে আই পি এলতো ধাৰাবাহিকভাৱে সুন্দৰ প্ৰদৰ্শন আগবঢ়াই অহাৰ পাছত অৱশেষত জাতীয় দলৰ দ্বাৰ মুকলি হ'ল ত্ৰিপাঠীৰ বাবে। বিশেষকৈ চলিত চিজনৰ আই পি এলত ত্ৰিপাঠীয়ে চমকপ্ৰদ প্ৰদৰ্শন আগবঢ়াইছিল। ইয়াৰ পিছতো দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-২০ শৃংখলাত তেওঁক বাচনি নকৰাৰ বাবে নিৰ্বাচকক সমালোচনাৰ লক্ষ্য কৰিছিল ক্ৰিকেট অনুৰাগী সকলে। ইফালে, আঘাতৰ পৰা সুস্থ হৈ উঠাৰ পিছত দললৈ উভতি আহিছে মধ্যক্ৰমৰ বেটাৰ সূৰ্যকুমাৰ যাদৱ। যাদৱৰ লগতে সঞ্জু চেমছনৰো দললৈ প্ৰত্যাৱৰ্তন ঘটিছে। উল্লেখ্য যে আই পি এলৰ পিছতে ঘোষিত দক্ষিণ আফ্ৰিকা শৃংখলাৰ বাবে ভাৰতীয় দলত চেমচনক স্থান নিদিয়াৰ বাবেও ক্ৰিকেট অনুৰাগী সকল অসন্তুষ্ট হৈছিল। ইফালে, ঘোষিত ভাৰতীয় দলটোৰ নেতৃত্বৰ দায়িত্ব দিয়া হৈছে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াক।





## ছোৱালীৰ দিবা-নৈশ ভলীবল প্ৰতিযোগিতা

**গুৱাহাটী, ১৬ জুন ঃ** বজালীৰ কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত হোৱা ছোৱালীৰ দিবা নৈশ ভলীবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে কেবাটাও দলে অংশ লোৱা উক্ত দিবা নৈশ ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হয় মুগুৰীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰ। একপক্ষীয় ফাইনেল মেচত মুগুৰীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ ছোৱালী দলে পূৱ নলবাৰী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰক ২-০ ব্যৱধানত পৰাজিত কৰে। বিজয়ী মুগুৰীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰই ভবিত্ৰী বালা উজিৰ সোঁৱৰণী বঁটাৰ লগতে পাঁচ হেজাৰ টকা লাভ কৰে। ইফালে, ফাইনেলত পৰাস্ত হোৱা পূৱ নলবাৰীৰ ছোৱালী দলে তিনি হেজাৰ টকা লাভ কৰে । মুগুৰীয়া ভলীবল কেন্দ্ৰৰ ডলী বেগমে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

### কোন কোন খেলিব ১৭ বছৰ অনূৰ্ধ হ'ৰো জনিয়ৰ নেচনেল মহিলা ফুটবল চেম্পিয়নশ্বিপ

## ডিমাকুছিত অসম মহিলা জনিয়ৰ ফুটবল দলৰ বাছনি তালিকা প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, খৈৰাবাৰী, ১৬ জুন ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেশ্যনৰ উদ্যোগত অসম ফুটবল সন্থাৰ সহযোগত অহা ১৮ জুনৰ পৰা অসমৰ গুৱাহাটী সৰুসজাই ষ্টেডিমাৰ লগতে ওদালগুৰি জিলা ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ১৭ বছৰ অনূৰ্ধ হে'ৰো নেচনেল মহিলা ফুটবল চেম্পিয়নশ্বিপ। উক্ত ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যৰ খেলুৱৈ দলে অংশগ্ৰহণ কৰাৰ লগতে অসম ৰাজ্যিক জনিয়ৰ মহিলা ফুটবল দলেও অংশগ্ৰহণ কৰিব। আৰু এতিমধ্যে ওদালগুৰি জিলা ডিমাকুছি বাছনি শিবিৰত অসম দলৰ তালিকা প্ৰকাশ পাইছে। নাম সমূহ নিম্নলিখিত ধৰণৰ— (১) মাম্পি সণোৱাল,



(২)ৰস্মী ৰয়,( ৩) তোশামনী গগৈ (কেপ্তান), (৪) মৌচুমী ব্ৰহ্ম, (সহকাৰী কেপ্তান, (৫) পূৰ্ণিমা ৰেগন (৬ )ছায়নিকা সণোৱাল, (৭) সোনম দৈমা লামা, (৮) জলী সাংগিছ,( ৯) ৰাজশ্ৰী সণোৱাল, (১০) ৰৈমালী বড়ো, (১১) হিৰণা বসুমতাৰী, (১২) চুমী দাস, (১৩) উদাংশ্ৰী নাৰ্জাৰী, (১৪) অংকিতা মেচ, (১৫) সবিতা ৰাভা (১৬) মিনা কছাৰী, (১৭) জানমনী পাংগি, (১৮) আজলী ব্ৰহ্ম, (১৯)সুনম ডত্ত, (২০) মাইনাও বসুমতাৰী। আনহাতে দলৰ পৰিচালক হিচাপে ফৈলাচিম বড়ো, প্ৰশিক্ষক হিচাপে লৌচন শইকিয়া আৰু সহকাৰী প্ৰশিক্ষক হিচাপে ৰয়েল বসুমতাৰী নাম তালিকাত প্ৰকাশ পাইছে।

# বানত জীৱ প্ৰীতি ঃ নলবাৰীত এগৰাকী সংবাদকৰ্মী আৰু এটা পদ-পথৰ কুকুৰ

## আঠুৰ ওপৰলৈকে যোৱা পানীৰ মাজত মানুহ আৰু জন্তুৰ এক অভিনৱ ব্যতিক্ৰমী দৃশ্যই দৃষ্টি আকৰ্ষণ কৰিলে ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৬ জুন ঃ** বিগত কিছুদিন ধৰি নেৰা-নেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰী জিলাতো কৃত্ৰিম বানপানীৰ সমস্যা দেখা গৈছে। আনহাতে নলবাৰীৰ একাংশ অঞ্চলত নদীৰ মথাউৰি ভাঙি পৰিত হৈছে ভালে কেইখন গাওঁ। তদুপৰি নলবাৰী চহৰতো নেৰা নেপেৰা বৰষুণৰ ফলত এক আঠু পৰ্যন্ত পানী হোৱাত পৰিলক্ষিত হয় । সেইমৰ্মে অন্য দিনৰ দৰে আজি ৰাতিপুৱাও নলবাৰী সদৰৰ ধ্ৰুৱ জ্যোতি মালাকৰ নামৰ এগৰাকী যুৱক সংবাদকৰ্মীয়ে কৃত্ৰিম বানৰ বাতৰি সংগ্ৰহ কৰিবলৈ এগৰাকী আন সংবাদকৰ্মী সতীৰ্থৰ সতে নিজৰ বাহন খন লৈ ওলাই যায় । সংবাদকৰ্মীৰ গৰাকীৰ ঘৰৰ পৰা প্ৰায় ডেৰ-দুই কিলোমিটাৰ আঁতৰত নলবাৰী চহৰৰ হাজো-ৰোডত কৃত্ৰিম বানপানীৰ বাতৰি সংগ্ৰহ কৰি থকাৰ সময়ত যুৱ সংবাদকৰ্মী ধ্ৰুৱ জ্যোতি মালাকৰে প্ৰত্যক্ষ কৰিলে এটি পদ-পথৰ কুকুৰ। কুকুৰটোৱে প্ৰায় ককাঁললৈকে পথত থকা পানী তথা যান-বাহনৰ চলাচলৰ বাবে এগৰাকী লোকৰ ঘৰৰ সন্মুখত বৰষুণত তিতি নিজৰ গন্তব্য স্থানলৈ যাব চেষ্টা কৰি আছিল। সংবাদকৰ্মী গৰাকীয়ে কুকুৰটো গৰ্ডন চকৰ সমীপৰে কাজিপাৰা অঞ্চলৰ বুলি চিনি পায়। যদিও কুকুৰটোক সংবাদকৰ্মী ধ্ৰুৱ জ্যোতিয়ে ই-ৰিক্সাত কাজিপাৰা অঞ্চললৈ আনিব খোজে কিন্তু উক্ত পথবিলাকত প্ৰায় এক ককাঁল পানী হোৱা বাবে ই-ৰিক্সাৰ বেটেৰী নষ্ট হ'ব বুলি কোনো ৰিক্সা চালকৰ পৰা সংবাদকৰ্মী গৰাকীয়ে সঁহাৰি নাপালে। শেষত উপায়হীন হৈ সংবাদকৰ্মী গৰাকীয়ে নিজৰ বাহনখন উক্ত ঠাইত এৰি কুকুৰটোক পানীৰ মাজৰ পৰা নিজে দাঙি লৈ কৃত্ৰিম বানৰ মাজত কাজিপাৰা অঞ্চললৈ যাত্ৰা আৰম্ভ কৰি দিয়ে। প্ৰায় ডেৰ-দুই কিলোমিটাৰ সংবাদকৰ্মী গৰাকীয়ে পানী তথা গাড়ী-মটৰৰ মাজত কুকুৰটো সাৰতি ধৰি খোজ কাঢ়ি কাঢ়ি নলবাৰী কাজিপাৰা অঞ্চল উপস্থিত হৈ খাদ্য বস্তুৰ যোগান ধৰি দিয়ে। আনহাতে কুকুৰটো নিজৰ থকা স্থায়ী ঠাইত উপস্থিত হৈ আন সংগী কুকুৰ বিলাকক লগ পাই উৎসাহিত হৈ পৰে। সংবাদকৰ্মী ধ্ৰুৱ জ্যোতিৰ এটি পদ-পথৰ কুকুৰটোক লৈ এনে মৰম আৰু স্নেহ দেখি যাতায়ত কৰি থকা অধিকাংশ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। জীৱ-মানুহৰ এনে এক মৰম লগা ব্যতিক্ৰমী দৃশ্যই কৃত্ৰিম বানৰ মাজতো মৰম- স্নেহৰ লগতে উদাৰ মনোভাৱৰ এক বাৰ্তা প্ৰদান কৰিছে ।





নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ ৰুক্মিণীগাঁৱত সৃষ্টি হোৱা কৃত্ৰিম বানৰ দৃশ্য, বৃহস্পতিবাৰৰ ছবি

# ঘগ্ৰাপাৰৰ বানপীড়িত অঞ্চল পৰিদৰ্শন সাংসদ দিলীপ আৰু মন্ত্ৰী জয়ন্ত মল্লৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৬ জুন ঃ** বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কুৰিখনতকৈ অধিক গাঁও জলমগ্ন হৈ পৰিছিল ঠিক সেই সময়তে আজি সাংসদ দিলীপ শইকীয়া আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ঘগ্ৰাপাৰৰ বৰাজোল, আল্লিয়া,খাতিকুছি,বালিতাৰা অঞ্চল পৰিদৰ্শন কৰা লগতে আশ্ৰয় শিবিৰত থকা বানপীড়িৰ খা-খবৰ কৰে। উল্লেখ্য যে মুষলধাৰ বৰষুণৰ ফলত ৰাজহ চক্ৰটোৰ অন্তৰ্গত ১ নং অৰৰা,বালিপাৰা, সোণকুৰিহা, ভিঠামহল, বৰাজোল, আকনা, সঠামৌ, পোণৰকাউনীয়া, কাটুৰীয়া, বাঘমাৰা, চিলিং, লাটিমা, কুন্দৰগাঁৱ-জাৰৰিহাটী, বুৰবুৰী, নাৰকুছি ধৰি কুৰিখনতকৈ অধিক গাঁও কৃত্ৰিম বানৰ কবলত পৰিছে।কৃত্ৰিম বানে ৰঙিয়া-ধমধমা সংযোগী পথটোৰ বৰাজোলত একাংশ বুৰাই পেলোৱাত যাতায়ত বিঘ্নিত হৈ পৰিছে।আনহাতে ১ নং অৰৰা গাঁৱৰ মুখ্য পথটোকে ধৰি ঘগ্ৰাপাৰৰ মিলনপুৰ -সঠামৌ সংযোগী পথ, ঘগ্ৰাপাৰৰ ৩১ নং ৰাষ্ট্ৰীয় পথৰ পৰা ৰে'ললাইনৰ তলেৰে যোৱা দামোদৰ ধাম সংযোগী পথটোত একাঠু পৰ্যন্ত পানী হোৱাত পথ দুয়োটাৰে যোগাযোগ ব্যৱস্থা ব্যাহত হৈ পৰিছিল। এই বানৰ ফলত ১ নং অৰৰা প্ৰাথমিক বিদ্যালয়, ধুৰকুছিয়াপাৰা প্ৰাথমিক বিদ্যালয়, অৰৰা অংগনবাড়ী কেন্দ্ৰ, আকনা বসুণপ্ৰিয়া প্ৰাথমিক বিদ্যালয়, আকণা প্ৰাথমিক বিদ্যালয়, সঠামৌৰ পূৱ বনভাগ মধ্য ইংৰাজী বিদ্যালয়, ঘগ্ৰাপাৰৰ এম বিচিয়াছ একাডেমি আদি শিক্ষানুষ্ঠান পানীত বুৰ গৈ আছে। অঞ্চলটোৰ তিনিশতাধিক পৰিয়ালৰ পুখুৰী পানীয়ে বুৰাই পেলোৱাত মৎস্যপালকসকল ভীষণ লোকচানৰ সন্মুখীন হৈছিল। ইফালে নোনা নৈৰ বাঢ়নী পানীয়ে সঠামৌ গাঁৱৰ বৰবৰীত ভাবুকি কঢ়িয়াই আনিছে। বাঢ়নী পানীয়ে উক্ত ঠাইত যিকোনো মুহূৰ্ততে মথাউৰি ছিঙি নিয়াৰ আশংকা ঘনীভূত হোৱা বাতৰিটো আজি 'দৈনিক অগ্ৰদুত' প্ৰকাশিত হোৱাৰ পিছতে সাংসদ দিলীপ শইকীয়া আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নৱনিযুক্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি দুপৰীয়া প্ৰতিকুল বতৰকো নেউচি উক্ত অঞ্চলসমূহ পৰিভ্ৰমণ কৰাৰ লগতে আল্লিয়াৰ বনগাঁওস্থিত বানপীড়িতৰ আশ্ৰয় শিৰিৰত উপস্থিত হৈ খা-খবৰ লয়। লগতে মন্ত্ৰী গৰাকীয়ে এই দুৰ্যোগৰ সময়ত যাতে আশ্ৰয় শিৰিৰত থকা বানপীড়িত ৰাইজে খাদ্য, শিশু খাদ্য, পশুখাদ্য আদি পায় তাৰ বাবে বিভাগত চোকা নিৰ্দেশ দিয়ে। আজি এই সাংসদ আৰু মন্ত্ৰীগৰাকীৰ পৰিভ্ৰমণ কালত সংগ দিয়ে ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ বিষয়া মণিষা কলিতা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, সম্পাদক শ্যামন্ত শৰ্মা, কনক ভৰালী, যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাস, ঘগ্ৰাপাৰ আৰু আল্লিয়া জিলা পৰিষদৰ সদস্য পংকজ ডেকা আৰু মাধৱী ৰাজবংশীকে ধৰি বিভিন্ন বিভাগৰ আমোল -বিষয়াসকলে।

# সৃজনগ্ৰামত বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, অভয়াপুৰী, ১৬ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৃজনগ্ৰাম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ পৰা সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক আজি বৰঘোলাৰ বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় ।সৃজনগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা



বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ বিষয়ববৰীয়া অতুল ৰায়ৰ পৌৰহিত্যত দিনৰ এঘাৰ বজাৰ পৰা সংঘৰ ভৱনত অনুষ্ঠিত হোৱা সভাত সৃজনী জাতীয় বিদ্যালয়, সৃজনগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়, চুকানী উচ্চ মাধ্যমিক বিদ্যালয় আৰু সৃজনগ্ৰাম সংযুক্ত উচ্চ বিদ্যালয়ৰ যি সকল শিক্ষাৰ্থীয়ে সৃজনগ্ৰামৰ পৰীক্ষা কেন্দ্ৰৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল সেই শিক্ষাৰ্থী সকলক গামোচা, শৰাই, মানপত্ৰ, অভিধান, কলম আৰু কিতাপ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয় । উক্ত সভাত উপস্থিত থকা সৃজনগ্ৰাম ছোৱালী হাইস্কুল অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৰ্মা ৰাম দাসে কয় যে মহাভাৰতৰ অৰ্জুনে যিদৰে লক্ষ্য স্থিৰ কৰি মাছৰ চকুত শৰৰে বিন্ধিব পাৰিছিল তেনেদৰে ছাত্ৰ-ছাত্ৰী সকলে নিজৰ লক্ষ্য স্থিৰ কৰি পঢ়া শুনা কৰিলে হে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিব । অন্যথা বঠা বিহীন নাৱে সোঁতত যেনিতেনি উটি যোৱাৰ দৰে সময়ৰ সোঁতত শিক্ষাৰ্থীসকল উটি যোৱাৰ সম্ভাৱনা থাকে। বঠা বিহীন নাওখন যিদৰে ঢৌত অ'ত-ত'ত খুন্দা খাই ক'ৰবাত লাগি উঠে, ঠিক তেনেকৈ লক্ষ্য স্থিৰ নোহোৱা শিক্ষাৰ্থীসকলেও ক'ৰবাত কিবা এটা ডিগ্ৰী ল'ব পাৰে । পৰৱৰ্তী যিটো হয়তো সেই শিক্ষাৰ্থীজনৰ মনোগ্ৰাহী নহ'বও পাৰে। ভাষণ প্ৰসংগত বিশিষ্ট সাহিত্যিক গৰাকীয়ে আৰু কয় যে বয়ঃসন্ধি কালৰ কণ্টকময় জেওৰাখন পাৰ হোৱাই নতুন প্ৰজন্মৰ কাম নহয় । তেওঁলোক নতুন আৰু পুৰণি প্ৰজন্মৰ মাজত সাঁকো হ'ব লাগিব । তেতিয়াহে সমাজখন সুস্থিৰভাৱে আগুৱাই যাব। সভাত উপস্থিত থাকি সৃজনগ্ৰাম সংযুক্ত উচ্চ বিদ্যালয়ৰ শিক্ষক দিলীপ সৰকাৰেও আওপকীয়াকৈ সৰ্ব শিক্ষাই শিক্ষা গুণগত মানদণ্ডৰ ওপৰত শংকা ব্যক্ত কৰে। তেওঁৰ মতে শিক্ষাৰ হাৰ উন্নত কৰিব গৈ সৰ্ব শিক্ষাই কৰবাত কৰবাত উজুটি খাইছে। যাৰ কাৰণে ভালদৰে নিজৰ নাম লিখিব নজনা বহু ল'ৰা-ছোৱালী ক্লাছ টেনত উঠিছে। বাপুজী হাইস্কুলৰ শিক্ষক তথা বিশিষ্ট জ্যোতিষী দীপক শৰ্মাই বৰ্তমানৰ প্ৰতিযোগিতামুখৰ শৈক্ষিক যুগত তিষ্ঠি থাকিবলৈ হলে শিক্ষা সাং নকৰা পৰ্যন্ত শিক্ষাৰ্থীসকলে অইন কামত মনোনিৱেশ নকৰাই ভাল বুলি উল্লেখ কৰে। আজিৰ উক্ত সভাতেই বৰ্ণালী কৃষ্টি বিকাশ সংঘই সৃজনী জাতীয় বিদ্যালয়ৰ চিত্তৰঞ্জন ৰায়, চৰিত পাঠক, মীৰা দাস, সৃজনগ্ৰাম হায়াৰ ছেকেণ্ডেৰীৰ শিৱেন ৰায়, সৃজনগ্ৰাম ইউনাইটেড হাইস্কুলৰ শিক্ষক মনোমোহন ৰায়ক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে । সভাত শিক্ষক শৈলেশ ৰায়, জগদীশ দাস, ৰফিজ আলী, সমাজকৰ্মী মনোজ শৰ্মাৰ লগতে বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ সভাপতি সম্পাদককে ধৰি আন সদস্য সকল উপস্থিত থাকে ।

# বানৰ মাজতে বাক্সাত অব্যাহত বন্যহস্তীৰ তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৬ জুন ঃ** ৰাজ্যৰ চৌদিশে বানৰ আতংকৰ মাজতে বাক্সা জিলাত অব্যাহত আছে বন্যহস্তীৰ তাণ্ডৱ। যোৱানিশা মুষলধাৰ বৰষুণৰ মাজতে জিলাখনৰ মুছলপুৰ মহকুমাৰ ভূটানখুঁটিত পাহাৰৰ পৰা নামি অহা এটা বনৰীয়া হাতীয়ে লণ্ডভণ্ড কৰে মানুহৰ বাসগৃহৰ লগতে বয়-বস্তু। জানিব পৰা মতে জিলাখনৰ বাটাবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ভূটানখুঁটীত খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ বনাঞ্চলৰ পৰা নামি অহা বনৰীয়া হাতী এটাই নিশা মুষলধাৰ বৰষুণৰ মাজতে দীপক কাৰ্কী আৰু মন বাহাদুৰ তামাং নামৰ লোক দুজনৰ ঘৰ ভঙাৰ লগতে ঘৰৰ ভিতৰত থকা ধান-চাউল আদি খাই তহিলং কৰে। আনহাতে ঘৰৰ সকলো আচবাব লণ্ডভণ্ড কৰে হাতীটোৱে। পৰিয়ালটোৰ সদস্যসকলৰ কোনোমতে প্ৰাণ ৰক্ষা পৰে যদিও মুষলধাৰ বৰষুণৰ মাজত উজাগৰী নিশা কটাবলগীয়া হয়।




এনকাউণ্টাৰ হত্যা আৰু পিপিই কিট কেলেংকাৰিৰ ন্যায়িক তদন্তৰ দাবীত গুৱাহাটী প্ৰেছ ক্লাবত সাতটা বিৰোধী দলৰ যৌথ সংবাদ মেল, বৃহস্পতিবাৰে

# ধুবুৰীৰ ব্ৰহ্মপুত্ৰ নদীত সকলো ধৰণৰ জাহাজ চলাচলত প্ৰশাসনৰ নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৬ জুন ঃ** নেৰানেপেৰা বৰষুণ আৰু ব্ৰহ্মপুত্ৰকে ধৰি ইয়াৰ বিভিন্ন উপনৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপেক্ষিতত ধুবুৰী জিলা উপায়ুক্ত তথা ধুবুৰী জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অধ্যক্ষই দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত ৰাজহুৱা স্বাৰ্থত সকলোধৰণৰ ফেৰী সেৱা তথা চৰকাৰী আৰু ব্যক্তিগত নাও বা জাহাজৰ চলাচলত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বাধা আৰোপ কৰিছে। এই সন্দৰ্ভত জাৰি কৰা এক নিৰ্দেশ অনুসৰি জৰুৰীকালিন সেৱা বা সাহায্য আৰু উদ্ধাৰ অভিযানত ব্যৱহৃত নাও বা জাহাজৰ বাহিৰে ধুবুৰী জিলাত কোনোধৰণৰ চৰকাৰী আৰু ব্যক্তিগত নাও বা জাহাজ চলাচল কৰিব নোৱাৰিব ।বুলি জিলা জনসংযোগ বিষয়া চিদানন্দ শইকীয়া এক প্ৰেছ বিবৃতিত জনায়।




# মানাহ আই আৰু পোকালাগী নৈৰ বাঢ়নী পানীত ডুব গল অৰ্ধ শতাধিক গাওঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ১৬ জুন ঃ** বঙাইগাঁও জিলাৰ মানাহ, আই আৰু পোকালাগী নৈৰ বাঢ়নী পানীয়ে উত্তৰ অভয়াপুৰী সমষ্টিৰ প্ৰায় অৰ্ধ শতাধিক গাওঁ ডুব গৈছে ।মানাহ নদীৰ বাঢ়নী পানীয়ে গনবিন্যা, গোলাপাৰা, বাশবাৰী, নাম্বাৰপাৰা, কদমতলি, ছালাভিলা, ১,২নং ধুৰৰী, বৰবাখৰা, ৪নং আৰু ৫নং ভাণ্ডাৰা বাশবাৰী আদি গাওঁ ডুব গৈছে । মানাহ নদীৰ বাঢ়নী পানীয়ে খহাই নিছে গোলাপাৰা-গণবিন্যা মাথাউৰি। বহুতৰ ঘৰদুৱাৰ পানীৰ তলত ডুব গৈছে। আই নদীৰ খহনীয়াই ২নং বাশবাৰীৰ মহন্ত কুমাৰ দাসৰ পকী ঘৰ খহনীয়াৰ কবলত পৰা দৃশ্য বন্দী হৈছে কেমেৰাত । বহুকেইখন বাঁহৰ সাঁকো মানাহ নদীৰ বাঢ়নী পানীয়ে উটুৱাই নিয়ে বুলি জানিব পৰা গৈছে। হুৰাহুৰে বাঢ়িব ধৰিছে মানাহ, আই আৰু পোকালাগী নৈৰ পানী। নিশাটোৰ ভিতৰতেই বাঢ়নী পানীয়ে কালৰূপ লোৱাৰ সম্ভাৱনা আছে। সেয়ে চিন্তিত হৈ পৰিছে নৈ পৰীয়া লোক। পুখুৰীৰ পৰা ওলাই গৈছে লাখ লাখ টকাৰ মাছ। পকিব ধৰা ধাননি পথাৰ পানীত ডুব যোৱাত কৃষকৰ মাজত হাঁহাকাৰ লাগিছে। শশ বিঘা শাক-পাচলিৰ খেতি পানীৰ তলত ডুব গৈছে। মৰাপাট খেতিৰ একেই অৱস্থা। নিশাটো কেনেকৈ কটাব তাৰে চিন্তাত পৰিছে নৈ পৰীয়া লোক।

## বিধ্বস্ত গোগামুখ-ঢকুৱাখনা পথ, বুৰিল গোগামুখ নগৰ

# ভেবেলীৰ ৰাজপথত ভূঁই ৰুই প্ৰতিবাদ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৬ জুন ঃ** ৰাজ্যখনত হৈ থকা ধাৰযাৰ বৰষুণৰ ফলত বিধ্বস্ত হৈ পৰিছে গোগামুখ-ঢকুৱাখনা ৰাজ্যিক ঘাইপথ। দুৰ্নীতিগ্ৰস্ত নিৰ্মাতা সংস্থা শিৱম কনষ্ট্ৰাকচনৰ দ্বাৰা নিৰ্মাণ কৰা গোগামুখ-ঢকুৱাখনা ৰাজ্যিক ঘাইপথটোৰ গোগামুখ নগৰ অংশ নিৰ্মাণ শেষ হোৱাৰ পাঁচ মাহ মানৰ পৰা ক্ৰমশঃ বিধ্বস্ত হৈ পৰিছিল যদিও ৰাজ্যখনত হৈ থকা মুষলধাৰ বৰষুণৰ ফলত পথটো অধিক বিধ্বস্ত হৈ পৰিছে আৰু যাতায়াতৰ অনুপযোগী হৈ পৰিছে। গোগামুখ-ঢকুৱাখনা পথৰ গোগামুখ নগৰ অংশ দুদিন ধৰি সম্পূৰ্ণৰূপে বুৰ গৈ আছে বৰষুণৰ পৰিমাণ বৃদ্ধি পালে সমগ্ৰ গোগামুখ নগৰ সম্পূৰ্ণৰূপে কৃত্ৰিম বানত ডুব যাব। ধেমাজি জিলা লোক নিৰ্মাণ বিভাগে আজিৰ পৰা পথটোৰে যাতায়াত সম্পূৰ্ণৰূপে বন্ধ কৰি দিছে। বৰদলনি উন্নয়ন খণ্ডৰ অন্তৰ্গত ভেৰেলী গাওঁ পঞ্চায়তখনৰ সোণোৱাল গাঁও হৰিমন্দিৰৰ পৰা ভেৰেলী ৰাইচ মিল সংযোগী পথটো একাঁঠুলৈকে বোকা উঠিছে । এম জি এন ৰেগা আঁচনিৰ অধীনত নিৰ্মাণ কৰা পথটো শ্ৰমিকৰূপী একাংশ ঠিকাদাৰে চূড়ান্ত দুৰ্নীতিৰ আশ্ৰয় লৈ অতি নিম্ন মানৰ কাম কৰিয়ে আৱন্টিত সমূদায় ধন উদৰস্থ কৰে। ফলত পথটো বৰ্তমান সম্পূৰ্ণ বিধ্বস্ত হৈ পৰে । আজি ভেৰেলী পঞ্চায়তৰ অন্তৰ্গত ৬ নং ৱাৰ্ডৰ ভেৰেলী সোণোৱাল গাঁৱৰ ৰাইজে একাঁঠু বোকাময় পথত ভূই ৰুই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, ২০২০-২০২১ বৰ্ষত ভেৰেলী গাওঁ পঞ্চায়তৰ ৬ নং ৱাৰ্ডত এম জি এন ৰেগা আঁচনিৰ জৰিয়তে জিলা পৰিষদৰ তৰফৰ পৰা মুঠ ৪, ৯৮, ৫১৩ টকা ব্যয় সাপেক্ষে ভেৰেলী সোণোৱাল গাঁৱৰ হৰিমন্দিৰৰ পৰা ৰাইচ মিললৈ পথছোৱা নিৰ্মাণ কৰিছিল ।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি